# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

No. : 7

The 9th March, 2005

Price : 44.00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

***Wednesday, the 9th March***

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur, with Shri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which Oral replies were given)

**Mr. Speaker :** Now Starred question No. 100, Hon'ble Member Shri Bimolangshu Roy.

**Sub : Erosion affected people.**
**Sri Bimalangshu Roy asked:**

★100. Will the Minister of Water Resources be pleased to state:

(a) Is the Govt. aware that serious damage caused to pilot band from Annapurnaghat to Sarabpatta in Tarapur Railway station and the entire locality was seriously affected by last flood in Silchar Town? If so, what stopes so far has been taken by the Government for repairs of the damage?

(b) Has the Govt. taken any steps for the orosion affected people of Tarapur, New Colony? If so, what are the steps? If not, why ?

(c) Has the Govt. taken up the issue with Railway authorities in the interest of the people of Silchar Town? If so, with what results ? If not, why?

(d) What stops the Govt. has so far taken for protection of river bank at Madhuraghat of Silchar?

**Shri Bharat Chandra Narah** (Minister of water Resources) replied :

(a) Yes, one scheme under C.R.F. is proposed to be taken up.

(b) Yes, the Department requested the District Administration (D.C. Cachar) to take up the matter with the Railway authority.

(c) The matter is being taken up with the Railway authority to take up necessary preventive measures.

(d) The erosion problem of Madhuraghat is under observation of the Department. The status of the scheme of the area has been referred to Brahmaputra Board.

★**Shri Bimolangshu Roy :** Sir, in reply to question (a) about the extent of damage, the Hon'ble Minister has replied that the Government is aware and the Hon'ble Minister has stated that one scheme under C.R.F. is proposed to be taken up. Sir, flood occurred round the year and in the meantime flood is again coming and now, the Hon'ble Minister has proposed to be taken up the scheme. Then, how the work will be executed your honour? I want to know from the Hon'ble Minister when the work will be executed in the locality and if it is to be executed whether the fund has been released on that account and whether any person has been engaged for execution of the work?

---

★ *Speech not corrected*

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহাশয়, অন্নপূৰ্ণা ঘাটৰ কাৰণে ২৫ লাখ টকাৰ এটা আঁচনি লোৱা হৈছে। এই ২৫ লাখ টকাটোৰ বাবে আমি ৰাজহ বিভাগলৈ চেনচনৰ কাৰণে লিখিছো আৰু পালেই কাম আৰম্ভ হব।

★**শ্ৰীবিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্ৰী মহাশয়ৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছো যে তেখেতে কামটো অতি সোনকালে আৰম্ভ কৰিবনে নাই? দ্বিতীয়তে অন্নপূৰ্ণা ঘাটৰ যিটো স্কিম আছে সেইটোৰ বাবে ৰাজহ বিভাগৰ পৰা চেনচন পোৱাৰ কাৰণে যাৱতীয় ব্যৱস্থা লৈ সোনকালে কামটো আৰম্ভ কৰিলে ভাল হয়।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহাশয়, মই প্ৰতিশ্ৰুতি দিছো যে কামটো অতি সোনকালে আৰম্ভ কৰিব পৰা হব।

★**শ্ৰীবিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহাশয়, উত্তৰ কৃষ্ণপুৰ আৰু অন্নপূৰ্ণা ঘাট এই দুয়োটাই অতি গুৰুত্বপূৰ্ণ।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহাশয়, এই ক্ষেত্ৰত মই কাছাৰ জিলাৰ উপায়ুক্তক অনুৰোধ কৰিছো যে এই মাটিখিনি ৰেলুৱেৰ মাটি নে চৰকাৰী মাটি সেইটো জানিবৰ কাৰণে উপায়ুক্তক নিৰ্দেশ দিছো আৰু উপায়ুক্ত কাছাৰৰ পৰা এতিয়ালৈকে মই কোনো ধৰণৰ ৰিপৰ্ট আজিলৈকে পোৱা নাই।

★**শ্ৰীবিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহাশয়, দি,চি কাছাৰক আপুনি কিয় অনুৰোধ কৰিব। তেখেতক আপুনি অৰদাৰ দিয়ক অনুৰোধ নকৰিব। এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহাশয়, টাৱাপুৰ ৰেলুৱে অথৰিটিৰ মাটি সেই মাটিখিনি চৰকাৰী মাটি হয়নে নহয় মই দুই তিনিদিনৰ ভিতৰতে তালৈ মুখ্য অভিযন্তাক পঠাম আৰু গোটেই বিষয়টো চালিজাৰি চোৱা হব।

★**শ্ৰীবিমলাংশু ৰয়** ঃ মাননীয় অধ্যক্ষ মহাশয়, মাননীয় মন্ত্ৰী মহাশয়ে প্ৰতিশ্ৰুতি দিব লাগে যে এই গোটেই কামখিনি তেখেতে কম দিনৰ ভিতৰতো কৰিব নে নাই। মানুহৰ ঘৰ দুৱাৰ ভাঙি চুৰমাৰ হৈ গ'ল নদীয়ে মানুহৰ ঘৰ দুৱাৰ উটুৱাই লৈ গ'ল আৰু কি লাগে চাব। মানুহখিনিৰ আজি হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে চাৰ। মাননীয় অধ্যক্ষ মহাশয়, The erosion problem of Madhuraghat is under observation of the department. What action you have taken?

---

★ *Speech not corrected*

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহাশয়, মধুৰী ঘাটত ব্ৰহ্মপুত্ৰ বৰ্ডে এটা স্কিম লৈছে বুলি আমি জানিব পাৰিছো। ষ্টেটাছ ৰিপৰ্ট আহিলেই কাম আৰম্ভ হব। মই প্ৰতিশ্ৰুতি দিব পাৰিম যে দুই তিনিদিনৰ ভিতৰতে তালৈকে মুখ্য অভিযন্তাক পঠাম আজি সেইটো প্ৰতিশ্ৰুতি দিছো।

★**Captain Robin Bardoloi :** Hon'ble Speaker Sir, may I ask a supplementary question? This is regarding my constituency, Dispur. This is regarding flood occurred last year/twice in Maloybari area. The flood occurred due to the reason of breach of two bundhs at Nondhara and Amlighat. As you know Sir, last year several people were washed away and died at Amlighat and also at Nondhara. I want to know from the Minister concerned about the action taken for repairing the breaches of the bundhs. Some action should be taken urgently because the last year's flood had affected the pabitora Reserve also. The steps proposed to be taken up was scheduled to be completed by November last year, but it has not yet been completed. I am not aware what is happening.

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী বাননিয়ন্ত্ৰন) ঃ মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপণ কৰা বিষয়টোৰ ওপৰত মই কব বিচাৰিছো। যে ব্ৰিজখন বনাবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এই মতে কাম চলি আছে। কাম ভালদৰে প্ৰগ্ৰেচ হৈ আছে বুলি মই ইনফৰমেচন পাইছো। এই মাৰ্চ মাহৰ ভিতৰতে কাম সম্পূৰ্ণ হব। মাননীয় সদস্য গৰাকীয়ে মোক ব্যক্তিগতভাবে লগ ধৰিছে কামৰ অগ্ৰগতিৰ ক্ষেত্ৰত সন্দেহ হোৱাত কৈছে ব্যক্তিগতভাবে মই নিজে গৈ চাই আহিব লাগে মই এদিন গৈ চাই আহিম।

**Mr. Speaker :** Now Starred question No. 101, Hon'ble Member, Shri Dinesh Ch. Sarkar.

---

★ *Speech not corrected*

বিষয় ঃ গঙ্গাঁধৰ নৈৰ গৰাখহনীয়া।

★১০১। শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গঙ্গাঁধৰ নৈৰ গৰাখহনীয়াত ভাযাডুলি, কানু-ৰী ২য় খণ্ড আৰু ৩য় খণ্ড পূৱা কানুৰী আৰু অন্যান্য গাওঁৰ কিমান সংখ্যক পৰিয়ালে গৃহহীন হৈছে এই সকলৰ তালিকা ঠিকনাসহ দাখিল কৰিব?

(খ) এই গৃহহীন ব্যক্তি সকলৰ পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰিছেনে?

(গ) যদি ব্যৱস্থা কৰা নাই, কেতিয়াকৈ গৃহহীন ব্যক্তি সকলক পুণৰ সংস্থাপন দিয়া হ'ব? (বিতংকৈ জনাব)

★শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গঙ্গাঁধৰ নৈৰ গৰা খহনীয়াত (২০০৪) ভাযাডুলি, পশ্চিম কানুৰী দ্বিতীয় খণ্ড, পূৱ কানুৰী, কালডোৰা প্ৰথম খণ্ড, উত্তৰ নৰাগদাধৰৰ পশ্চিম ৰতিয়াদহ দ্বিতীয় খণ্ড আৰু অন্যান্য গাওঁ সমূহৰ মুঠ ১০৯ টা পৰিয়াল ক্ষতিগ্ৰস্থ হৈছে। প্ৰকাশ থাকে যে কানুৰী দ্বিতীয় আৰু তৃতীয় খণ্ড নামে কোনো ৰাজহ গাওঁ নাই। উক্ত গাওঁ দুখন পশ্চিম কানুৰী দ্বিতীয় আৰু তৃতীয় খণ্ড নামে পৰিচিত। (ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ তালিকা সংলগ্ন কৰা হ'ল) (Annexure-I)

(খ) উক্ত আটাইকেইটা ক্ষতিগ্ৰস্ত পৰিয়ালক তৎকালিন ভাৱে খয়ৰাতি সাহায্য হিচাবে চাউল, দালি, নিমখ ইত্যাদি দিয়া হৈছে। তাৰোপৰি উক্ত পৰিয়াল কেইটাৰ পুণৰ সংস্থাপনৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) চৰকাৰৰ বিবেচনাধীন।

★**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, গঙ্গাধৰ নৈৰ গৰা খহনীয়াত পশ্চিম কানুৰী দ্বিতীয় খণ্ড, পশ্চিম কানুৰী তৃতীয় খণ্ড, পূৱ কানুৰী আৰু কেইখনমান গাওঁৰ কিমান সংখ্যক ক্ষতি গ্ৰস্থ হৈছে তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিছে। জালক গঞ্জত ৩০ টা পৰিয়াল আৰু গঙ্গাঁধৰ নৈত ক্ষতিগ্ৰস্ত হোৱা ৭৯ টা মুঠ ১০৯ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। এই সকলৰ কাৰণে পুণৰ সংস্থাপনৰ

কোনো ব্যৱস্থা চৰকাৰে আজিলৈকে কৰা নাই। নেচনেল ৰাষ্টাটোৱেদি মটৰ, ট্ৰাক, পুলিচৰ গাড়ী, মিলিটাৰী গাড়ী আদি অহা যোৱা কৰে। সেই ৰাষ্টাৰ ওপৰতে ৬০-৭০ টা পৰিয়ালে আশ্ৰয় লৈ আছে। চৰকাৰে যিটো তথ্য দিছে সেইটো যথাযথ নহয়। তালিকাখনৰ মতে বহুত মানুহ বাদ পৰি আছে। ক্ষতিগ্ৰস্ত হোৱা লোক সকলক পুণৰ সংস্থাপন কেতিয়া দিয়া হব অনুগ্ৰহ কৰি মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে?

★**শ্ৰীগৌতম ৰয় (মন্ত্ৰী, ৰাজহ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সৰকাৰ ডাঙৰীয়াই কৈছে কিছুমান মানুহ তালিকাখনৰ পৰা বাদ পৰিছে। বাদ পৰা পৰিয়ালৰ তালিকাখন আমাক দিলে আমি ব্যৱস্থা লম।

★**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'গ' প্ৰশ্নৰ উত্তৰত জনাইছে চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই লোক সকলক পুণৰ সংস্থাপনৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে আৰু কেতিয়া কৰিব সদনত কলে ভাল হয়। মাননীয় মন্ত্ৰী মহোদয়ে সৌ সিদিনাহে দায়িত্ব গ্ৰহণ কৰিছে কিন্তু পুণৰ সংস্থাপনৰ বিষয়টো সুদীৰ্ঘদিনৰ পৰা কৈ অহা হৈছে এতিয়া আপোনাৰ দিনত এই ক্ষতিগ্ৰস্ত লোক সকলক পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিবনে?

★**শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষতিগ্ৰস্ত হোৱা লোকসকলক পুণৰ সংস্থাপনৰ কাৰণে সোনকালে ব্যৱস্থা লোৱা হব।

★**শ্ৰীআলি আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ দুটা কথা কব বিচাৰিছো-

**Mr. Speaker :-** No, No, I am satisfied. I said I have not allowed you. Now, starred question No. 102, Hon'ble Member, Shri Paniram Rabha.

**বিষয় ঃ ষষ্ঠ অনুসূচীৰ দাবী।**
**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

★**১০২। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ৰাভা, মিচিং, তিৱা, দেউৰী জনজাতিৰ লোক সকলে ষষ্ঠ অনুসূচীৰ দাবীত

★ *Speech not corrected*

অসম চৰকাৰৰ লগত যোগাযোগ কৰিছে নেকি? যদি কৰিছে, ষষ্ঠ অনুসূচী দিয়াৰ ব্যৱস্থা লৈছেনে?

(খ) কোচ ৰাজবংশী, চাহ জনজাতি, শৰণীয়া, মৰাণ, মটক, চুতীয়া লোক সকলে জনজাতি মৰ্য্যাদা পোৱাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় কৰিছে। তেওঁলোকক ষষ্ঠ অনুসূচীৰ অন্তৰ্ভূক্তিকৰণৰ দাবীটো পৰীক্ষা কৰি চাই পৰামৰ্শ দিবলৈ মন্ত্ৰীবৰ্গৰে গঠিত এখন উপ-সমিতি গঠন কৰি দিয়া হৈছে।

(খ) কোচ ৰাজবংশী, চাহ জনজাতি, মৰাণ, মটক আৰু চুতীয়া লোক সকলক জনজাতিৰ মৰ্য্যাদা দিবৰ বাবে ভাৰত চৰকাৰলৈ সময়ে সময়ে প্ৰস্তাৱ প্ৰেৰণ কৰি থকা হৈছে। উক্ত সন্দৰ্ভত ইং ৫-৮-০৪ তাৰিখে বিধান সভাই গ্ৰহণ কৰা প্ৰস্তাৱ ভাৰত চৰকাৰৰ সিদ্ধান্তৰ বাবে প্ৰেৰণ কৰা হৈছে।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী, ডব্লিউ পি টি আৰু বি চি বিভাগ) ঃ** মাননীয় অধ্যক্ষ, উত্তৰ সদনৰ মেজত ৰখা হৈছে।

★**শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাভা, মিচিং, তিৱা, দেউৰী জনজাতি লোক সকলৰ কাৰণে ষষ্ঠ অনুসূচীৰ দাবীটো অসম চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে নেকি? উত্তৰত মাননীয় মন্ত্ৰীয়ে কৈছে, হয়, কৰা হৈছে। তেওঁলোকক ষষ্ঠ অনুসূচীৰ অন্তৰ্ভূক্তিকৰণৰ দাবীটো পৰীক্ষা কৰি চাই পৰামৰ্শ দিবলৈ মন্ত্ৰী বৰ্গৰে গঠিত এখন উপ-সমিতি গঠন কৰি দিয়া হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো চাব লাগে যিহেতু জনজাতি লোক সকলক ষষ্ঠ অনুসূচীত ধৰা হৈছে আৰু ভৈয়ামৰ বড়ো এলেকাকো ষষ্ঠ অনুসূচীত ধৰা হৈছে, বাকী থকা ৰাভা, মিচিং, তিৱা এই জনজাতি সকলক কি কি পৰামৰ্শলৈ ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰিব বিচাৰিছে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আমি জানিব বিচাৰিছো।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সোনকালে কেবিনেট চাব-কমিটি এখন গঠন কৰি তাত অন্তৰ্ভূক্তি প্ৰতিবেদন এখন প্ৰস্তুত কৰি মাননীয় মুখ্য মন্ত্ৰীৰ ওচৰত দাখিল কৰা হব। আমাৰ চৰকাৰে দিব লাগে বুলিয়ে এগ্ৰি কৰিছে। অন্তৰ্ভূক্তিকৰণৰ প্ৰতিবেদন দাখিল কৰিলে আগতে থকা সকলৰ অলপ

★ *Speech not corrected*

সালসলনি ঘটিব পাৰে। সেইকাৰণে যিটো ফাইনেল ৰিপোৰ্ট ওলোৱাৰ কাৰণে আমাৰ সময়ৰ প্ৰয়োজন হৈছে।

★**শ্ৰীপানীৰাম ৰাভা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান সময় লাগিব?

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো স্পেচিফিক কোৱা নাযায়। কাৰ্বিসকলৰ কাৰণে চিডিউল বেলেগ, ত্ৰিপুৰা সকলৰ কাৰণে বেলেগ, প্ৰত্যেকৰে বেলেগ বেলেগ চিডিউল আছে সেইকাৰণে সময় লৈছো।

★**শ্ৰীপানীৰাম ৰাভা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কোঁচ ৰাজবংশী, চাহ জনজাতি, শৰণীয়া, মৰাণ, মটক, চুটীয়া সকলে জনজাতি মৰ্য্যাদা বিচাৰিছে। চাহ জনজাতিৰ কথাটো ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। শৰণীয়া আমাৰ নামনি অসমত যথেষ্ট আছে। ১৯৭২ চনলৈকে তেওঁলোকে জনজাতিৰ তালিকাভুক্ত হৈ আছিল তাৰ পিচত যেতিয়া চেনচাচ হয় তেতিয়া এৰিয়া হিচাবে পৰাত এই শৰণীয়াসকলে জনজাতিৰ মৰ্য্যাদা পোৱা নাই। এতিয়া তেওঁলোকক ট্ৰাইবেল সংগঠনে জনজাতি বুলি স্বীকৃতি নিদিয়া কাৰণে এই লোক সকলৰ সাংঘাটিক সমস্যা হৈছে। ভাৰত চৰকাৰৰ ফালৰ পৰা শৰণীয়াসকলক জনজাতিৰ মৰ্য্যাদা দিবৰ কাৰণে এটা প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ ফালৰ পৰা কেইবাৰাৰো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এতিয়ালৈকে ৩-৪ বাৰ চিঠি প্ৰেৰণ কৰিছে। কেন্দ্ৰীয় চৰকাৰক কৈছে চাহ জনজাতি সকলক জনজাতিকৰণ কৰিব লাগে। ৫-৮-২০০৪ তাৰিখে অসম বিধান সভাত এটা 'ৰিজলিউচন' লোৱা হৈছিল। এই 'ৰিজলিউচন'টো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। কোঁচ ৰাজবংশী সকলক জনজাতিত অন্তৰ্ভূক্ত কৰিব লাগে বুলি এখন অৰডিনেচনৰ যোগেদি এখন বিল চিলেক্ট কমিতিলৈ পঠোৱা হৈছিল। চিলেক্ট কমিটিয়ে প্ৰতিবেদন দাখিল কৰোতে কেৱল কোঁচ ৰাজবংশী আহিছে। মটক, মৰাণ, তিৱা মিচিং সকলকো চিলেক্ট কমিটিত চামিল কৰা হৈছে, এইটো কাৰণত বহুতবাৰ দেখা সাক্ষাতো কৰিছে আৰু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুৰোধ ও কৰিছে।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ মাননীয় সদস্য ৰাভা ডাঙৰীয়াই শৰণীয়া সম্পদায়ৰ লোক সকলক জনজাতিকৰণ কৰাৰ কথা কৈছে। কিন্তু আমাৰ পৰা এই সম্পৰ্কত

★ *Speech not corrected*

কোনো প্ৰস্তাব প্ৰেৰণ কৰা নাই। কাৰণ যি কোনো এটা সম্প্ৰদায়ক জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত প্ৰস্তাব প্ৰেৰণ কৰিব লাগিলে ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউটৰ ৰিকমেণ্ডেচন লাগে। শৰণীয়া সকলক জনজাতিকৰণৰ তালিকাভুক্ত কৰিব পৰা হব নে নহয় সেইটো পৰীক্ষা কৰাৰ কাৰণে ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউটলৈ প্ৰেৰণ কৰিম।

★**শ্ৰীপানীৰাম ৰাভা** ঃ চাৰ, ৩১ মাৰ্চৰ আগতে প্ৰেৰণ কৰিব লাগে।

★**শ্ৰীপ্ৰেমধৰ বৰা** ঃ চাৰ, ভূমিপুত্ৰ সকলক জনজাতিকৰণ কৰাৰ ব্যৱস্থা লৈছে সেইটোত আমি ভাল পাইছো। ঠেঙাল সম্প্ৰদায়ৰ লোক সকলক জনজাতিকৰণ কৰাৰ তালিকাত সন্নিবিষ্ট কৰাৰ ব্যৱস্থা কৰিছে নেকি?

★**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰ** ঃ চাৰ, যিবিলাক ৰিজোলিউচন পঠিওৱা হৈছে সেই বিলাকৰ ভিতৰত কোচ ৰাজবংশী সকল কাগজে কলমে আগবাঢ়ি আছে। বাকী যিবিলাক ৰিকমেণ্ডেচন কৰা হৈছে সেই বিলাক কিমান আগবাঢ়িছে। যোগাযোগ কৰি থকা বুলি কোৱা হৈছে। কিন্তু এই বিলাক কৰাৰ কাৰণে কি হেঁচা প্ৰয়োগ কৰিছে সেইটো জনাব লাগে।

★**শ্ৰীসৰ্ব্বানন্দ চৌধুৰী** ঃ চাৰ, আলপাইন কলিতা সকলক জনজাতিকৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি?

★**শ্ৰীশৰৎ শইকীয়া** ঃ চাৰ, এই সন্দৰ্ভত ৫-৮-২০০৪ তাৰিখে বিধান সভাই গ্ৰহণ কৰা প্ৰস্তাব ভাৰত চাৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। এইটো কৰাৰ কাৰণে আমি ভাল পাইছো। আমি চৰকাৰৰ পৰা এইটো বিচাৰিছো যে এই চলিত অধিবেশনৰ ভিতৰতে মাননীয় অসমৰ সাংসদ সকলক যোগাযোগ কৰি লগত লৈ সোনকালে এইটো কৰাৰ কাৰণে কিবা ব্যৱস্থা লব নেকি? যোৱাবাৰ প্ৰস্তাব দিয়াৰ লগে লগে আমাৰ কিছু সংখ্যক বিধায়কক দিল্লীলৈ লৈ গৈছিল। গতিকে পুনৰ এই চলিত অধিবেশনৰ ভিতৰত নিয়াৰ ব্যৱস্থা কৰিব নেকি?

★**শ্ৰীএটোৱা মুণ্ডা** ঃ চাৰ, ৫-৮-০৪ তাৰিখে প্ৰস্তাৱটো প্ৰেৰণ কৰাৰ কাৰণে আমি ধন্যবাদ দিছো। ইয়াত আৰু অন্যান্য জনগোষ্ঠীৰ কথাও আহিছে। চাহ জনগোষ্ঠী আৰু আদিবাসী লোক সকল ১৯৬০ চনলৈকে জনজাতি আছিল। সেই জনজাতিকৰণ থকা লোক সকলক এই ৫/৬ টা সম্প্ৰদায়ৰ লোক সকলৰ লগত জনজাতিকৰণ

★ *Speech not corrected*

কৰিব বিচৰা হৈছে। মুণ্ডা, ওৰাং চাওতাল আদি সম্প্ৰদায়ৰ জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত যিটো এৰিয়া ৰেষ্ট্ৰিকচন আছে সেই কথাটোৰ ক্ষেত্ৰত চেন্ট্ৰেল গৰ্ভণমেন্টক কেনেধৰণে প্ৰেচাৰাইচ কৰিছে। আমাৰ ৰাজ্যত যি সকল এনেকুৱা সম্প্ৰদায়ৰ লোক আছে তেখেত সকলক জনজাতিকৰণ কৰাৰ কাৰণে প্ৰেচাৰাইচ কৰিব লাগে আৰু জনজাতিকৰণ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে।

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ চাৰ, টি, আৰ, আইলৈ আমি ৩১ মাৰ্চৰ ভিতৰত পঠিয়াব পাৰিম। মাননীয় সদস্য সৰ্ব্বানন্দ চৌধুৰী ডাঙৰীয়াই আলপাইন কলিতা সকলক জনজাতি কৰণ কৰাৰ কথা কৈছে। আলপাইন কলিতা সকলে তেওঁলোকৰ বছৰেকীয়া অধিবেশনত তেওঁলোকক জনজাতিকৰণ কৰিব লাগে বুলি ৰিজোলিউচন লোৱা কথা আমি বাতৰি কাকতত পাইছো। আলপাইন কলিতা সকলক জনজাতিকৰণ কৰাৰ কাৰণে আমি ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউটৰ মতামত লোৱাৰ প্ৰয়োজন আছে। টি, আৰ, আইয়ে তেওঁলোকৰ সপক্ষে মতামত দিলে আমাৰ আপত্তি নাই। ঠেঙাল সম্প্ৰদায়ৰ লোক সকলক জনজাতিকৰণ কৰাৰ কথা কৈছে। সোনোৱাল কছাৰী সকলক অটনমাচ কাউঞ্চিল দিয়া হৈছে। আমি সোনোৱাল কছাৰীৰ লগতে ঠেঙাল সকলকো অট'নমাচ কাউঞ্চিলত অন্তৰ্ভূক্ত কৰাৰ কথা কৈছিলো। কিন্তু তেওঁলোকে তাত অন্তৰ্ভূক্ত কৰিব নেলাগে বুলি কৈছে। যোৱাকালি তেওঁলোকে আমাৰ মাননীয় মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰিছে। যিহেতু এই বিলখন ইয়াত উত্থাপন কৰা হ'ল সেয়েহে ঠেঙাল সকলকো অটনমাচ কাউন্চিলৰ অন্তৰ্ভূক্ত কৰিব পাৰি নেকি সেই কথাতো আমি বিবেচনা কৰি চাম। তেওঁলোকে সোনোৱাল কছাৰী অট'নমাচ কাউন্চিলৰ সলনি সোনোৱাল ঠেঙাল অটনমাচ কাউন্চিল কৰাৰ কথা কৈছে। সেই কথাতো বিবেচনা কৰি থকা হৈছে। আমাৰ মাননীয় সদস্য দিনেশ চন্দ্ৰ সৰকাৰ ডাঙৰীয়া যি সকল সম্প্ৰদায়ক জনজাতিকৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে সেই বিলাকৰ ভিতৰত আটাইতকৈ কোচ ৰাজবংশী সকল আগবাঢ়ি আছে বুলি কৈছে। কোচ ৰাজবংশী সকল এই কাৰণেই আগবাঢ়ি আছে যে টি, আৰ, আইয়ে তেওঁলোকৰ সপক্ষে মতামত দিছে। তেওঁলোকক ৬ মাহৰ কাৰণে বাই অৰ্ডিনেন্চ জনজাতিকৰণ কৰিছে। সেই কাৰণে তেওঁলোক আগবাঢ়ি আছে। মাননীয় সদস্য এটুৱা মুণ্ডা ডাঙৰীয়াই টি ট্ৰাইবচ্‌ৰ কথা কৈছে। টি ট্ৰাইবচ্‌

★ *Speech not corrected*

আৰু এক্স টি ট্ৰাইবচ্‌ৰ ক্ষেত্ৰত এটা খুট থাকি গ'ল। তেওঁলোকৰ ৯৮ টা কমিউনিটি আছে। আমি ১৯৯৮ চনত এই গোটেই ৯৮ টা কমিউনিটিৰ লোককেই জনজাতিকৰণ কৰিব লাগে বুলি অনুমোদন জনাইছিলো। সেই ৯৮ টা কমিউনিটিৰ ভিতৰত ৩০ টা এচ, চি, ১১ টা জেনেৰেল, কেইটামান এচ টি ৰ আছিল। কেন্দ্ৰীয় চৰকাৰে অসমত থকা এই টি আৰু এক্স টি টাইবচ্ কমিউনিটি মানুহখিনি তেওঁলোকৰ অৰিজিন ৰাজ্যত কোন কমিউনিটিৰ মানুহ আছিল সেইটো বিচাৰিছে। এই ক্ষেত্ৰত আমি নতুনকৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে সঘনাই যোগাযোগ কৰি থকা হৈছে। চুটীয়া, আহোম, মৰাণ, মটক আদি লোক সকলক জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত যোগাযোগ কৰি থকা হৈছে। আজিৰ পৰা বহুত বছৰ আগতে ভাৰত স্বাধীন হোৱাৰ সময়ত চুটীয়া সকলক ট্ৰাইবেলৰ মৰ্য্যাদা দিব বিচাৰিছিল। তেতিয়া কিন্তু তেওঁলোকে সেইটো গ্ৰহণ নকৰিলে। চুটীয়া সকল মঙ্গোলীয়, তেওঁলোক ট্ৰাইবেল। ভাৰত চৰকাৰে জনজাতিকৰণৰ তালিকা বনাওতে চুটীয়া সকলকো অন্তৰ্ভূক্ত কৰিব বিচৰাত তেওঁলোকে অপোজ কৰিছিল। এতিয়া তেওঁলোক জনজাতি হব লাগে বুলি আমি ৰিপোৰ্টতো পঠিয়াইছো। ভাৰত চৰকাৰে আহোম সকলকো ট্ৰাইবেল কৰাৰ কাৰণে অসম চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছিল। তেতিয়া আহোম সকলেও এইটো অপোজ কৰিছিল। এইটো ১৯৫০ চনৰ কথা। যিহওক এতিয়া আহোম, মৰাণ, মটক আৰু আদিবাসী সকলে জনজাতি হবলৈ বিচাৰিছে। তাত চৰকাৰৰ আপত্তি নাই। এই বিষয়ে মাননীয়া সভানেত্ৰী ছোনীয়া গান্ধী ডাঙৰীয়ানীক জনোৱা হৈছিল যে সৰ্ব্বদলীয় পৰ্য্যায়ত হেচা দিব লাগে যাতে সোনকালে জনজাতিকৰণ কৰা হয়।

**বিষয় ঃ পুঁজি আৱন্টন।**

**শ্ৰীউৎপল দত্তই সুধিছে ঃ**

**★১০৩। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) মিচিং স্বায়ত্ব পৰিষদলৈ ২০০০-০১, ২০০১-০২, ২০০২-০৩, ২০০৩-০৪ আৰু ২০০৪-০৫ (ডিচেম্বৰ মাহলৈকে) এই বিত্তীয় বৰ্ষ পাচটাত বিত্তীয় বৰ্ষ অনুসৰি মুঠ কিমানকৈ ধনৰ আৱন্টন দিয়া হৈছিল?

(খ) উপৰোক্ত বিত্তীয় বছৰকেইটাত মিচিং স্বায়ত্ব পৰিযদৰ কোন কোন বিভাগক কিমান কিমান পৰিমানৰ ধন মোকলাই দিয়া হ'ল তাৰ হিচাপ বিত্তীয় বৰ্ষ আৰু বিভাগ অনুসৰি সদনৰ মেজত দাখিল কৰিবনে?

(গ) মিচিং স্বায়ত্ব পৰিষদৰ বিভিন্ন বিভাগ সমূহৰ দ্বাৰা খৰছ কৰা ধন ৰাশিৰ উপৰোক্ত বিত্তীয় বৰ্ষ কেইটাত উপকৃত হোৱা হিতাধিকাৰী সকলৰ তালিকা বিভাগ অনুসৰি বেলেগ বেলেগকৈ সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) কি কি আঁচনিত আৰু কি কি শিতানত উক্ত ধনৰাশি খৰছ কৰা হ'ল আৰু সমষ্টি ভিত্তিত কিমানকৈ ইয়াৰ অংশ পালে? (সমষ্টি ভিত্তিত প্ৰত্যেকৰে তালিকা দাখিল কৰিব)

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মিচিং স্বায়ত্ব পৰিষদলৈ ২০০০-০১, ২০০১-০২, ২০০২-০৩, ২০০৩-০৪ আৰু ২০০৪-০৫ ৰ আৱন্টন দিয়া ধনৰ পৰিমাণ এনে ধৰণৰ আৱন্টন দিয়া মুঠ ধনৰ পৰিমাণ-

| | | পৰিকল্পনা শিতান | | পৰিকল্পনা বৰ্হিভূত শিতান |
|---|---|---|---|---|
| ২০০০-০১ | - | ১০৭৬.২৯ | - | ১০০.০০ |
| ২০০১-০২ | - | ৮১৩.৪০ | - | ১০০.০০ |
| ২০০২-০৩ | - | ৭৭০.৭১ | - | ১০০-০০ |
| ২০০৩-০৪ | - | ১২১৩.৮৯ | - | ১০০.০০ |
| ২০০৪-০৫ | - | ৬৯৯.৭০ | - | ১০০.০০ |

(খ) ওপৰোক্ত বিত্তবৰ্ষ কেইটাত বিভাগ অনুসৰি মিচিং স্বায়ত্ব পৰিষদলৈ মোকলাই দিয়া ধনৰ পৰিমান এনে ধৰণৰ ঃ-

| বিভাগৰ নাম | ২০০০-০১ | ২০০১-০২ | ২০০২-০৩ | ২০০৩-০৪ |
|---|---|---|---|---|
| ১। উদ্যোগ বিভাগ- | ১৭.০০ | ২০.৫৬ | ১৯.২৫ | ১১.২৩ |
| ২। ৰেচম বিভাগ- | ১২.১৮ | - | ১২.৮০ | ২৮.৯৪ |
| ৩। জসিঞ্চন বিভাগ- | ১১.১৬ | ২৪.৭২ | ৩৭.৭৭ | ১২.৭০ |
| ৪। পঞ্চায়ত ও গ্ৰামোন্নয়ন- | ২৬.৩১ | ২৬.৮২ | ২০.১৮ | ১২.৭০ |
| ৫। জনস্বাস্থ ও কাৰিকৰি- | ৬৮.০০ | ৫৫.০০ | ৭০.০০ | ৭৫.০০ |

| | | | | |
|---|---|---|---|---|
| ৬। খাদ্য ও অসামৰিক- | ১.০০ | - | - | - |
| ৭। গড়কাপ্তানী- | ১.৪৫.০০ | ৩৫.৭৯ | ১৬২.৭৭ | ৪৫.০০ |
| ৮। পশুপালন- | ৪.৩৩ | - | ৮.৬৬ | ১১.০০ |
| ৯। সমবায়- | ১০.৫১ | ১৮.৪২ | ১৫.০০ | ৩০.৭৯ |
| ১০। হস্ততাত বস্ত্ৰশিল্প- | ২৪.৩৬ | - | ২১.৮৫ | ১২.৫০ |
| ১১। পৰ্য্যটন- | ১.৩৮ | - | ৭.০০ | ৪.৭৯ |
| ১২। সমাজ কল্যাণ- | ৭৬.৬৬ | ৭৫.০০ | ৭৫.০০ | ৭৬.০০ |
| ১৩। জনজাতি ও পিছপৰাশ্ৰেণী- | ৪৬.০০ | ১৪৯.০০ | ১৭০.০০ | ১০৬.০০ |
| ১৪। বন বিভাগ (সমাজিক)- | - | - | - | ০.১৭ |
| ১৫। কৃষি বিভাগ- | - | ৫৩.০৫ | ৩৪.৮৬ | ২৫.৫৭ |
| ১৬। বান নিয়ন্ত্ৰণ- | - | ৮.৬৮ | ৭.০০ | - |
| ১৭। অনুসূচীত জাতি কল্যাণ- | - | - | ৫.১২ | ৪.০০ |
| ১৮। প্ৰচাৰ বিভাগ- | - | - | ১.০৪ | - |
| ১৯। ৰাজ বিভাগ- | - | - | - | ৫.০০ |
| ২০। ক্ৰীড়া ও যুৱ কল্যাণ- | - | - | ১.০০ | ১.০০ |
| ২১। মীন পালন- | - | - | ৪.৩১ | ৫.৬০ |
| ২২। শিক্ষা বিভাগ- | - | - | ১৮.৩৩ | ৩০.৯৮ |
| ২৩। ভূমি সংৰক্ষণ- | - | - | - | ৪.৪০ |
| ২৪। শ্বাস্থ্য বিভাগ- | - | - | - | ১৪.৫০ |
| ২৫। পৰিবহন- | - | - | - | ১০.১০ |
| ২৬। সাংস্কৃতিক বিভাগ- | - | - | ৪.৭৪ | ৬.০০ |
| ২৭। পৌৰ প্ৰশাসন- | - | - | ০.৯২ | - |

**২০০৪-০৫ বিত্তীয় বৰ্ষত মিচিং স্বায়ত্ব পৰিষদলৈ মুঠ ৩ কোটি ১৪ লাখ ৬৬ হেজাৰ টকা ১২ টা বিভিন্ন বিভাগৰ বাবে চিলিং অনুমোদন কৰা হৈছে।**

(গ) উপৰোক্ত বৰ্ষ কেইটাত খৰছ কৰা ধন ৰাশিৰ দ্বাৰা উপকৃত হিতাধিকাৰীৰ তালিকা পৰিষদৰ পৰা বিচৰা হৈছে।

(ঘ) মিচিং স্বায়ত্ব পৰিষদক আৱণ্টিত ধন পৰিষদে নিজা আঁচনি অনুসৰি পৰিষদ এলেকাতে ৰূপায়ন কৰে।

**শ্ৰীউৎপল দত্ত ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে যে টোটেল ৪ কোটি ৫১ লাখ টকা অনুমোদন দিছে। ৩ কোটি ১৪ লাখ টকা মিচিং স্বায়ত্বৰ

পৰিষদলৈ অনুমোদন দিছে, কিন্তু ১ কোটি ২৯ লাখ টকা এতিয়ালৈ এৰি দিয়া নাই, কেতিয়াকৈ দিব জনাবনে? মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে গড়কাপ্তানি বিভাগৰ যিখিনি টকা খৰছ হ'ল এই টকাবিলাক কোন কোন সমষ্টিত হৈছে আৰু কি কি ৰাষ্টা লোৱা হৈছে জনাব লাগে। আৰু এটা কথা আমি দেখা পাইছোঁ যে পাবলিক হেলথ বিভাগত যথেষ্ট টকা খৰছ কৰা হৈছে, কিন্তু অভিযোগ আহিছে যে নূন্যতম মানদণ্ডৰ টিউব ওৱেল কিনা হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে তেনে মানদণ্ডৰ টিউব ওৱেল ভবিষ্যতে কিনা নহয়। আৰু শেষত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে পিচপৰা জনজাতিৰ কাৰণে প্ৰথম বছৰত ৪৬ লাখ, দ্বিতীয় বছৰত ১ কোটি ১৮ লাখ আৰু শেষৰ বছৰত ১ কোটি ৬ লাখ টকা কিহত খৰছ কৰিছে জনাব লাগে।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (পিচ পৰা জনজাতিৰ মন্ত্ৰী) ঃ মিচিং অটনমাচ কাউন্সিলৰ বিভিন্ন বিভাগৰ বাবে দিয়া হৈছে।

★**শ্ৰীউৎপল দত্ত** ঃ অধ্যক্ষ মহোদয়, ৪ কোটি ৫৩ লাখ টকা চাৰিটা বছৰত দিছে বাকী ১ কোটি ২৯ লাখ টকা দিবনে নিদিয়ে আৰু যদি দিয়ে কেতিয়া দিব?

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, দত্ত ডাঙৰীয়াই কোৱাৰ দৰে অকল চাৰিটা বছৰতে নহয় আমি প্ৰত্যেক বছৰতে এই টকা দি আহিছোঁ। এতিয়া প্ৰায় টকা ৰিলিজ কৰি দিয়া হব।

★**শ্ৰীউৎপল দত্ত** ঃ অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছোঁ যে মিচিং অটনমাচ কাউন্সিলত আছে তাত আমাৰ বিধায়কসকল মেম্বাৰ হয় নে নহয়? আজি চাৰি বছৰে এখনো জেনেৰেল সভা পতা নাই আৰু বিধায়ক সকলক মতা নাই। ভবিষ্যতে পাতিলে বিধায়ক সকলক মতাৰ ব্যৱস্থা কৰিবনে কি?

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জনজাতিয় কাউন্সিলৰ কৰ্মকৰ্ত্তা সকলৰ বিষয়ে বহুত অভিযোগ পাইছো; তেওঁলোকে নীতি নিয়ম পাহৰি গৈছে। ই এম এ আলোচনা মতে অৰ্দাৰ দিয়ে আৰু ঠিকাদাৰ সকলে সেইমতেই দোকানৰ পৰা বস্তু লৈ আছে। ইয়াৰ বাবেই দুখনকৈ ই এম এ ড্ৰপ দিব লগা হৈছে। জেনেৰেল কাউন্সিলৰ বাবে মতা হব।

★**শ্ৰীউৎপল দত্ত** ঃ আবন্টন দিয়া পইচাবিলাকেৰে কাম কৰোতে স্থানীয় বিধায়কৰ লগত আলোচনা কৰি কৰিলে ভাল হয়, এই বিষয়ে অৰ্দাৰ দিব নে কি?

---

★ *Speech not corrected*

★শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ এম এ চিৰ প্লেন এন্ত ডেভেলপমেন্টৰ ৩৬ টা বাজেট ইয়াত বনোৱা হয়। এইবাৰ কেবিনেটত চাব কমিটি কৰাৰ পিচত্‌হে জেনেৰেল কাউন্সিলৰ মিটিং পতা হব আৰু মন্ত্ৰী এম. এল. এ সকলকো মতা হব।

**Mr. Speaker :** Now, Starred question No. 104, Hon'ble Member Dr. Anandaram Barua.

**বিষয় ঃ বানপানীত মথাউৰী ক্ষতি।**

**ডাঃ আনন্দৰাম বৰুৱাই সুধিছে ঃ**

**১০৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ২০০৪ চনৰ দুটা বানপানীয়ে কপিলী, কলং ও বৰপানী নদীয়ে কিমান ঠাইত মথাউৰী ভাঙিলে? (ভঙা ঠাইবোৰৰ নাম উল্লেখ কৰিব)

(খ) ভঙা মথাউৰীবোৰ মেৰামতিৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব ?

(গ) মেৰামতিবোৰ কৰোঁতে Roller দি তাক সম্পূৰ্ণ মজবুত কৰাৰ ব্যৱস্থা হ'ব নেকি?

(ঘ) ৰহা সমষ্টিৰ মথাউৰী মেৰামতিৰ বাবদ কিমান টকা ধাৰ্য্য কৰা হৈছে

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৪ চনৰ দুটা বানপানীয়ে কপিলী আৰু কলং নৈৰ মথাউৰী ১৭৪ ঠাইত ছিঙে। মথাউৰী ছিঙা ঠাইবোৰৰ নাম পৰিশিষ্ট 'ক' ত উল্লেখ কৰা হ'ল। উল্লেখ থাকিল যে বৰপানী নদীৰ বিপৰীতে জলসম্পদ বিভাগৰ কোনো মথাউৰী নাই।

(খ) ছিঙা মথাউৰীবোৰ মেৰামতিৰ কাম অহা বাৰিষাৰ আগেয়ে সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

(গ) মথাউৰী মেৰামতিৰ কামত Roller ব্যৱহাৰ কৰা নহয়।

(ঘ) ৰহা সমষ্টিৰ মথাউৰী মেৰামতিৰ বাবদ ৩.৮৩ কোটি টকাৰ আঁচনিৰ প্ৰাৰম্ভিক মঞ্জুৰী C.R.F. শিতানত ৰাজহ বিভাগৰ পৰা পোৱা হৈছে।

★**ডাঃ আনন্দৰাম বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীয়ে ১৭৪ ঠাইত ছিঙা বুলি কৈছে কিন্তু ১৭৪ নহয় ১৮০ ঠাইত ছিঙিছে। আৰু মথাউৰী ছিঙা ঠাইবোৰৰ নামৰ পৰিশিষ্ট দিয়া বুলি কৈছে। আমি পোৱা নাই। এই ঠাইবোৰত মথাউৰী দিয়াৰ ব্যৱস্থা কৰিবনে কি মন্ত্ৰী মহোদয়ে জনাবনে? তেখেত জলসম্পদ বিভাগৰো মন্ত্ৰী আছিল ২০০২ চনত। তেখেত তালৈ গৈছিল আৰু

★ *Speech not corrected*

নিজে দেখি আহিছিল। গড়াখহনীয়াৰ কথাটো কিবা এটা কৰিব লাগে। নকৰাৰ কাৰণে চাঙচকী গাওঁখন উচ্ছেদ হৈ গ'ল। অধ্যক্ষ মহোদয়-মই আপোনাৰ জৰিয়তে জানিব বিছাৰিছো যে যোৱা বানপানীত যিখিনি ঠাইত মথাউৰী ছিঙিছিল সেই ঠাইত মথাউৰীৰ মেৰামতি কি ধৰণে কৰিছে। তেখেতে নিজে গৈ চাই আহক। মই আশা কৰিছো এই বিষয়টোৰ সদনত আশ্বাস দিব লাগে। আৰু যিবিলাক ঠাইত মথাউৰী হোৱা নাই সেইবিলাক ঠাইত মথাউৰী দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৪ চনৰ জুলাই আৰু অক্টোবৰৰ মাহত হোৱা অভাৱনীয় বানপানীৰ ফলত কলং আৰু কপিলী নদীয়ে নগাওঁ আৰু মৰিগাওঁ জিলাৰ বিভিন্ন অংশত মথাউৰী ছিঙে আৰু বানপানীয়ে বুৰাই বিস্তৰ ক্ষতি সাধন কৰে। এই বানপানীৰ ফলত নগাওঁ সংমণ্ডলৰ অধীনত কপিলী নদীয়ে ৪১ ঠাইত আৰু কলং নদীয়ে ৫৫ ঠাইত মুঠ ৯৬ ঠাইত মথাউৰী ছিঙি পেলায়। মৰিগাওঁ সংমণ্ডলৰ অধীনত কপিলী নদীয়ে ৫৪ ঠাইত আৰু কলং নদীয়ে ২৪ ঠাইত মুঠ ৭৮ ঠাইত মথাউৰী ছিঙে।

চিঙা মথাউৰীবোৰৰ মেৰামতিৰ কাম বৰ্ত্তমানে চলি আছে আৰু অহা বাৰিষাৰ আগেয়ে সেইকাম সম্পূৰ্ণ কৰা হব বুলি আশা কৰা যায়। ৰহা সমষ্টিৰ মথাউৰী মেৰামতিৰ বাবে মৰিগাওঁ সংমণ্ডলৰ অধীনত বাওঁপাৰাৰ মথাউৰিৰ বাবদ ৭০.০০ লাখ টকা, সোঁপাৰৰ মথাউৰীৰ বাবদ ৭৯.০০ লাখ টকা সৰ্ব্বমুঠ ১.৪৯ কোটি টকা প্ৰভিজনেলি চেনচন হৈছে। নগাওঁ সংমণ্ডলৰ অধীনত অৱস্থিত ফুলগুৰীৰ পৰা মোলানকাটালৈ আৰু ৰহাৰ পৰা চাপৰমুখলৈ অৱস্থিত মথাউৰীৰ বাবে ১৩৫.০০ লাখ টকা।

(২) ফুলগুৰীৰ পৰা হয়বৰ গাওঁলৈ অৱস্থিত মথাউৰী মেৰামতিৰ বাবদ ১৫ লাখ টকা

(৩) আৰ, চি, চি খুটা আৰু শিলেৰে খহনীয়া প্ৰতিৰোধৰ বাবদ ৭৮ লাখ টকা আৰু

(৪) চৰাইহাগীৰ পৰা টকলাই টুপলৈ অৱস্থিত মথাউৰী মেৰামতিৰ বাবদ ৬ লাখ টকাৰ সৰ্ব্বমুঠ ২.৩৪ কোটি টকা প্ৰভিজনেল চেনচন হৈছে।

নগাওঁ আৰু মৰিগাওঁ দুয়োটা সংমণ্ডল মিলি ৰহা সমষ্টিৰ মথাউৰি মেৰামতিৰ বাবদ ৩.৮৩ কোটি টকা চি. আৰ. এফ শিতানত ৰাজহ বিভাগৰ

★ *Speech not corrected*

পৰা প্ৰাৰম্ভিক মঞ্জুৰী পোৱা হৈছে। মাননীয় সদস্য জনে নিমন্ত্ৰণ কৰিছে যেতিয়া তেখেতৰ লগত যাবলৈ মই প্ৰস্তুত।

★**ডাঃ আনন্দ ৰাম বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বানপানীত ৰহাত যিমান ক্ষতি হৈছে অসমৰ বোধহয় কোনো ঠাইতে তেনেকুৱা হোৱা নাই। ৰাষ্ট্ৰীয় ঘাই পথত থকা দলং বানপানীয়ে উটুৱাই নিছে। আনকি এনেকুৱা অৱস্থা হৈছে যে কিছুমান গাওঁ উচ্ছেদ হৈ গৈছে। সেই সময়ত বাননিয়ন্ত্ৰণ মন্ত্ৰী বা ৰাজহ মন্ত্ৰীও যোৱা নাই। মাননীয় মুখ্য মন্ত্ৰী নিজে গৈছে কিন্তু বিভাগীয় মন্ত্ৰীয়ে সেই সময়ত সেই ঠাই পৰিদৰ্শন নকৰিলে। এতিয়া তেখেতসকলক অনুৰোধ কৰিছো দুয়োজনে একেলগে গৈ ৰহা সমষ্টিৰ বিধ্বস্ত অঞ্চল চাই আহিবলৈ।

★**শ্ৰীবুবুল দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিছাৰিছো তেখেতে বানপানীৰ সম্পৰ্কত এটা লিখিত উত্তৰত কৈছে ধন পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ আপোনাৰ লিখিত প্ৰশ্নৰ উত্তৰ হৈ গৈছে। গতিকে ১০৪ নং প্ৰশ্নৰ যদি কিবা পৰিপুৰক প্ৰশ্ন আছে কৰক।**

★**শ্ৰীবুবুল দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, উক্ত প্ৰশ্নটোও বানপানীৰ লগতে সম্পৰ্ক থকা। মৰিগাওঁ জিলা অসমৰ ভিতৰতে আটাইতকৈ বানবিধ্বস্ত জিলা। গতিকে এনেকুৱা পৰিস্থিতিত যি ঠাইত কপিলী আৰু কলঙে মথাউৰী চিঙিছে আৰু লাহৰীঘাটৰ বিধস্ত অঞ্চল মেৰামতি কৰাৰ কাৰণে জৰুৰী ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব নেকি। এতিয়া মানুহে তাত বড়ো খেতি কৰিছে। যদি মথাউৰী মেৰামতি কৰা নহয় তেতিয়াহলে বড়ো খেতিও নষ্ট হৈ যাব। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো মাৰ্চ মাহৰ ভিতৰত মথাউৰীৰ কাম সম্পূৰ্ণ কৰিব নেকি।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কৈছে সেইটো নহয় যে উক্ত ধনৰাশি পোৱা নাই। আগতেও কৈছো যে পি এগুডিয়ে দিলেহে তাৰ পিচত খৰছ কৰিছো। ১০০ শতাংশ কৰাৰ ৰিপোৰ্ট দিলে ৰেভিনিউয়ে টকা দিব। টেণ্ডাৰ কৰা হৈছে। কামৰ অগ্ৰগতি হৈ আছে। যোৱা

★ *Speech not corrected*

বানপানীত যিবিলাক ঠাইত মথাউৰী ছিঙিছিল তাৰ কাৰণে টেণ্ডাৰ কৰা হৈছে আৰু ৩১ মাৰ্চৰ ভিতৰত কাম হ'ব।

★**শ্ৰীমতী প্ৰণতি ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে গড়াখহনীয়াৰ কথা কিবা চিন্তা কৰিছে নেকি? যোৱা বানপানীত যিবিলাক ঠাইত গড়াখহনীয়া হৈছিল তাত প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব নেকি।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে ৰাজহ বিভাগৰ পৰা অনুদান নাপাও। কিন্তু মথাউৰীতকৈ গড়াখহনীয়াইহে বেছি বিপদৰ সৃষ্টি কৰিছে। এই সংক্ৰান্তত গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে নাবাৰ্ডে টকা দিবলৈ আগবাঢ়ি আহিছে। সেইকাৰণে গড়াখহনীয়া প্ৰতিৰোধৰ আচঁনি নাবাৰ্ডৰ অধীনত লব লগা হৈছে। মাননীয়া সদস্যা গৰাকীয়ে তেখেতৰ জিলাৰ আঁচনি দিলে কৰাৰ ব্যৱস্থা কৰিম।

★**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ অধ্যক্ষ মহোদয়, বিটি এ ডিৰ গড়াখহনীয়াৰ কাৰণে কিমান টকা মুকলি কৰি দিব।

★**শ্ৰীভৰত চন্দ্ৰ নৰহ** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই তথ্য মোৰ হাতত বৰ্ত্তমান নাই।

**Mr. Speaker :** Starred question No.105, Hon'ble Member, Shri Pabindra Deka.

**বিষয় ঃ মহানগৰৰ চিটিবাছৰ সংখ্যা।**
**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

★**১০৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) গুৱাহাটী মহানগৰত চৰকাৰে বৰ্ত্তমান কিমানখন চিটিবাছ (City Bus) চলাই আছে?

(খ) এই চিটিবাছ সমূহৰ কিমানখন ASTC ৰ আৰু কিমানখন ব্যক্তিগত মালিকনাত চলোৱা বাছ?

★ *Speech not corrected*

(গ) ASTC ৰ জৰিয়তে চলোৱা বাছ সমূহৰ পৰা চৰকাৰে প্ৰতি মাহত কিমান কিমান টকা লাভ কৰিবলৈ সক্ষম হৈছে?

**শ্ৰীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰত বৰ্ত্তমান ১০৯৯ খন চিটিবাছ চলাচল কৰি আছে।

(খ) এই চিটিবাছ সমূহৰ ভিতৰত-

১। ASTC ৰ নিজা চিটিবাছ - ৫৭ খন

২। ASTC ৰ অধীনত চলা চিটিবাছ - ১১৪ খন।

৩। ব্যক্তিগত মালিকৰ চলা চিটিবাছ - ৯২৮ খন।

মুঠ - ১০৯৯ খন।

(গ) ASTC - ৰ জৰিয়তে চলোৱা ব্যক্তিগত বাছ সমূহৰ পৰা প্ৰতিমাহত গড়ে প্ৰায় ৫.১৬ লাখ টকা লাভ হয়।

★**শ্ৰীপবিন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীমহোদয়ে উত্তৰ দিছে যে বৰ্ত্তমান গুৱাহাটী মহানগৰীত ১০৯৯ খন চিটিবাছ চলাচল কৰি আছে। অলপতে চিটি বাছৰ ভাড়া বাঢ়িছে। কিমান বাঢ়িছে মন্ত্ৰী মহোদয়ে জনাব নেকি।

★**শ্ৰীঅঞ্জন দত্ত** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বোধকৰো মাননীয় বিধায়ক গৰাকীয়ে বহুদিন চিটিবাছত উঠা নাই। আচলতে অলপতে চিটি বাছৰ ভাড়া বৃদ্ধি হোৱা নাই।

★**শ্ৰীপবিন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুদিন আগতে চিটি বাছৰ ভাড়া বৃদ্ধি হৈছে। ৰাইনো চিটি বাছতে তিনি টকাৰ ঠাইত ৫ টকা হৈছে। গতিকে এইটো কেনেকৈ হ'ল।

★**শ্ৰীঅঞ্জন দত্ত** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাছৰ ভাড়া বঢ়োৱাৰ কাৰণে কেবিনেটত সিদ্ধান্ত লোৱা হৈছে। কিন্তু ইয়াৰ নটিফিকেচন হোৱা নাই। বাছৰ ভাড়া বঢ়াৰ কথা কোৱা হৈছে যদিও গুৱাহাটী চিটিত কোনো ভাড়া বৃদ্ধি হোৱা নাই।

**Mr. Speaker :** Starred question No. 106, Hon'ble Member, Shri Ali Akbar Miah.

★ *Speech not corrected*

বিষয় ঃ সঃ সমিতিৰ পৰিচালনা আৰু বিষয়াৰ কৰ্ম-কাণ্ড।
শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

★১০৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ARCS, Dhubri য়ে R D একাউন্টছৰ ৭,৭৫.০০০/- টকা হিতাধিকাৰী সঃ সমিতিলৈ বিতৰণ কৰি শেষ কৰিলেনে?

(খ) টকাখিনি ARCS য়ে পালে কোন তাৰিখত আৰু বিতৰণ শেষ কৰিলে কোন তাৰিখত?

(গ) ARCS (জয়ন্ত খেৰকটাৰী) জনক তিনিবাৰ বদলি কৰিও নানা যুক্তি দেখুৱাই ৰিলিজ নকৰাটো সচাঁনে?

(ঘ) যদি সচাঁ, বিষয়া জনক কেতিয়া ৰিলিজ কৰা হব?

(ঙ) ধুবুৰী জিলাত কিমানখন সঃ সমিতি নিৰ্বাচিত আৰু কিমানখন এডহোক কমিটিৰ দ্বাৰা পৰিচালিত হৈ আছে।

(নিৰ্বাচন আৰু এডহোক হোৱাৰ তাৰিখ উল্লেখ কৰি সমিতিৰ তালিকা দিব)

**শ্ৰীমিছবাহুল ইচলাম লস্কৰ** (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সম্পূৰ্ণ টকা বিতৰণ শেষ হোৱা নাই। মুঠ ৭,৭৫.০০০.০০ টকাৰ ভিতৰত ২,৫০.০০০.০০ টকা বৰ্ত্তমানে বিতৰণ কৰিবলৈ বাকী আছে।

(খ) R. D. Accounts ৰ ৭,৭৫.০০০.০০ টকাৰ Draft ১৩-৩-২০০৩ ইং তাৰিখত পোৱা হৈছিল। ২,৫০.০০০.০০ টকা বিতৰণ কৰিবলৈ বাকী আছে।

(গ) ARCS (জয়ন্ত খেৰকটাৰী) জনক তিনিবাৰ বদলি কৰাতো সচাঁ। কিন্তু নানা যুক্তি দেখুৱাই ৰিলিজ নকৰাটো সচাঁ নহয়। উক্ত বিষয়াজন ধুবুৰী জিলাৰ সহকাৰী নিৰ্বাচক পঞ্জীয়ন বিষয়া হিচাবে নিযুক্তি দিয়া হৈছে। সেয়ে বিষয়াজনৰ বদলিৰ আদেশ কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

(ঘ) নিৰ্ব্বাচনী বিভাগৰ পৰা অব্যাহতি দিয়াৰ পিচতহে ৰিলিজৰ বিষয়ে কাৰ্য্যকৰি ব্যৱস্থা লব পৰা হব।

(ঙ) ধুবুৰী জিলাত মুঠ গাওঁ পঞ্চায়ত সমবায় সমিতি ৪৩ খন আছে। ইয়াৰ ভিতৰত ১২ খন নিৰ্বাচিত কাৰ্য্য পৰিচালনা কমিতি আছে আৰু ৩১ খনত তদৰ্থ কমিতি আছে। তালিকা পৰিশিষ্ট ‘ক’ আৰু ‘খ’ ত সংলগ্ন কৰি দিয়া হ’ল।

*(See Annexure - II)*

★ **শ্ৰীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰ, ডি, একাউন্সৰ ৭,৭৫,০০০.০০ টকা ১৩/৩/২০০৩ তাৰিখে দিছিল। সেই টকা কিছুসংখ্যক বিতৰণ কৰিবলৈ এতিয়াও বাকী আছে। সমবায় সমিতি বহুমুখীয়া সঃ সমিতি সমূহক দিবলৈ যাওঁতে (ARCS) অফিচাৰজন ধৰা পৰিছে। সেই অফিচাৰজনক তিনিবাৰ বদলি কৰা হ'ল। কিন্তু নিৰ্ব্বাচনী বিষয়া হিচাবে নিযুক্তি দিয়া বুলি কৈ তেওঁক ৰিলিজ কৰা নাই। সেই অফিচাৰ জনক সোনকালে ৰিলিজ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

★ **শ্ৰীমিছবাহুল ইচলাম লস্কৰ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই অফিচাৰজনক বদলি কৰাটো সচাঁ, কিন্তু যিহেতু তেখেতে ইলেক্‌চন অফিচাৰৰ দায়িত্বত থকাৰ বাবে বদলি কৰিব পৰা হোৱা নাই। এই কথাটো ইলেক্‌চন কমিশ্বন্যাৰক জনোৱা হৈছে। ইলেক্‌চন শেষ হলেহে ৰিলিজ কৰিব পৰা হব বুলি কৈছে।

★ **শ্ৰীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইলেক্‌চন বিভাগলৈ মন্ত্ৰী মহোদয়ে এই কথাটো লিখা নাই। ডি. ছিক কৈ থকা হৈছে। সমবায় বিভাগৰ পৰা লিখা হোৱা নাই। চৰকাৰৰ যদি লিখা হৈছে মন্ত্ৰী মহোদয়ে সেই চিঠিৰ কপি দিয়ক।

★ **শ্ৰীমিছবাহুল ইচলাম লস্কৰ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান মোৰ হাতত কপি নাই। মোৰ তালৈ তেখেতে আহিলে কপি দিব পাৰিম।

★ **শ্ৰীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায় সমিতি সমূহৰ পৰিচালনাৰ বাবে কমিটি কৰি দিয়ে কিন্তু নিৰ্বাচন পতাৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়ে। ধুবুৰীত ১২খন সঃ সমিতিৰহে নিৰ্ব্বাচিত কাৰ্য্যকৰি কমিতি আছে, বাকীবোৰৰ বিপৰীতে (Adhoc) ১০ বছৰ ধৰি চলি আছে। যিবিলাক এড্‌হক কমিতি আছে সেই বিলাকৰ নিৰ্বাচন শীঘ্ৰে পতাৰ ব্যৱস্থা কৰিব নেকি?

★ **শ্ৰীমিছবাহুল ইচলাম লস্কৰ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কো-অপাৰেটিভ ছচাইটিৰ (Adhoc) কমিটি আছে। যিবিলাক গভৰ্নমেন্ট ছচাইটি থাকে সেই বিলাক গভৰ্নমেন্ট অফিচাৰে চলাই থাকে। ছচাইটি বিলাকৰ ফাণ্ডচন নাই, সেই কাৰণে বিত্তীয় অৱস্থাৰ পৰিৱৰ্ত্তন হব। এই ক্ষেত্ৰত লোকেল এম, এল, এ, আগ বাঢ়ি আহিব লাগে। Adhoc কমিটি বিলাক লোকেল এম, এল, এ, ৰিকোমেণ্ড কৰি দিয়ে।

---

★ *Speech not corrected*

★ **শ্ৰীবুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো ভুল তথ্য দিছে। লোকেল এম, এল, এ, সকলোতে ৰিকোমেণ্ড কৰি দিয়া কথাটো সত্য নহয়। জাগিৰোডৰ তেতেলিয়াত এড্‌হক কমিটি গুছাই নিৰ্বাচিত কমিটি কৰিব লাগে বুলি ৰাইজে আদালতৰ ওচৰ চাপিবলগীয়া হৈছে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো নিৰ্ব্বাচনৰ জৰিয়তে নিৰ্বাচিত কমিটি গঠন কৰিব নেকি?

★ **শ্ৰীমিছবাহুল ইচলাম লস্কৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ সোনকালে ব্যৱস্থা কৰিম।

**Mr. Speaker :-** Now Starred question No. 107, Hon'ble Member, Shri Ranjit Dutta.

**বিষয় ঃ গৰা খহনীয়া।**

**শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ**

**১০৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বিহালী সমষ্টিৰ গাংমৌ থানাত বৰগাং নদীৰ গৰা খহনীয়াত ২০০১ চনৰ পৰা ২০০৪ চনলৈকে কিমান ঘৰ মানুহ খহনীয়াৰ কবলত পৰিল? (ব্যক্তি সকলৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) সেই লোক সকলক পুনঃ সংস্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

(গ) যদি লোৱা নাই, তেন্তে কেতিয়ালৈ লব?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-২০০৪ চনলৈ বানপানীত গাংমৌ থানাত বৰগাং নদীৰ গড়া খহনীয়াত মুঠ ৪৬ টা পৰিয়াল ক্ষতিগ্ৰস্থ হৈছে। (ব্যক্তি সকলৰ তালিকা সংলগ্ন কৰা হ'ল) (See Annexure-III)

(খ) নিজ পট্টা মাটিত বাস কৰা ১৪ টা পৰিয়ালৰ পুনঃ সংস্থাপনৰ বাবে ১৪-১২-০৪ ৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

---

★ *Speech not corrected*

★**শ্ৰীৰঞ্জিত দত্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱাবাৰ এই প্ৰশ্নটো আনিছিলো। প্ৰশ্ন নং ১ আছে ১৪ জন মানুহক মাটি চৰকাৰে দিম বুলি কৈছে যদিও আজিলৈকে তেওঁলোকক মাটি দিয়া হোৱা নাই। আগৰ ১৪ জন এইবাৰ ৩২ জনক দিব লাগে। তাত এচ, চি, ৰ মানুহো আছে। তেওঁলোকক মাটিখিনি দিব লাগে। ১৪ জন দিয়াৰ বাবে যোৱা ২৪/৬/২০০৪ তাৰিখে প্ৰস্তাৱ কৰা হৈছে। তেওঁলোকক সোনকালে মাৰ্চ মাহৰ ভিতৰতে মাটিখিনি চমজাই দিয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

★**শ্ৰীগৌতম ৰয় (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ফিল্ডৰ পৰা ৰিপোৰ্ট আহে। তেওঁলোকক মাটি দিয়া হৈছে, কিন্তু পোৱা নাই। কি কাৰণত দিয়া হোৱা নাই মই চাম, যদি অৱহেলা কৰি দিয়া নাই তেতিয়া হলে প্ৰচিডিং ষ্টাৰ্ট কৰিম।

**Mr. Speaker :** Starred question No. 108, Hon'ble Member, Shri Gopinath Das.

**বিষয় ঃ কাহিবাৰী কৃষিপাম সমবায় সমিতি।**
**শ্ৰীগোপীনাথ দাসে সুধিছে ঃ**

★**১০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত চমৰীয়া ৰাজহ চক্ৰ এলেকাত অনুসূচীত জাতিৰ মানুহেৰে গঠন কৰা 'কাহিবাৰী কৃষিপাম সমবায় সমিতি'ৰ নামত ১৯৯৫ চনত গুৱাহাটী মহকুমাৰ ভূমি উপদেষ্টা সমিতিয়ে প্ৰায় ১১১ বিঘা (এশ এঘাৰ বিঘা) মাটি আৱন্টন / পট্ৰন দিয়াৰ প্ৰস্তাৱ অনুমোদন কৰা কথাটো সচাঁনে?

(খ) যদি সচাঁ, তেন্তে চৰকাৰে আজিলৈকে কিয় সমবায় সমিতিখনক মাটিখিনি আৱন্টন / পট্ৰন দিয়া নাই?

(গ) সমবায় সমিতিখনক ১৫/৩/০৫ ইং তাৰিখৰ ভিতৰত মাটি আৱন্টন / পট্ৰন দিয়াৰ ব্যৱস্থা লবনে?

**শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ইং ১৭-৫-১৯৯৪ তাৰিখে অনুষ্ঠিত হোৱা ভূমি উপদেষ্টা সমিতিয়ে

★ *Speech not corrected*

ছমৰীয়া মৌজাৰ কাহিবাৰী গাওঁৰ ৬৭ নং দাগৰ (গো চৰনীয়া পথাৰ দাগৰ) ১১১ বিঘা মাটি শ্ৰীসুৰেশ মণ্ডল আৰু ৩৩ জনৰ নামত (খেতিৰ বাবে ২ বিঘা, বস্তিৰ বাবে ১ বিঘাকৈ ৩৪ টা পৰিয়ালক ১০২ বিঘা আৰু সমূহীয়া অনুষ্ঠানৰ বাবে ৯ বিঘা মুঠ ১১১) মাটি সমিতিয়ে আলোচনা কৰে আৰু ৭৪ নং প্ৰস্তাৱ যোগে চিভিল ৰুল উঠাই লোৱা সাপেক্ষে অনুমোদন জনায়।

(খ) প্ৰস্তাৱিত মাটিৰ ওপৰত মাননীয় উচ্চ ন্যায়ালয়ে ইং ২৩-৩-২০০০ তাৰিখে দিয়া হুকুম সন্দৰ্ভত চৰকাৰে ২৭-৬-২০০২ তাৰিখৰ আৰ, এচ, এচ ৪৪৪/২০০২/১৮ নং চিঠি যোগে পট্টনৰ ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়ে। প্ৰস্তাৱিত মাটি গো-ৰিজাৰ্ভ হোৱা বাবে ভূমি নীতি অনুসাৰে ৰিজাৰ্ভ মুক্ত কৰণৰ বাবে বিবিধ গোচৰ ৰুজু কৰি জাননী জাৰি কৰা হয়। জাননীৰ বিপৰীতে ৰাজহুৱা আপত্তি পোৱা হৈছে। আপত্তি সন্দৰ্ভত আপত্তিকাৰীৰ পৰা শুনানী লোৱাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে। গোচৰ এতিয়াও নিস্পত্তি কৰাৰ পৰ্য্যায়লৈ অহা নাই।

(গ) গোচৰ নিস্পত্তি হোৱাৰ পিচতে চৰকাৰে আৱন্টন দিয়াৰ ব্যৱস্থা লব।

★**শ্ৰীগোপীনাথ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫ চনতে গুৱাহাটী মহকুমাৰ ভূমি উপদেষ্টা সমিতিয়ে পাছ কৰি থৈছে। কিন্তু চৰকাৰে দিয়া নাই। আজি দহ বছৰেও হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মাটি আৱন্টন দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★**শ্ৰীগৌতম ৰয় (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই এই বিষয়ে লাগি থাকে। তেখেতে নিজে সমস্যা সমাধান কৰিব পাৰিব, মোৰ চেম্বাৰলৈ তেখেতে আহক।

**Mr. Speaker :** Starred question No. 109, Hon'ble Member, Shri Gunin Hazarika.

**Subject : Lost in Flood.**
**Shri Gunin Hazarika asked :**

★**109. Will the Minister, Revenue be pleased to state :**

(a) What is the district wise loss assessed during the flood of 2004?

★ *Speech not corrected*

(b) What are the measures Government had taken to compensate the loss by way of one time grants and agril. Production? (Show District-wise fund allocated. for such measures)

(c) What steps Govt. has taken to restore road communication and bundhs in flood affected areas?

(d) Has Government taken up with NEEPCO to prevent abrupt devastating flood in future by comprehensive disaster management system?

**Shri Gautam Roy (Minister Revenue) replied :**

(a) A statement of flood damage caused....... by floods in 2004 is enclosed at Annexure - (See Annexure - IV)

(b) State Government has in the meantime sanctioned an amount of Rs. 2.49 crore as one time ex-gratia grant to the next of kins of persons who have lost their lives in floods. In addition, Government has sanctioned Rs. 19.83 crore to the Agriculture Department for distribution of seeds to small and marginal farmers and soil pulverization by tractor and power tiller. District wise fund allotted for payment of ex-gratia grant is enclosed at Annexure - B (See Annexure - V)

(c) The State Government has sanctioned an amount of Rs. 74.68 crore to the public works Department for repairing of flood damaged roads and bridges and Rs. 143.27 crore to the water Resources Department for breach closing and flood control works.

(d) State Government has taken up the matter with NEEPCO. Ministry of Home Affairs. Government of India also has requested the Ministry of power for necessary action in this regard.

★ **শ্রীগুনীণ হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৪৩.২৭ কোটি টকা ওৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্টক বান প্ৰতিৰোধৰ কাৰণে দিয়া হৈছে বুলি কৈছে। নগাওঁ জিলাত এনেধৰণৰ কামৰ কাৰণে দিয়া হৈছে নে জনাব লাগে। আনহাতে নেপকোৰ লগত কিবা যোগাযোগ কৰা হৈছে নেকি?

★ **শ্রীগৌতম ৰয় (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া সময় শেষ হৈ আহিছে। এই প্ৰশ্নটো বিতং ভাবে উত্তৰ দিব পৰা নাযাব। এই ক্ষেত্ৰত চিঠি লিখা হৈছে। মাননীয় সদস্যই মোৰ চেম্বাৰলৈ আহক, মই বিতং ভাবে বুজাই দিম।

★ **শ্রীগুনীণ হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মিনিষ্ট্ৰি অব হোম এফেয়াৰচ আৰু পাৱাৰ মিনিষ্টাৰলৈ যি চিঠি লিখা হৈছে তাৰ কপি দিলেই হব।

★ **শ্রীগৌতম ৰয় (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যক কপিটো মই দি দিম।

★ **শ্রীআলী আকবৰ মিঞা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন সময়ত দেখা গৈছে যে বিধান সভাৰ মজিয়াত সদস্য মন্ত্ৰীৰ মাজত নানা ধৰণৰ কথা বতৰা কটা কটি হয়। তেতিয়া আপোনাৰ জৰিয়তে সেই বিলাক নিষ্পত্তি হয়। আজিও আপোনাৰ ওচৰত এটা কথা জনাব বিছাৰিছো যে মীন বিভাগৰ এটা প্ৰশ্নৰ উত্তৰত ইয়াত লিখিছে যে কোনো জলাশয় নাই। আনহাতে এটা ঠাইত তথ্যত লিখিছে যে জলাশয়ৰ কাম বন্ধ হৈ আছে গতিকে মাননীয় অধ্যক্ষ মহোদয়ে এই ক্ষেত্ৰত বিভাগীয় বিষয়া সকলক বিসংগতিপূৰ্ণ তথ্যৰ বিপৰীতে সঠিক তথ্য দিবলৈ নিৰ্দেশ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ ডাইৰেক্‌চন দিব লাগে নে নেলাগে মই বিষয়টো চাম।**
**Now, Question Hour is over.**

(Starred question No. 110 to 119 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to-)

---

★ *Speech not corrected*

**Subject : Riot affected people.**

**Shri Abdul Jabbar asked :**

**★110. Will the Minister, Relief & Rehabilitation Department be pleased to state :**

(a) What measures have been taken to rehabilitate the 93-94 Riot affected people of Kokrajhar and Bongaigaon District camps?

(b) How many families are still living in different camps of these two Districts?

**Shri Goutam Roy** (Minister, Relief & Rehabilitation) replied :

(a) In respect of Bongaigaon Dist. Govt. have already paid @ Rs. 20.000/- each to the affected families for rehabilitation purpose. In addition, Govt. have already alloted 208 Bighas of land for 600 affected families and another 31 Bighas land is proposed to be alloted to another 200 affected families. Further, for remaining families suitable land is being searched for their rehabilitation.

In respect of Kokrajhar Dist. Govt. have already paid @ Rs. 10,000/- each to the affected families for rehabilitation purpose. Futher the affected families will be rehabilitated as soon as land is alloted by the B.T.C. authority in the B.T.C. Area.

(b) There are 1717 Nos. of families in Bongaigaon Dist. and 1362 Nos. of families in Kokrajhar Dist. are still living in different areas of two Districts.

বিষয় ঃ ভূমি আবন্টন।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

★১১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টি অন্তৰ্গত দীপৰ বিলৰ লগত সংযোগ থকা (Low Land)

সমূহত মাটিৰ আৱন্টন দিয়া আৰু আৱন্টিত দ-মাটি সমূহ মাটি পুৰাই থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহলে (Low Land) সমূহ চৰকাৰৰ ভূমি আৱন্টন নিদিয়াৰ যি আদেশ তাক পালন নকৰাৰ কাৰণ কি?

(গ) ওপৰোক্ত (Low Land) দিয়া আৱন্টন বাতিল কৰাৰ ব্যৱস্থা হাতত লবনে?

**শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দীপৰ বিলৰ লগত সংযোগ থকা চৰকাৰী দ মাটি আৱন্টন বা পট্টন দিয়া হোৱা নাই। পট্টাদাৰৰ নিজ পট্টাভূক্ত মাটিহে পুৰাই থকা দেখা যায়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ ৰাষ্ট্ৰীয় ক্ৰীড়া।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

★১১২। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত ভাৰতীয় আলিম্পিক সন্থাই দিয়া সময় মতে ৰাষ্ট্ৰীয় ক্ৰীড়া অসমত আৰম্ভ হবনে?

(খ) এতিয়ালৈ ৰাজ্য চৰকাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বিভিন্ন শিতানত কিমান কোটি টকা খৰচ হ'ল? ভাৰত চৰকাৰৰ পৰা এতিয়ালৈকে কিমান কোটি টকা মোকোলাই দিছে?

(গ) অসমত গেমছ ভিলেজ স্থাপনৰ বাবদ এতিয়ালৈকে কিমান টকা খৰচ হ'ল?

(ঘ) ভাৰতীয় অলিম্পিক সন্থাই প্ৰতিবেদন দিয়া হবনে?
(যদি দিয়া হৈছে প্ৰতিবেদন দাখিল কৰিব)

**শ্ৰীৰকিবুল হুচেইন (গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ভাৰতীয় অলিম্পিক সন্থাই দিয়া সময় মতেই ৰাষ্ট্ৰীয় ক্ৰীড়া অসমত আৰম্ভ কৰিব পৰা যাব।

(খ) এতিয়ালৈ ৰাজ্য চৰকাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া আন্তঃগাঠনি নিৰ্ম্মাণ শিতানত মুঠ ৭৮.৯৭ কোটি টকা খৰচ হৈছে।

ভাৰত চৰকাৰে এতিয়ালৈকে ৭০.১০ কোটি টকা মোকোলাই দিছে।

(গ) গেমছ ভিলেজ নিৰ্ম্মানৰ কাম কৰাৰ বাবে অসম চৰকাৰে জি. এম. ডি. এ.ৰ হাতত ন্যস্ত কৰিছে, গতিকে খৰচৰ কথা জনা নাযায়।

(ঘ) ভাৰতীয় অলিম্পিক সন্থাক, প্ৰতিবেদন বিচাৰিলেহে দিয়া হয়, সদ্যহতে কোনো প্ৰতিবেদন বিচৰা নাই।

**Subject : Transfer of Dayapur Tea Estate.**

**Shri Sushil Dutta asked :**

**★113. Will the Minister Revenue be pleased to state :-**

(a) Whether it is a fact that huge some of money is pending for transfer of Dayapur Tea Estate by earlier proprietor without giving sufficient Court Fee Stamp in sale Deed?

(b) If so, what action has been initiated by Govt. in this regard ?

**Shri Gautam Roy (Revenue Minister) replied :**

(a) No document relating to transfer of Dayapur Tea Estate has been registered in the Silchar Sub-Registry office during last ten years as reported by District Registrar, Cachar.

(b) Does not arise.

**বিষয় ঃ খাজনা ৰেহাই।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

**★১১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বানপ্ৰপীড়িত এলেকাৰ কৃষক ৰাইজক খাজনা ৰেহাই দিয়াৰ বিষয়ে চৰকাৰে বিবেচনা কৰিছে নেকি?

(খ) বানপ্ৰপীড়িত এলেকাৰ বিশেষকৈ নদীৰ পাৰৰ কৃষি অঞ্চল সমূহ বালিৰ চব পৰাৰ বিষয়ে বিভাগ অৱগতনে?

(গ) যদিহে অৱগত, উক্ত বালিৰ চৰ আতৰ কৰিবৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**শ্ৰীগৌতম ৰয় ঃ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়। চৰকাৰে বানত ক্ষতিগ্ৰস্ত এলেকাত ১০ বিঘা পৰ্য্যন্ত খেতিৰ মাটি থকা ক্ষুদ্ৰ কৃষকক বাংলা ১৪১১ চনৰ বাবে খাজনা ৰেহাই দিয়াৰ বাবে ইতিমধ্যে নিৰ্দ্দেশ জাৰি কৰিছে।

(খ) হয়, অৱগত।

(গ) বানে বালি পেলোৱা কৃষি অঞ্চল সমূহৰ পৰা বালি উঠোৱাৰ বাবে কৃষি বিভাগৰ জৰিয়তে বৱস্থা লোৱা হৈছে।

**বিষয় ঃ বানপানীত ক্ষতিসাধন।**

**শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ**

**★১১৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) চাবুৱা সমষ্টিৰ অন্তৰ্গত গেৰেকী, নেপালী গেৰেকী, মিৰিগাওঁ, টেঙাবাৰী, ৰংমেলা, ৰাইদাং, দধীয়া, মৌমৰা, কুলিগাওঁ, পকনীয়া, চাৰিখুটি, লাইকা, নতুনগাওঁ, গুইজান, খামটি গুৱালী ইত্যাদি গাওঁ সমূহত বিগত প্ৰলয়ংকাৰী বানে যথেষ্ঠ ক্ষতিসাধন কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই অঞ্চলৰ ৰাইজক সকাহ দিবৰ বাবে চৰকাৰে ক্ষতি পূৰণৰ ব্যৱস্থা কৰিছেনে?

(গ) যদি কৰিছে, তেন্তে কেনে ধৰণৰ ব্যৱস্থা লৈছে?

(ঘ) যদি নাই কৰা, কিমান দিনৰ ভিতৰত কৰা হ'ব?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) চৰকাৰে জিলা প্ৰশাসনৰ জৰিয়তে বান আক্ৰান্ত এলেকাৰ লোকলৈ

(গ) পৰ্য্যাপ্ত পৰিমাণৰ পাৰিতোষিক সাহায্য প্ৰদান কৰিছে। তাৰোপৰি বানপানীত ঘৰ-বাৰী ক্ষতিগ্ৰস্ত পৰিয়াললৈ গৃহ নিৰ্ম্মান তথা মেৰামতিৰ বাবে পুণৰ সংস্থাপন মঞ্জুৰী দিয়াৰ কথা বিবেচনাধীন।

(ঘ) পৰ্য্যাপ্ত পুঁজি সাপেক্ষে চৰকাৰে সোনকালে পুণৰ সংস্থাপন মঞ্জুৰী দিয়াৰ কথা বিবেচনা কৰিছে।

**বিষয় ঃ পহুমাৰা নদীৰ গৰাখহনীয়া।**
**শ্ৰীসৰ্বানন্দ চৌধুৰীয়ে সুধিছে ঃ**

**★১১৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) বৰপেটা জিলাৰ ভৱানীপুৰ সমষ্টিৰ পহুমাৰা নদীয়ে কেবাখনো গাওঁত গৰাখহনীয়াৰ সৃষ্টি কৰাত এটি ভাবুকি আহি পৰিছে আৰু পশ্চিম ফালে থকা পল্লা নদীৰ খহনীয়াত কেবাখনো গাওঁত আতংকৰ সৃষ্টি কৰিছে এই বিলাক প্ৰতিৰোধৰ কিবা ব্যৱস্থা কৰা হৈছেনে?

(খ) যদি হোৱা নাই, এই খৰালি বতৰতে তাৰ প্ৰতিৰোধৰ বাবে কাম আৰম্ভ কৰিবনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে।
(খ) এই খৰালি বতৰতে প্ৰতিৰোধৰ বাবে কাম আৰম্ভ কৰা হৈছে।

**বিষয় ঃ অসমত নেচনেল গেমচ।**
**শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ**

**★১১৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমত নেচনেল গেমচ্ কেতিয়া অনুষ্ঠিত হ'ব আৰু তাৰ বাবে সকলো কাম-কাজ শেষ হৈছেনে? যদি হোৱা নাই, তাৰ কাৰণ কি?

(খ) নেচনেল গেমচৰ যিকোনো এটি খেল নামনি অসমৰ অভয়াপুৰীত অনুষ্ঠিত কৰিব নেকি?

(গ) ক্ৰীড়া বিকাশৰ বাবে অসমৰ যুৱক-যুৱতীৰ বাবে কি কি আঁচনি লৈছে। তেন্তে আঁচনি লোৱাৰ ক্ষেত্ৰত বিধায়ক সকলৰ পৰামৰ্শ লব নেকি?

**★শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত নেচনেল গেমচ্ ২০০৫ চনৰ নবেম্বৰ মাহৰ ১২ তাৰিখৰ পৰা আৰম্ভ হব আৰু ২৩ নবেম্বৰত সামৰণি পৰিব।

নেচনেল গেমচ্‌ৰ কাম কাজ পূৰ্ণ গতিত চলি আছে। শেষ হোৱা নাই। আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব বুলি চৰকাৰে সময় সীমা বান্ধি দিছে।

(খ) গুৱাহাটীৰ বাহিৰে অভয়াপুৰী বা অসমৰ অন্য ঠাইত অনুস্থিত কৰিব নোৱাৰি কাৰণ নেচনেল গেমচ্‌ৰ বাবে প্ৰয়োজন হোৱা সকলো আন্তঃগাঠনি গুৱাহাটীত হব লাগে বুলি ভাৰতীয় অলিম্পিক সন্থাই নিৰ্দ্দেশনা দিয়াত গুৱাহাটী তথা কাষৰীয়া অঞ্চল সোণাপুৰত স্থান নিৰ্ণয় কৰা হৈছে আৰু আন্তঃগাঠনি সমূহৰ কাম পূৰ্ণ গতিত চলি আছে।

(গ) ক্ৰীড়া বিকাশৰ বাবে অসমৰ যুৱক-যুৱতীৰ বাবে বিভিন্ন চৰকাৰী আঁচনি আছে আৰু এই আঁচনি সমূহৰ কিছুমান ক্ৰীড়া বিভাগে নিজে আৰু কিছুমান জিলা ক্ৰীড়া সন্থা সমূহৰ জৰিয়তে বিভিন্ন সময়ত বিভিন্ন পৰ্য্যায়ত ৰূপায়ণ কৰি আহিছে। প্ৰয়োজন সাপেক্ষে অৰ্থ মঞ্জুৰীও আগবঢ়াই আহিছে।

আঁচনি তৈয়াৰ কৰাৰ ক্ষেত্ৰত বিধায়ক সকলৰ পৰামৰ্শ লব পৰা যায়।

**বিষয় ঃ মঞ্জুৰী পোৱা টকা।**
**শ্ৰীবুবুল দাসে সুধিছে ঃ**

**★১১৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০২-০৩, ২০০৩-০৪ চনত কেন্দ্ৰীয় চৰকাৰক ৰাজ্য চৰকাৰে (C.R.F.) শিতানত কিমান টকা বিচাৰি প্ৰস্তাৱ প্ৰেৰণ কৰিছিল? (আঁচনিৰ নাম, টকাৰ পৰিমাণ সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উক্ত দুয়োটা বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা মঞ্জুৰী পোৱা (C.R.F.) শিতানৰ ধনৰ পৰিমাণ কিমান জনাবনে? (আঁচনি অনুযায়ী দেখুৱাব)

(গ) উক্ত দুয়োটা বৰ্ষত মঞ্জুৰী পোৱা ধন অসমৰ মুঠ কিমানখন জিলাৰ কি কি আঁচনিত কিমানকৈ ধন ৰাজ্য চৰকাৰে মোকলাই দিলে, তালিকা সদনৰ মেজত দাখিল কৰিবনে? (প্ৰগতিৰ খতিয়ান দাখিল কৰিব)

(ঘ) (C.R.F.) শিতানৰ পৰা মঞ্জুৰী পোৱা ধনেৰে মৰিগাওঁ জিলাৰ কি কি আঁচনি গ্ৰহণ কৰিছিল আৰু প্ৰগতিৰ খতিয়ান দাখিল কৰিবনে? (দুয়োটা বৰ্ষৰ)

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰক ২০০২-০৩ বৰ্যত ৪০০.০০ কোটি টকা আৰু ২০০৩-০৪ বৰ্যত ১১২৮.১২ কোটি টকা অতিৰিক্ত হিচাপে দিয়াৰ বাবে স্মাৰক পত্ৰ যোগে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাকৃতিক দুৰ্যোগ সাহায্য নিধিৰ অধীনত ২০০২-০৩ বৰ্যত ৮৩.৯২ কোটি আৰু ২০০৩-০৪ বৰ্যত ৮৮.১২ কোটি টকা পোৱা হৈছিল।

(গ) মঞ্জুৰী দিয়া টকাৰ তালিকা অনুবদ্ধ 'ক' ত সংলগ্ন আছে।

(ঘ) মৰিগাওঁ জিলাত প্ৰাকৃতিক দুৰ্যোগ সাহায্য নিধিৰ অধীনত গ্ৰহণ কৰা আঁচনিৰ তালিকা প্ৰগতিৰ খতিয়ান সহ অনুবদ্ধ 'খ' ত সংলগ্ন আছে।

(See Annexure-VI)

**বিষয় ঃ পথত বাছ চলাচল বন্ধ।**

**শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

**★১১৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) দুলীয়াজান সমষ্টিৰ চাবুৱা টেঙাখাট গড়কাপ্টানি আলিয়েদি কোনো ধৰণৰ যাত্ৰী বাছ চলাচল নকৰাত ৰংচঙী অঞ্চলৰ প্ৰায় কুৰিখনমান গাওঁৰ ৰাইজে খোজ কাঢ়ি চাবুৱা, টেঙাখাট বা কোনো নগৰলৈ যাবলগীয়া হোৱাৰ কথা চৰকাৰে জানেনে?

(খ) অঞ্চলটোৰ ৰাইজৰ সুবিধাৰ্থে কোনো যাত্ৰীবাহী বাছৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চাবুৱা, টেঙাখাট গড়কাপ্তানী পথটোৰ দৈঘ্য প্ৰায় ১৫ কিঃ মিঃ। কোনো ব্যক্তিগত বাছ মালিকে এই পথচোৱাত বাছ চলাবৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আগবাঢ়ি অহা নাই। ৰাইজৰ যাতায়তৰ সুবিধাৰ বাবে এই পথচোৱাত তিনিচকীয়া যান (Auto Rickshow)) চলাচল কৰাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰি যাতায়তৰ বিকল্প ব্যৱস্থা কৰা হৈছে।

(খ) কোনো লোকে এই পথচোৱাত বাছ চলাবৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আগবাঢ়ি আহিলে বিধি অনুসৰি বিহীত ব্যৱস্থা লোৱা হ'ব। ডিব্ৰুগড় জিলা পৰিবহন বিষয়াক গ্ৰাম্য টেক্সী (Rural Cab-2004) ৰ আঁচনিৰ জৰিয়তে ব্যৱস্থা লবলৈ জনোৱা হৈছে।

বিষয় ঃ বাঘবৰ ৰাজহ চক্ৰ।
শ্ৰীদিলদাৰ ৰেজ্জাই সুধিছে ঃ

৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত শতিকাৰ ৫ম দশকত প্ৰতিষ্ঠিত বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ কাৰ্য্যালয় বৰ্ত্তমানে মন্দিয়া উন্নয়ণ খণ্ডৰ এটি জৰাজীৰ্ণ ঘৰত চলি থকাটো সচানে?

(খ) পূৰ্বে বহুবাৰ দাবী জনাই অহা উক্ত ৰাজহ চক্ৰৰ স্থায়ী কাৰ্য্যালয় গৃহ, কৰ্মচাৰীৰ আবাস গৃহ আদি ৰাজহ চক্ৰখনৰ মন্দিয়াত থকা নিজা মাটিত অনতিপলমে নিৰ্মান কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) বাঘৱৰ ৰাজহ চক্ৰৰ মন্দিয়াত থকা নিজা মাটিত অনতিপলমে স্থায়ী কাৰ্য্যালয়ৰ গৃহ নিৰ্ম্মাণৰ বাবে ১০.০০০০০.০০ (দহ লাখ) টকা অনুমোদন কৰা হৈছে। উক্ত টকা কৰ্ম্মচাৰীৰ আবাস গৃহ নিৰ্ম্মাণৰ বাবে ধৰা হোৱা নাই।

বিষয় ঃ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প।
শ্ৰীজগদীশ ভূঞাই সুধিছে ঃ

৮৫। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ অনুমোদন কেতিয়া হৈছিল আৰু আধাৰশীলা কেতিয়া কোনে স্থাপন কৰিছিল?

(খ) উক্ত প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিমান টকা ৰাজ্য চৰকাৰক আৱন্টন দিছিল আৰু কেতিয়া দিছিল? (সবিশেষ জনাব)

(গ) উক্ত প্ৰকল্প নিৰ্ম্মাণৰ দায়িত্ব কাৰ ওপৰত ন্যস্ত আছিল আৰু ৰাজ্য চৰকাৰৰ কোন বিভাগে এই কাম তদাৰক কৰিছিল?

(ঘ) এই প্ৰকল্প সম্পূৰ্ণ হ'লনে?

(ঙ) এই প্ৰকল্প বৰ্ত্তমান কি পৰ্য্যায়ত আছে আৰু কিমান শতাংশ কাম সম্পূৰ্ণ হ'ল?

(চ) উক্ত প্ৰকল্পৰ বাবে মুঠ কিমান মাটি আৱন্টন দিয়া হৈছিল? উক্ত মাটি বৰ্ত্তমানেও সেই প্ৰকল্পৰ নামতে আছেনে?

(ছ) যদি নাই, কি হ'ল? (সবিশেষ জনাব)

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ অনুমোদন ১৯৯৫-৯৬ বিত্তীয় বৰ্ষতে হৈছিল। ১৯৯৫ চনৰ ৭ মে'ত শ্ৰীমতী ছোনিয়া গান্ধীয়ে এই ক্ৰীড়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল।

(খ) কেন্দ্ৰীয় চৰকাৰে উক্ত প্ৰকল্পৰ বাবে টকা আৱন্টন দিয়া নাছিল। অসম চৰকাৰে ১৯৯৫-৯৬ বিত্তীয় বৰ্ষতে উক্ত প্ৰকল্পৰ বাবে ২.৭৫ কোটি (দুই কোটি পয়সত্তৰ লাখ) টকা অনুমোদন দিছিল। উক্ত টকাৰ ১ কোটি টকা অসম চৰকাৰে ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জৰিয়তে ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিবলৈ ২১-১১-৯৫ তাৰিখে মোকোলাই দিছে। বাকী থকা ১ কোটি ৭৫ লাখ টকা এতিয়ালৈকে ৰাজহ শিতানত (Revenue Deposit) জমা হৈ আছে আৰু বিত্ত বিভাগে এই ১.৭৫ কোটি টকা মুকলি কৰি নিদিলে।

(গ) এই প্ৰকল্পটো নিৰ্ম্মাণৰ দায়িত্ব কলিকতাৰ আৰ্কটেক কঞ্চালন্টেচ নামৰ প্ৰতিস্থান এটাক দিয়া হৈছিল আৰু ৰাজীৱ গান্ধী সোঁৱৰণী ন্যাসৰ দ্বাৰা এই প্ৰকল্পৰ কাম তদাৰক কৰা হৈছিল।

(ঘ) সম্পূৰ্ণ হোৱা নাই যদিও বৰ্ত্তমান ইয়াৰ নিৰ্ম্মাণৰ দায়িত্ব গুৱাহাটী মহানগৰ উন্নয়ণ প্ৰাধিকাৰী (GMDA) ক দিয়া হৈছে।

(ঙ) গড়কাপ্তানী (গৃহ) বিভাগে ১৬-৭-২০০২ তাৰিখে দাখিল কৰা চৰজামিন প্ৰতিবেদন মতে উক্ত প্ৰকল্পৰ, তলত উল্লেখ কৰা কাম সমূহ হৈছিল।

১। পাইল ড্ৰাভিং।

২। ভেটি নিৰ্ম্মাণ কাৰ্য্য।

৩। পাইল কেপ লগোৱা।

৪। গ্ৰেদ বিম নিৰ্ম্মাণ।

৫। ১.২০ মিঃ উচ্চতাৰ ৯৭ টা কলম নিৰ্ম্মাণ।

উল্লেখিত প্ৰতিবেদন মতে উক্ত নিৰ্ম্মাণ কাৰ্য্যৰ মুঠ মূল্য হ'ল ১,৩০,৬২,২০০/- টকা। গতিকে ৰাজ্য চৰকাৰে আগ বঢ়োৱা ১ কোটি উক্ত প্ৰকল্পৰ কামত সম্পূৰ্ণ ভাবে ব্যৱহাৰ হৈছে।

(চ) ৰাজহ বিভাগৰ জৰিয়তে আমিন গাওঁৰ দাগ নং ৩০৫ ৰ অন্তৰ্গত ৯৯ বিঘা ৪ কঠা ১৫ লেছা মাটি আৱন্টন দিছিল। উক্ত মাটি প্ৰকল্পৰ নামতে আছে।

(ছ) প্ৰশ্ন নুঠে। বৰ্তমান প্ৰকল্প নিৰ্ম্মাণৰ কাম ক্ষিপ্ৰ গতিত চলি আছে।

**Subject : Erosion of River.**
**Shri Karendra Basumatary asked :**

**86. Will the Minister of Revenue be pleased to state :**

(a) Whether the Government is aware that the people of Mazbat L.A.C. have been suffering economically due to heavy erosion of Rowta, Lalnodi and Dhansiri river during the flood of 2004?

(b) If so, whether the people have been given compensation? (furnish the names of beneficiaries).

**Shri Gautam Roy (Minister, Revenue) replied :**

(a) Yes, Government is aware.

(b) Proposal submitted by the Deputy Commissioner, Udalguri for Rehabilitation Grant to families whose houses have been damaged is under active consideration of the Government.

**বিষয় ঃ ক্ষুদ্ৰ চাহ খেতিয়কৰ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা।**
**শ্ৰীশৰৎ শইকীয়াই সুধিছে ঃ**

৮৭। **মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৱা তিনিটা বছৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে চৰকাৰে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

(খ) অসমৰ কোন কোন জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে আবেদন কৰা মাটিৰ পট্টা এতিয়ালৈকে পাইছে? (জিলা ভিত্তিত পট্টা পোৱা আৰু নোপোৱা আবেদনকাৰীৰ তালিকা দাখিল কৰিব)।

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, ব্যৱস্থা লোৱা হৈছে।

(খ) জিলা সমূহৰ পৰা পোৱা তথ্য মতে মুঠ ৬ খন জিলাত সৰ্ব্বমুঠ ২৭ জন ক্ষুদ্ৰ চাহ খেতিয়কক মাটিৰ পট্টা দিয়া হয়।
(পট্টা পোৱা আৰু নোপোৱা আবেদনকাৰী সকলৰ জিলা ভিত্তিক তালিকা 'ক' সংলগ্ন কৰা হ'ল। See Annexure-VII

**Subject : Allocation of fund under F.D.R.**
**Shri Parimal Suklabaidya asked :**

88. **Will the Minister of water Resource be pleased to state :**

(a) What were the allocations of fund under F.D.R. or any other sources for the year 2002-2003 and 2003-2004 of water Resources department for Cachar and Hailakandi district?

(b) What were the amount received and utilized by water Resource Cachar and Hailakandi district and against which schemes?

(c) Please give details about the schemes have already been completed since 2002 and give details about the on-going schemes?

**Shri Bharat Chandra Narah : (Minister water Resources) replied:**

(a)

| Year | Head of A/c | Cachar District | Allocation for Hailakandi district (Amt. in Lakhs) |
|---|---|---|---|
| 2002-03 | 1) 4711-CO | | 1.00 |
| | (a) State Plan | 1.00 | 100.00 |
| | (b) C.L.A | - | |
| | 2) Non-Plan 2711 | 15.68 | 10.64 |
| | 3) F.D.R. | - | |
| | Total | 16.68 | 111.64 |
| 2003-04 | 1) 4711-CO | | 5.00 |
| | (a) State Plan | 17.00 | - |
| | (b) C.L.A. | - | |
| | 2) Non-Plan 2711 | 19.78 | 8.27 |
| | 3) F.D.R. | 6.07 | 22.09 |
| | Total | 42.85 | 35.36 |

(b) The total amounts received and utilised by water Resource Cachar and Hailakandi distric during 2002-03 and 2003-04 are as follows:

| District | Amount received | Amount utilised |
|---|---|---|
| 1) Cachar | 59.53 | 59.53 |
| 2) Hailakandi | 147.00 | 147.00 |

The schemes against which the amounts were utilised are enclosed as Annexure - A.

(c) The list of completed schemes since 2002 and the on-going schemes are enclosed as Annexure - B.

(Unstarred question Nos. 89 and 90 were transferred)

বিষয় ঃ বানত ক্ষয়-ক্ষতিৰ পৰিমাণ।

শ্ৰীবুবুল দাসে সুধিছে ঃ

৯১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪ চনৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহে সমগ্ৰ অসমত সৃষ্টি কৰা প্ৰবল বানপানীত ধ্বংস কৰা মথাউৰী সমূহৰ প্ৰকৃত ক্ষয় ক্ষতিৰ পৰিমাণ কিমান?

(খ) এই বিভাগে প্ৰাকৃতিক দুৰ্যোগ বানপানীয়ে কৰা ক্ষয় ক্ষতি পূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক পুঁজি মঞ্জুৰী বিচাৰি দাখিল কৰা প্ৰস্তাৱবোৰ কি কি? (বিতংকৈ জনাব)

(গ) কেন্দ্ৰীয় চৰকাৰে উক্ত বানে কৰা ক্ষতিৰ বিপৰীতে মুঠ কিমান টকা বৰ্ত্তমানলৈকে ৰাজ্য চৰকাৰক মোকলাই দিছে?

(ঘ) যদি পুঁজি মঞ্জুৰী দিছে, তেনেহলে কি কি আঁচনি ৰূপায়ণৰ বাবে মঞ্জুৰী দিছে তাৰ তালিকা দাখিল কৰিব লগতে প্ৰকৃত খৰচৰ খতিয়ান দাখিল কৰিব?

(ঙ) মৰিগাওঁ জিলাত বিগত প্ৰলয়ংকাৰী বানে চিঙা মথাউৰী মেৰামতিৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে? (বিতংকৈ জনাব)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৪ চনৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহে সমগ্ৰ অসমত সৃষ্টি কৰা প্ৰবল বানপানীত ধ্বংস কৰা মথাউৰী সমূহৰ ক্ষয় ক্ষতিৰ পৰিমাণ প্ৰায় ৪৩.০০ কোটি টকা।

(খ) ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বানপানীয়ে কৰা ক্ষতি পূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক পুঁজি মঞ্জুৰী বিচাৰি Task Force ক দাখিল কৰা প্ৰস্তাৱবোৰ এনেধৰণৰ ঃ

I. Proposal for schemes by Assam Govt. for permanent nature of work (New) Annexure - I (10 Ten Copy).

II. Proposal of Assam Govt. for breach closing and flood damage restoration during 2004-05 under C.R.F. (Annexure - II) 10 (Ten Copy).

III. Proposal of Assam Govt. for Raised platforms (Annexure - III) 10 (Ten Copy).

IV. Proposal of Assam Govt. for reconstruction of damaged embank during remaining period of Xth Five year plan (Annexure - IV) 10 (Ten Copy).

V. Proposal of Assam Govt. for Anti erosion schemes during remaining period of Xth Five year plan (Annexure - V) 10 (Ten Copy).

(গ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্যমতে কেন্দ্ৰীয় চৰকাৰে অসমৰ বান-ক্ষতি মেৰামতিৰ বাবে C.R.F./ NCCF শিতানত ২০০৪-২০০৫ চনত বৰ্ত্তমানলৈকে ৰাজ্য চৰকাৰক ৩০৪.০৭ কোটি টকা মোকলাই দিছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা পুঁজিৰ বিপৰীতে ৰাজহ বিভাগে অসম চৰকাৰৰ জলসম্পদ বিভাগৰ ২২৬ খন আঁচনিৰ বিপৰীতে ৯৯.৯৩৫৫ কোটি টকা (C.R.F.) শিতানত মঞ্জুৰী দিছে। আৰু পৰিশিষ্ট 'খ' (আঁচনিৰ তালিকা পৰিশিষ্ট 'ক' ত দাখিল কৰা হৈছে)

উপৰোক্ত মঞ্জুৰীৰ বিপৰীতে এতিয়ালৈকে কোনো ধনৰাশি পোৱা হোৱা নাই। গতিকে এতিয়ালৈকে উক্ত মঞ্জুৰী বিপৰীতে ধন ৰাশিৰ কোনো খৰছ হোৱা নাই।

(ঙ) মৰিগাওঁ জিলাত ২০০৪ চনৰ প্ৰলয়ংকাৰী বানে চিঙা মথাউৰী মেৰামতিৰ বাবে মুঠ ৪.৫৪ কোটি টকাৰ ৯ খন আঁচনি হাতত লোৱা হৈছে। বিতং তথ্য (Annexure - VI)ত দাখিল কৰা হৈছে।

বিষয় ঃ ক্ষুদ্ৰ বেংক স্থাপন।
শ্ৰীদিলদাৰ ৰেজজাই সুধিছে ঃ

৯২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে অলপতে ঘোষণা কৰা মতে অসমত সমবায় বিভাগৰ জৰিয়তে কিছুমান ক্ষুদ্ৰ বেংক স্থাপন কৰাৰ আঁচনি লোৱা হৈছেনে?

(খ) বাঘবৰ সমষ্টিত বেংক সেৱা পৰ্য্যাপ্ত নোহোৱা আৰু কৃষক ৰাইজৰ অসুবিধালৈ লক্ষ্য কৰি মন্দিয়াত সমবায় বিভাগৰ প্ৰস্তাবিত বেংকৰ শাখা এটি মুকলি কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীমিছবাহুল ইচলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হৈছে।

(খ) সমবায় সমিতি দুখনে মিনি বেংক খোলাৰ বাবে আৱশ্যকীয় স্বৰ্ত সমূহ পূৰণ কৰিলে মিনি বেংক খোলাৰ বাবে বিবেচনা কৰিব পৰা যায়।

**Subject : Restoration of Bundh.**
**Shri Karendra Basumatary asked :**

**93. Will the Minister of water Resources be pleased to State :**

(a) Whether fund has been released under F.D.R. or C.R.F. for Restoration of Tikritol. Bundh over Rowta River of Udalguri District?

**Shri Bharat Ch. Narah (Minister, water Resources) replied :**

(a) No Fund has yet been received.

**Subject : Completion of Settlement Survey.**
**Shri Bimolangshu Roy asked :**

**94. Will the Minister of Revenue be pleased to state :**

(a) Has the Govt. sanctioned fund for the proposal given in response

to D.O. No. MSW (Rev) 27/2004/4, dated 3-1-2005 in respect of LA 9 of Silchar Constituency?

(b) If so, will the Govt. furnish the copy of sanction letter? If not, why?

(c) What is the reason for unusual delay in completion of settlement survey in Silchar town? When the same is likely to be completed?

(d) Is the Govt. aware that there is acute scarcity of stamp of lower denomination in the state and people are compelled to purchase stamp at much higher rate from stamp vendors?

(e) If so, what steps Govt. has so far taken for redressal of peoples grievances?

**Shri Gautam Roy (Revenue Minister) replied :**

(a) Proposal is under process of sanction in phase manner.

(b) Copy of sanctioning order will be made available after completion of the process.

(c) The maps, land records of Silchar town along with the extended Silchar Municipal area was brought under convorsion of scale scheme in the year, 1989, but the actual works could be started only in the year, 1992 as the Silchar Sadar Circle was gutted on 26the February, 1990. As such whole land records of the Silchar town had to be reconstructed first from the Sadar records. This is the prime reason why the survey and conversion process has been delayed.

Some posts are falling vacant due to retirement of the staff.

The third reason of delay is that the staff of the settlement officers are to be engaged in various miscellaneous works right from agriculture census, election duty, economic census and flood and disaster related works.

The state Government has instructed the settlement officer Cachar to complete the works of settlement operation of Cachar and for that matter Silchar town by November, 2005.

(d) No report regarding acute scarcity of lower denomination stamp has been received so far from any quarter.

(e) Meanwhile, the relevant provision of Indian Stamp Act, 1899 has been amended and now public can deposite required amount of Stamp Duty through Treasury Challan if and when scarcity of any kind of stamps occurs.

**বিষয় ঃ প্ৰটেক্চনৰ কাম।**
**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৯৫। **মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কি কাৰণত গোলকগঞ্জ টাউন প্ৰটেক্চনৰ কাম এতিয়াও আৰম্ভ হোৱা নাই?

(খ) কোন তাৰিখৰ পৰা এই কাম আৰম্ভ কৰা হ'ব?

(গ) চৰকাৰ এই কথা অৱগত হয়নে যে এই কাম নহলে গোলকগঞ্জ চহৰ গঙ্গাধাৰৰ গৰ্ভত বিলীন হ'ব?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰয়োজনীয় পুঁজিৰ আৱন্টন নোপোৱা বাবে গোলকগঞ্জ টাউন প্ৰটেক্চনৰ আঁচনিখনৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

(খ) ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগে অলপতে আৱন্টন দিয়া ২০০৪-২০০৫ চনৰ এক কালিন অতিৰিক্ত কেন্দ্ৰীয় সাহাৰ্য্য পুঁজিৰ' অধীনৰ আঁচনিখনৰ ৭৫ লাখ টকাৰ কাম ২০০৫-২০০৬ বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ কৰা হ'ব।

(গ) হয়, অৱগত।

**বিষয় ঃ গৰাখহনীয়াত ক্ষতি।**
**ডাঃ আনন্দৰাম বৰুৱাই সুধিছে ঃ**

৯৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কপিলী নদীয়ে ৰহা সমষ্টিৰ বকুলগুৰি পঞ্চায়তৰ কলনী গাওঁ গাৰুখুন্দা পঞ্চায়তৰ গোসাই গাওঁ, চাংচকী পঞ্চায়তৰ চাংচকী গাওঁ, বগৰা পঞ্চায়তৰ বাৰেগোগা গাওঁ আৰু পূৰ গুইমাৰী গাওঁ, কাকতি গাওঁ আৰু চহৰী পঞ্চায়তৰ বামুনী জানত গৰাখহনীয়া হৈ কিমানটা পৰিয়ালক উচ্ছেদ কৰিলে?

(খ) সেই উচ্ছেদ কৰা পৰিয়ালবোৰৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছেনে?

(গ) সেই উচ্ছেদ কৰা পৰিয়ালবোৰৰ পূণৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কৰিলে নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নগাওঁ জিলাৰ অতিৰিক্ত উপায়ুক্তৰ পৰা পোৱা তথ্যমতে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বকুলগুৰি পঞ্চায়তৰ কলনি গাওঁ গাৰুখুন্দা পঞ্চায়তৰ গোসাই গাওঁ, চাংচকী পঞ্চায়তৰ চাংচকী গাওঁ, বগলা পঞ্চায়ত বাৰেগোগা গাঁৱৰ সৰ্বমুঠ ২৮ টা পৰিয়াল গৰাখহনীয়াৰ ফলত উচ্ছেদ হৈছে। বগলা গাওঁ পঞ্চায়তৰ পূৰ গুইমাৰী গাওঁ আৰু কাকতি গাওঁ আৰু ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত চহৰী পঞ্চায়তৰ বামুনিজান গাঁৱৰ কোনো পৰিয়াল গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা নাই।

(খ) গৰাখহনীয়াৰ ফলত উচ্ছেদ হোৱা পৰিয়াল সমূহৰ সংস্থাপনৰ বাবে নগাওঁ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ে প্ৰস্তাৱ সাজু কৰিছে।

(গ) 'খ' ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**বিষয় ঃ মীন বিভাগৰ জলাশয়, পুখুৰীৰ পট্টন।**
**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

৯৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন বিভাগৰ অধিনত মুঠ কিমানখন জলাশয়, পুখুৰী আছে আৰু তাৰ পৰা বছৰি কিমান টকা লাভ হয়? (জিলা ভিত্তিত তালিকা বনাই, ২০০১-২০০৪ বৰ্ষলৈ লাভাংশ দেখুৱাই তথ্য দিব)

(খ) (১) জলাশয়, পুখুৰীবোৰ কি কি নীতি-নিয়মৰ ভিত্তিত পট্টান দি থকা হৈছে? (নীতি-নিয়মৰ কপি দিব)

(২) চৰকাৰৰ অধিক লাভৰ বাবে জলাশয়, পুখুৰীবোৰ open tender যোগে পট্টান দিয়াৰ ব্যৱস্থা কৰিবনে?

(৩) Open Tender ৰ ব্যৱস্থা চৰকাৰে কৰিবনে আৰু কৰিলে কেতিয়াৰ পৰা কৰিব?

(গ) মীন বিভাগৰ বিষয়া কৰ্মচাৰী সকলে বৰ্ত্তমানে কি কি কামত ব্যস্ত হৈ আছে?

**ডাঃ নজৰুল ইছলাম (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মীন সঞ্চালকালয়ৰ অধীনত ১৪২ খন মীন পাম আছে। ইয়াৰে ১৭ খন মীন পাম(পুখুৰী) মীন বিভাগে প্ৰত্যক্ষভাৱে পৰিচালনা কৰে। বাকী মীন পামবোৰ অসমৰ বিভিন্ন জিলাৰ মীন পালক উন্নয়ন সন্থাৰ জৰিয়তে পৰিচালনা কৰে। জিলা ভিত্তিক আয়ৰ তালিকা সংলগ্ন কৰা হ'ল। মীন বিভাগৰ হাতত কোনো জলায়শ নাই। মীন উন্নয়ন নিগমৰ অধীনত মুঠ ১৮২ খন মীন মহল আছে। ইয়াৰে বছৰি আয়ৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। ((Annexure - VIII)

(খ) (১) মীন পামবোৰ মুক্ত নিবিদা যোগে পট্টন দিয়া হয়। নীতি-নিয়মৰ নিৰ্দ্দেশনা গাঠি দিয়া হ'ল।

(২) এই সম্পৰ্কত চিন্তা চৰ্চা চলি আছে।

(৩) সিদ্ধান্ত সাপেক্ষে ব্যৱস্থা লোৱা হব।

(গ) মীন বিভাগৰ বিষয়া কৰ্মচাৰী সকল বৰ্ত্তমান "অসম কৃষি প্ৰতিযোগীতা মূলক প্ৰকল্পৰ" (AACP) অন্তৰ্গত বিভিন্ন আঁচনি, পৰিত্যক্ত জলাশয় উন্নতিকৰণ আঁচনি আৰু বিভাগীয় মীন পাম উন্নয়ন আঁচনি ৰূপায়নৰ কামত ব্যস্ত হৈ আছে।

**বিষয় ঃ শিংৰা নদীৰ গৰাখহনীয়া।**
**শ্ৰীগোপীনাথ দাসে সুধিছে ঃ**

৯৮। **মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত হাহিম ৰজাৰ এলেকাটো শিংৰা নদীৰ গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে চৰকাৰে অতি সোনকালে (C.R.F.(F.D.R) শিতান পুঁজিৰে উক্ত গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে ব্যৱস্থা লবনে?

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় কামৰূপ জিলাৰ উপায়ুক্তই ৪ মাৰ্চ ২০০৫ তাৰিখৰ চিঠিযোগে জনোৱা মতে এই বিষয়ে খবৰ পোৱা গৈছে।

(খ) প্ৰস্তাৱ পালে পুঁজি সাপেক্ষে বিবেচনা কৰা হ'ব।

**বিষয় ঃ বিশ্ব বেংক প্ৰতিনিধি দলৰ পৰামৰ্শ।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

৯৯। **মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) যোৱা বানপানীৰ পিচত বিশ্ব বেংকৰ এটা প্ৰতিনিধি দলে অসম ভ্ৰমণ কৰি কিছুমান পেকেজ ঘোষণা কৰিবলৈ চৰকাৰলৈ পৰামৰ্শ দিয়া কথাটো সঁচানে?

(খ) কিমান ধনৰাশি বিশ্ব বেংকৰ পৰা অসম চৰকাৰলৈ আগবঢ়াইছে?

(গ) চৰকাৰৰ পৰা প্ৰকল্প বিলাকৰ প্ৰস্তাৱ বিশ্ব বেংকক দিলেনে? যদি দিছে, কোন কোন জিলাক ক্ষতিগ্ৰস্ত হিচাবে অগ্ৰাধিকাৰ ভিত্তিত দাখিল কৰিছে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এই বিভাগৰ অৱগত নহয়। অৱশ্যে বিশ্ব বেংকৰ এটা প্ৰতিনিধি দলে যোৱা ২০০৫ চনৰ ফেব্ৰুৱাৰী মাহত জলসম্পদ বিভাগৰ সচিব ও উচ্চ বিষয়াবৰ্গৰ লগত সাক্ষাত কৰি বাননিয়ন্ত্ৰণৰ সমস্যা সম্পৰ্কে সংক্ষেপে আলোচনা কৰে।

(খ) প্ৰশ্ন 'ক'ৰ সাপেক্ষে প্ৰযোজ্য নহয়।

(গ) প্ৰশ্ন 'ক'ৰ সাপেক্ষে প্ৰযোজ্য নহয়।

**বিষয় ঃ সাহাৰ্য্যৰ টকা।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

১০০। **মাননীয় সাহাৰ্য্য আৰু পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

**২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বৰ্ষত সাহাৰ্য্য আৰু পুণৰ সংস্থাপনৰ নামত অসমৰ কোন কোন বিধান সভা সমষ্টিত কিমান টকা দিয়া হ'ল? (অনুগ্ৰহ কৰি আঁচনি সমূহৰ বিপৰীতে টকাৰ পৰিমাণ উল্লেখ কৰিব)**

শ্ৰীগৌতম ৰয় (সাহাৰ্য্য আৰু পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

সাহাৰ্য্য আৰু পুণৰ সংস্থাপন বিভাগে বিধান সভাৰ সমষ্টি ভিত্তিত সাহাৰ্য্যৰ টকা অনুদান নিদিয়ে। জিলাৰ উপায়ুক্ত ও মহকুমাধিপতিৰ প্ৰস্তাৱ সাপেক্ষে গোষ্ঠীগত সংঘৰ্ষ / দুস্কৃতিকাৰীৰ দ্বাৰা আক্ৰান্ত লোকক সাহাৰ্য্য আৰু পুণৰ সংস্থাপনৰ নামত সাহাৰ্য্য দিয়া হয়।

(জিলা ও মহকুমা ভিত্তিত ২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বৰ্ষত দিয়া অনুদানৰ টকাৰ পৰিমানৰ তালিকা গাঠি দিয়া হ'ল।) (Annexure - IX)

বিষয় ঃ পুণৰ সংস্থাপন ব্যৱস্থা।

শ্ৰীবুবুল দাসে সুধিছে ঃ

১০১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানৰ চৰকাৰে ২০০২-০৩, ২০০৩-০৪ বিত্তীয় বৰ্ষত প্ৰাকৃতিক দুৰ্যোগ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু প্ৰলয়ংকাৰী বানৰ দ্বাৰা গৃহহীন হোৱা আৰু সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালবোৰ জিলা আৰু ৰাজহ চক্ৰ (Circle) ভিত্তিত চিনাক্তকৰণ কৰিলেনে?

(খ) যদি চিনাক্তকৰণ কৰিলে তালিকা চাৰ্কোল ভিত্তিত দাখিল কৰিবনে?

(গ) উক্ত দুয়োটা বৰ্ষত ৰাজ্য চৰকাৰে সৰ্বশ্ৰান্ত ও সৰ্বাধিক ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক পুণৰ সংস্থাপন অনুদান মঞ্জুৰী দিছিল নেকি? যদি দিছে তথ্য জিলা ভিত্ত্বিত সদনৰ মেজত দাখিল কৰিব?

(ঘ) মৰিগাওঁ জিলাৰ আটাইকেইটা ৰাজহ চক্ৰ এলেকাত উক্ত দুয়োটা বৰ্ষত কিমানটা প্ৰাকৃতিক দুৰ্যোগগ্ৰস্ত পৰিয়ালক এককালীন নাইবা পুণৰ সংস্থাপন অনুদান মঞ্জুৰী দিছে তথ্য দাখিল কৰিব?

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উপায়ুক্ত সমূহৰ পৰা পোৱা তথ্য মতে ২০০৩-০৪ চনত গৰাখহনীয়া আৰু বানপানীত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

| চন | বানপানীত ক্ষতিগ্ৰস্ত পৰিয়াল | গৰাখহনীয়া গৃহহীন |
|---|---|---|
| ২০০২-২০০৩ | ১১৩০৩৯০ টা | ৪২৪ গৃহহীন |

২০০৩-২০০৪ ২৪৮৬৮৮৮৪টা ৬১৪৫৪ গৃহহীন

(খ) জিলা আৰু ৰাজহ চক্ৰ ভিত্তিত চিনাক্তকৰণৰ তথ্য উপাৰ্যুক্ত সকলৰ পৰা পোৱা নাই।

(গ) পুনঃ সংস্থাপনৰ বাবে উক্ত দুয়োটা বৰ্ষত অনুদান দিয়া নাই।

(ঘ) ২০০২-০৩ বৰ্ষত ৬০ হাজাৰ টকাৰ এককালীন সাহায্য দিয়া হৈছে।

**Subject : Allocation of fund.**

**Shri Karendra Basumatary asked :**

**102. Will the Minister of WPT & BC be pleased to State :**

(a) What is the total allocation of fund released by the WPT & BC Deptt. to the B.T.A.D., Kokrajhar for the year 2003-2004 and 2004-2005 (till 9-2-2005) ?

(b) Whether all the amount has been utilised ? (furnish the figures against the scheme).

**Shri Bharat Ch. Narah (Minister, WPT & BC) replied :**

(a) Govt. has released the fund to B.T.A.D. during 2003-2004 and 2004-2005 (till 9-2-2005) is as follow :

| | | |
|---|---|---|
| 2003-2004 | Under plan - | Rs. 870.00 lakh |
| | Under Non-plan- | Rs. 225.00 lakh |
| 2004-2005 | Under plan - | Rs. 6465.00 lakh |
| | Under Non-plan - | Rs. 400.00 lakh |

(b) The fund has been utilised by the B.T.C. authority against the schemes finalised by the autonomus councils.

বিষয় ঃ জৰীপৰ কাম।
শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ

১০৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ কোন কোন ৰাজহ চাৰ্কোলৰ চূড়ান্ত জৰীপৰ কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে ?

(খ) চূড়ান্ত জৰীপৰ কাম কেতিয়া শেষ হব?

(গ) Final পট্টা নোপোৱাৰ ফলত লোকৰ আহুকালৰ কথা চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত জৰীপৰ কাম কেতিয়াকৈ শেষ কৰিব আৰু Final পট্টা বিতৰণ কৰিব?

শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী, গোলকগঞ্জ, আগমনি, মানকাচাৰ, দক্ষিণ শালমাৰা, বিলাসীপাৰা, বগৰিবাৰী আৰু চাপৰ।

(খ) চূড়ান্ত জৰীপৰ কাম শেষ হৈছে। বন্দোৱস্তী প্ৰক্ৰিয়া দুই বছৰৰ ভিতৰত শেষ হব।

(গ) প্ৰশ্ন নুঠে। নথী প্ৰণয়নৰ সময়ত কেচা পট্টা প্ৰদান কৰা কাম শেষ হৈছে।

(ঘ) অহা দুই বছৰৰ ভিতৰত জৰীপৰ কাম শেষ হলে পট্টা বিতৰণ কৰা হব।

বিষয় ঃ সীমা নিৰ্দ্ধাৰণ।
ডাঃ আনন্দৰাম বৰুৱাই সুধিছে ঃ

১০৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৰহা সমষ্টিৰ দক্ষিণ পূৱত অৱস্থিত বৰপথাৰ পঞ্চায়তৰ সীমা নিৰ্দ্ধাৰণ কাৰ্বি আংলং জিলাৰ সৈতে হৈছেনে?

(খ) চৰকাৰ অৱগতনে যে নগাওঁ জিলাৰ কিছুমান ভোটাৰে কাৰ্বি আংলং জিলাতো ভোট দান কৰিব লাগে?

(গ) যদি অৱগত প্ৰকৃত সীমা নিৰ্দ্ধাৰণৰ ব্যৱস্থা কেতিয়াৰ পৰা আৰম্ভ হব?

শ্ৰীগৌতম ৰয় (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ভূমিলেখ্য ও জৰীপ অধিকৰ্ত্তাৰ অধীনত জৰীপ দলৰ দ্বাৰা কাৰ্বি আংলং আৰু নগাওঁ জিলাৰ সীমা বিবাদ নিস্পত্তিৰ ব্যৱস্থা লোৱা হৈছে।

(খ) নগাওঁ জিলাৰ ভোটাৰে কাৰ্বি আংলং জিলাত ভোট দিয়া কথাটো সঁচা নহয়।

(গ) সীমা নিৰ্দ্ধাৰণৰ ব্যৱস্থা লোৱা হৈছে।

**Subject : Erosion of Bihdubi.**
**Shri Gunin Hazarika asked :**

**105. Will the Minister of water Resources be pleased to State:**

(a) Is Govt. taking positive steps to prevent erosion of Bihdubi and Gakhirekhati area Nagaon District of Kaliabor Sub-division ?

(b) If so, will it be completed before Bohag Bihu 2005 ?

(c) Is it a fact that the Govt. has not cleared the payments of the local small contractors who worked in last flood to prevent erosion ?

(d) If so, when Govt. will clear their payment ?

**Shri Bharat Ch. Narah (Minister of water Resources) replied :**

(a) Yes.

(b) Completion of the work before Bohag Bihu 2005, depends upon sanction of the estimate by the competant authority.

(c) Yes.

(d) Payment will be made on receipt of fund.

বিষয় ঃ চি আৰ এফ ফাণ্ডৰ টকা।
ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১০৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা প্ৰলয়ংকাৰী বানত মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে ঘোষণা কৰা (C.R.F. Found) ৰ পৰা কিমান কোটি টকা মোকলাই দিছে?

(খ) এই ঘোষিত ধনৰাশি কোন কোন শিতানত দিয়া হৈছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(গ) বান সাহাৰ্য্যৰ নামত বিধস্ত পৰিয়ালক ৫০ হাজাৰ টকাকৈ দিম বুলি যোৱা বিধান সভাত প্ৰতিশ্ৰুতি দিয়াৰ পিছত কিমান পৰিয়াল উপকৃত হ'ল? (জিলা ভিত্তিত নাম সহকাৰে সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা প্ৰলয়ংকাৰী বানত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা (C.R.F. Found) ৰ অধীনত ৩০৪.০৭ কোটি টকা মোকলাই দিছে।

(খ) (C.R.F. Found) ৰ অধীনত পোৱা টকা বিভিন্ন শিতানত দিয়া তালিকা সংলগ্ন কৰা হ'ল। (See Annexure - X)

(গ) বান সাহায্যৰ নামত বিধস্ত পৰিয়ালক পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ তৰফৰ পৰা ১০.০০০/- গৃহ প্ৰত্যেকটো ২০,০০০/- টকাত নিৰ্মাণ কৰা আৰু ৫৪,১২৯ গৃহৰ বাবে প্ৰতি পৰিয়ালক দুই বান্দুল টিনপাত আৰু ১৫০০/- টকাত মেৰামতি কৰাৰ ব্যৱস্থা লৈ আছে।

**Subject : Implementation Programme.**
**Shri Karendra Basumatary asked :**

**107. Will the Minister of Transport be pleased to state :**

(a) Whether the Govt. has transferred the power and functions of the Transport Department to the B.T.A.D. ?

(b) If so, how much fund has been allocated to the B.T.A.D. during the year 2004-2005 ?

(c) What are the schemes implemented by the B.T.A.D. (Transport)?

**Shri Anjan Dutta (Minister of Transport) replied :**

(a) Government of Assam vide its order No. TMV. 51/2004/45 dated 20-12-2004, in pursuance of Govt. Notification No. TAD/BTC/161/2003/6 dtd. 31-10-2003 partially transferred the services of officers & staff of Transport Department to enforce Motor vehicle Rules framed for the vehicles other than the mechanically propelled vehicles by the B.T.C.

(b) Transport Department is not authorised to allocate any fund to the BTAD area. However as informed by Under Secretary, Bodoland Terriotorial Council, Transport Deptt. of B.T.C. has given the following fund from the plan fund received from Govt. of Assam.

2003-2004 - Rs. 3,00,000/-

2004-2005 - Rs. 30,00,000/-

(c) As informed by Under Secretary, BTC the following schemes under Transport Department has been implemented by them.

Improvement of Bus Stand, Const. of Bus waiting shed, Bus Terminal, Urinal, Boundary wall, Earth-filling and gravelling etc. in B.T.C. area.

**বিষয় ঃ নদী নিয়ন্ত্ৰণ।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধান মন্ত্ৰী ডঃ মনমোহন সিং ডাঙৰীয়াই ঘোষণা কৰা কেন্দ্ৰীয় চৰকাৰৰ “নদী নিয়ন্ত্ৰণ” ৰ বাবে” ("Task Force") গঠন কৰাৰ পিচত অসমৰ বাবে এতিয়ালৈ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰি চৰকাৰক দাখিল কৰিছেনে?

(খ) যদি আঁচনি গ্ৰহণ কৰিছে, অসমৰ কোন কোন নদীৰ কাৰণে আঁচনি গ্ৰহণ কৰিছে? (জিলা ভিত্তিক তথ্য দাখিল কৰিব)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰ জলসম্পদ বিভাগে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা "(Task Force)" ৰ ওচৰত নদী নিয়ন্ত্ৰণ আৰু মথাউৰী মেৰামতিৰ কেতবোৰ প্ৰস্তাব দাখিল কৰিছে। এই প্ৰস্তাবৰ বিষয়ত "(Task Force)" ৰ অনুমোদন গৃহীত হোৱাৰ সম্পৰ্কে এই বিভাগ জ্ঞাত নহয়। অনুমোদন গৃহীত হোৱাৰ পিছত "(Task Force)" আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুযায়ী আঁচনি দাখিল কৰা হ'ব।

(খ) ক'ত উল্লেখ কৰা উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**Subject : National Games.**
**Shri Karendra Basumatary asked :**

**109. Will the Minister of sports and youth welfare be pleased to state :**

(a) Whether the National Games will be held in Assam in November, 2005 ?

(b) If not, Why ?

(c) Whether Government has received fund from the Central Government for the above National Games ?

**Shri Rockybul Hussain (Minister of State (Home)) replied :**

(a) Yes

(b) Does not arise.

(c) Yes. A total amount of Rs. 70.10 Crores has been received so far from the Govt. of India.

**বিষয় ঃ ষ্টেটফেডৰ অধীনত থকা উদ্যোগ।**
**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

**১১০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ষ্টেটফেডৰ অধীনত অসমত কি কি আৰু কিমানটা উদ্যোগ আছে ?

(খ) প্ৰতিটো উদ্যোগৰ বিপৰীতে কিমান কোটি টকা (Investment) হৈছে আৰু ইয়াৰ পৰা বছৰি আয় কিমান? (বেলেগে বেলেগে সদনৰ মেজত দাখিল কৰিব)

(গ) উদ্যোগ বিলাকৰ পৰিচালনা কি ভিত্তিত হয়?

**শ্ৰীমিছবাহুল ইচলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ষ্টেটফেডৰ অধীনত এটা বনস্পতি প্ৰকল্প, ২ টা মিঠাতেল মিল, আৰু ৪ টা ধান বনা কল আছে।

(খ) উদ্যোগৰ, নাম আৰু বিপৰীতে (Investment) হোৱা টকাৰ পৰিমান আৰু ইয়াৰ পৰা হোৱা বছৰি আয়ৰ পৰিমাণ দেখুৱাই এখন তালিকা 'ক' নিচানত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure - XI)

(গ) উদ্যোগবোৰ সম্পূৰ্ণ ভাৱে ষ্টেটফেডৰ দ্বাৰা পৰিচালিত হৈ আছে।

DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR, 2004-2005.

**Mr. Speaker :** Now, item No. 2, Discussion on the Supplimentary Statement of Expenditure Charged on the Consolidated Fund of the State for the year, 2004-2005.

VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 2004-2005.

**Mr. Speaker :** Now, item No. 3, Grant No. 64. Hon'ble Minister of State, PWD to move.

**শ্ৰীমতী অজন্তা নেওগ** (মন্ত্ৰী) ঃ অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০০৫ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ "পথ আৰু দলঙ"ৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ৭০০.০০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**Mr. Speaker. :** There are as many as 5 cut Motions in Grant No. 64 standing in the names of -

1. Shri Pabindra Deka,
2. Shri Bimolangshu Roy,
   Shri Ranjit Dutta,
   Shri Rameswar Teli,
   Shri Sushil Dutta,
   Shri Dinesh Chandra Sarkar,
   Shri Kali Ranjan Deb.
3. Shri Dilip Kr. Saikia,
   Shri Hitendra Nath Goswami,
   Shri Joseph Toppo,
   Shri Girindra Kr. Barua,
4. Smti Pramila Rani Brahma,
   Shri Rihon Daimary,
   Shri Tijen Basumatary,
   Shri Matindra Basumatary,
   Shri Nathu Boro,
   Shri Karendra Basumatary,
5. Shri Pranab Kalita.

Please move one,

★**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে ২০০৪-২০০৫ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩৭-৩৮ পৃষ্ঠাত থকা পথ আৰু দলঙ শিতানৰ ৬৪ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৭০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৭০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া ৰাজ্যিক মন্ত্ৰী মহোদয়াই গড়কাপ্তানী বিভাগৰ পৰিপূৰকৰ দ্বাৰা মঞ্জুৰী উৎথাপন কৰে। গড়কাপ্তানী বিভাগৰ বাবে ৭ কোটি টকাৰ অনুমোদন বিছাৰিছে। এই ৭ কোটি টকা মূলত দুটা কাৰণত বিচাৰিছে। ৪শ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা নেচনেল হাইওৱে বিলাক মেৰামতিৰ

---

★ *Speech not corrected*

কাৰণে আৰু দ্বিতীয়তে পথ নিৰ্মাণৰ বাবে তিনি কোটি টকা ধৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত মুঠ ৩৩ হাজাৰ ৩ শ ৪৩ কিলোমিটাৰ গড়কাপ্তানী বিভাগৰ পথ আছে। দুই হাজাৰ চব্বিছ কিলোমিটাৰ নেচনেল হাইওৱে আৰু দুই হাজাৰ আঠশল্লিছ কিলোমিটাৰ ষ্টেট হাইওৱে আছে আৰু ৯ হাজাৰ খন অনুমান দলং আছে মোতামোতি আমাৰ প্ৰতি এক লাখ জনসংখ্যা প্ৰতি ৪৯ কিলোমিটাৰ পথ আছে। কিন্তু ৰাষ্ট্ৰীয় পৰ্য্যায়ত ২২০ কিলোমিটাৰকৈ আছে। ১৯৭৮ চনতে এম, এন, পি আঁচনিত কিছু ৰাষ্টা ঘাট লোৱা হৈছে। বহুসংখ্যক গাওঁৰ ৰাষ্টা গড়কাপ্তানি বিভাগৰ অন্তৰ্ভূক্ত কৰি ১৯৭৮ চনতে কিছুমান ৰাষ্টা কৰা হ'ল সেই ৰাষ্টা বিলাক আজিও সেই ৰাষ্টা বিলাকত কোনো মেৰামতি কৰা নহ'ল। বৰ্ত্তমান গুৱাহাটীৰ ৰাষ্টা বিলাক ভাল হৈছে কিন্তু যোৱা বানপানীত বিধস্থ ৫ হেজাৰ দলং তেনেকৈয়ে আছে এতিয়ালৈকে একো কৰা নাই। মোৰ সমষ্টিৰ ১৪ খন দলঙৰ কাৰণে ১৪ টা ৰাষ্টা বন্ধ হৈ আছে। এতিয়ালৈকে টকা পইচা অনুপাতে যি ধৰণে কাম কাজত আগবাঢ়িব লাগিছিল সেই ধৰণে আগবাঢ়া নাই। তাৰোপৰি এই যে ৭ কোটি টকা দিয়া হব কাম বিলাক সময় মতে হব লাগে। কিন্তু তেনে নহয়, টেণ্ডাৰ কল কৰি কাম বিলাক আৰম্ভ কৰালৈকে এবছৰ সময় লাগে। এম, এন, পি কাম বিলাক টেণ্ডাৰ কল কৰা হয় কিন্তু কাম বিলাক নহয়।

তেওঁলোকক শতকৰা তিনিভাগ দিব লাগে শতকৰা তিনিভাগ নিদিলে সচিবালয়ৰ পৰা ৱৰ্ক অৰ্ডাৰ ওলাই নাহে। এই অভিযোগ সদায়ে আছে। সেই কাৰণে ৰাষ্টাটো মঞ্জুৰী হলেও কাম সময়মতে আৰম্ভ কৰিব পৰা নহয়। টাইমলি একজিকিউ চনটো আচল কথা টকা দিলেই নহব। সময়মতে কাম শেষ কৰিব নোৱাৰিলে প্ৰাইচ এচকালেচন হয় ইফালে সময়মতে আৰম্ভ নহলে বাৰিষা আহিব কাম বন্ধ হৈ যাব। অসমত যিমানবিলাক দলং কৰিবলগীয়া হৈছে তাৰ ১৪ খনৰ কাম এতিয়াও আৰম্ভ হোৱাই নাই ইফালে মনচুন আহি আছে এতিয়া মাৰ্চ মাহ ভাৰতবৰ্ষত অন্যান্য ৰাজ্যত মনুচুন জুন মাহৰ পৰা ধৰে যদিও অসমত প্ৰায় মাৰ্চৰ পৰাই মনচুন আৰম্ভ হয়। গতিকে গড়কাপ্তানী বিভাগে সময় সাপেক্ষে কাম কৰিব লাগে। টেণ্ডাৰ কল কৰি ৪ মাহ বহি থাকিলে আৰু তাৰ পিছত ৱৰ্ক অৰ্ডাৰৰ কাৰণে ৩ মাহ লাগিলে কাৰণে বিষয়া সকলে পইছাৰ কাৰণে খাপ পিতি থাকে তেতিয়া কাম কেতিয়া আৰম্ভ কৰিব? গড়কাপ্তানী মন্ত্ৰীয়ে এই ক্ষেত্ৰত গুৰুত্ব দিব লাগে। তদুপৰি গড়কাপ্তানী বিভাগত আৰু এটা বেমেজালি

দেখিছো যিবিলাক কাঠৰ দলং বনোৱা হয় সেইবিলাকত দিবলৈ কাঠ নাই। ঠিকাদাৰে চোৰাং কাঠ কিনি দলং কৰিব লাগে কিন্তু চোৰাংকৈ কাঠ কিনিলেও বিভাগক ৮/৯ শতকৰা ভাগত ৰয়েল্টি দিব লাগে যদি কাঠেই দিব নোৱাৰে তেনেহলে ৰয়েল্টি কেনেকৈ চাৰ্জ কৰে, ইও এক ৰহস্য। আনহাতে গড়কাপ্তানী বিভাগে এম, এন, পি আঁচনিত ১৯৭২ চনত কিছুমান ৰাষ্টা কৰিছিল কিন্তু এই ৰাষ্টা বিলাক এতিয়া ভাঙিচিঙি নাইকীয়া হৈছে। নতুনকৈ ইয়াত এচপৰা মাটি বা এটা শিলগুটি দিয়াৰো ব্যৱস্থা কৰা নাই যাব ফলত ৰাইজে দুৰ্ভোগত পৰিছে আনহাতে এই ৰাষ্টা বিলাক আন এজেন্সিয়েও কৰিব নোৱাৰে কাৰণ এই বিলাক গড়কাপ্তানী পথ তাক মেৰামতি কৰিব লাগিলে গড়কাপ্তানী বিভাগৰ অনুমতি লব লাগে। যদি গড়কাপ্তানী বিভাগে মেৰামতি নকৰে তেনেহলে ডিআৰডিএক বা অন্য এজেন্সিক এৰি দিয়ক। তদুপৰি গড়কাপ্তানী বিভাগৰ যিবিলাক পিএ মজিএচওৱাই ৰাষ্টা বা মুখ্য মন্ত্ৰীৰ পথ পকীকৰণ আঁচনিৰ ৰাষ্টা সেই ৰাষ্টা বিলাকৰ টেণ্ডাৰ কল কৰিছে টেণ্ডাৰ কল কৰাৰ কাৰণে দেৰমাহ সময় লাগে আৰু ৱৰ্ক অৰ্ডাৰ ইছু কৰোতে এমাহ সময় লয়। বহুত ঠাইত এতিয়ালৈকে কাম আৰম্ভ কৰাই নাই বাৰিষা আহিলেই কাম নহলে ৰাইজৰ হাৰাশাস্তি হব আৰু কামটো আৰু এবছৰলৈ পিছুৱাই যাব। মোৰ সমষ্টিতে তেনেকুৱা হৈছে কমিচন নিদিলে ৱৰ্ক অৰ্ডাৰ নিদিয়ে ইফালে কাম আৰম্ভ নোহোৱাতে প্ৰাইচ এচকালেচন হব নাবাৰ্ডৰ আঁচনিত প্ৰতিটো সমষ্টিত একোখনকৈ দলং লৈছে তাতো টেণ্ডাৰ কল হ'ল কিন্তু আজিলৈ কাম আৰম্ভ নহ'ল। মই মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো যাতে অতিসোণকালে কাম আৰম্ভ কৰিব দিয়ে আৰু বাৰিষাৰ আগতে কাম শেষ কৰে।

এইখিনি অৱজাৰভেচন ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

(Mr. Speaker Vacated the Chair and Mr. Dy. Speaker Occupied the Chair)

★**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ দলং আৰু ৰাষ্টাৰ ওপৰত যি কৰ্তন প্ৰস্তাব আনিছো তাক সমৰ্থন কৰি দুষাৰমান কব বিছাৰিছো। আচলতে এই শিতানত ৪০০ কোটি টকা ধাৰ্য্য কৰিছে কেন্দ্ৰীয় ফাণ্ডৰ নেচনেল হাইওৱেৰ টকা এই টকা কামৰ তুলনাত তেনেই নগন্য। এই টকা ৰাষ্টাটো শক্তিশালী তথা ব্লেক টপিংৰ কাৰণে ধাৰ্য্য কৰা হৈছে। কিন্তু এই টকা সাংঘাটিক ধৰণে মিচইউজ হৈছে। ইয়াৰে শতকৰা তিনিভাগ গড়কাপ্তানী

★ *Speech not corrected*

বিভাগৰ বিষয়াক দিব লাগে, এই বিভাগৰ যিজন আয়ুক্ত সচিব তেওঁক লাগে এইবিলাক কথা কাগজতো ওলাইছে আজিও এখন দৈনিক বাতৰি কাকতত ওলাইছে, অডিটেও ধৰিছে অকল হেগু ৰিচিটতে ৩ কোটি টকা খৰছ কৰিছে। আমি বিধান সভাত টকা বিলাক পাচ কৰি দিও সচাঁ কিন্তু এচাম দূৰ্নীতি পৰায়ণ বিষয়াই অসমৰ ৰাইজৰ পেটত গোৰ মাৰি এই টকা বিলাক তেওঁলোকে হজম কৰিছে, এইবিলাক কথা বাতৰি কাকতত ওলাইছে বিভিন্ন ঠাইত আলোচনাও হৈছে। অসমৰ দুখীয়া ৰাইজৰ কাৰণে কেন্দ্ৰই ধন দিছে সেই টকা কাম নকৰি টকাৰ শ্ৰাদ্ধ কৰিছে। গড়কাপ্তানী বিভাগে হাই ৰেটত টেণ্ডাৰ কল কৰে কিন্তু লোৱেস্ট ৰেটত কাম আৱন্টন দিয়ে ভাল কাম নহয় তাৰোপৰি কমিচন আছেই ঠিকাদাৰে কেনেকৈ ভাল কাম কৰিব? এইধৰণৰ অঘটন বিভাগত চলিয়ে আছে। এই টকা বিলাক ৰূপায়ণ কৰিবৰ কাৰণে এই বিভাগৰ দায়ীত্বত আছে মুখ্য মন্ত্ৰী আৰু তেখেতক সহায় কৰিবৰ কাৰণে ৰাজ্যিক মন্ত্ৰী হিচাৱে আমাৰ বাইদেউক ৰাখিছে। এইটো এটা বিয়াগোম বিভাগ ইয়াত যি ধৰণে কাম হব লাগিছিল সেই ধৰণে হোৱা নাই।

আজি অসমৰ বিভিন্ন ৰাস্তাৰ মাটিৰ কথা ইতিমধ্যে ডেকা ডাঙৰীয়াই কৈছে। এই ক্ষেত্ৰত সৰ্বমুঠ পকী দলং মুখ্যমন্ত্ৰীয়ে সিদিনা উত্তৰ দিয়া মতে ৩৬ খন আৰ-চি-চি দলং আছে। ৰহাৰ কাঠৰ দলং নিশ্চয় আৰ-চি চি পিচত তৈয়াৰ কৰিব। ইতিমধ্যে কাঠৰ দলং ৮০০ খন ভাঙিছে যোৱা বানপানীৰ সময়ছোৱাত। এই কথা মুখ্যমন্ত্ৰীয়ে উত্তৰত কৈছিল। কেন্দ্ৰীয় চৰকাৰৰ পৰা দুহাজাৰ চাৰিশ লাখ টকা আহিছে আৰু দলং আধৰুৱা কাৰণে ৭৫৫.৩৪ কোটি টকা পৰি আছে। অথচ এতিয়াও ৰাস্তা তৈয়াৰ কৰিবলৈ বাকী আছে। দুখৰ কথা কেন্দ্ৰীয় চৰকাৰৰ পৰা চেন্ট্ৰেল ৰোড ফাণ্ডত যিটো টকা আহে তেনে ক্ষেত্ৰত একেটা ৰাস্তাতে চাৰি পাঁচবাৰ প্লেন এণ্ড এষ্টিমেট দিয়াৰ ফলত তলৰ লেভেলৰ পৰা হায়াৰ লেভেলত আছে। এতিয়া সময় আহিছে দিশপুৰৰ সন্মুখত দহ হাজাৰ মানুহে ধৰ্ণা দিব। কাহিলিপাৰা ৰাস্তাৰ কাৰণে। জি-এচ ৰোডটো এচিয়ান ৰেলিৰ কাৰণে কি সুন্দৰ কৰিছে মিহি কৰিছে আৰু ৰঙা ৰঙৰ পাওদাৰৰ নিচিনা কৰিছে। ক্ৰীমৰ নিচিনা কৰি পেলাইছে। কিন্তু আচৰিত কথা কাহিলিপাৰা ৰাস্তাটো যি ঠাইত চৈধ্যতা সঞ্চালকালয় আছে, পুলিচ প্ৰশাসন আছে ল এন্ড অৰ্ডাৰ চিটুৱেচন আহিব পাৰে। মানুহৰ ক্ষোভ হৈছে। স্বয়ং অসম সাহিত্য সভাৰ সম্পাদক আৰু সভাপতিয়ে ও এই কথা প্ৰতিবাদ কৰিছে। তিনিজন বিধায়ক, বৰদলৈ ডাঙৰীয়াৰ

সমষ্টি। বৰদলৈ ডাঙৰীয়াৰ কথা ৰাইজে বাতৰি কাকতত পাব। তেওঁ ৰাইজৰ কাম নকৰা বাতৰি কাকতৰ খবৰ। বেয়া পাইছে। এন-বি-চি-চিয়ে পঁচিশ কোটি টকা দিছে।

(ভইচ ঃ এইটো উইদ্ৰ হ'ল নেকি?)

আমি নাজানো কি কাৰণত উইদ্ৰ হ'ল। আমাৰ দিশপুৰ সমষ্টিৰ যিটো ৰাষ্টা লালগনেশ পৰ্য্যন্ত, কাম হ্ব গেম হ্ব কাৰণে। বৰদলৈ ডাঙৰীয়া আৰু কটকী ডাঙৰীয়া গৈছিল। কেনে ভয়ানক ৰাষ্টা, অৱস্থা নাই। মোৰ ঘৰলৈ গলেও জটিয়া যাব নোৱাৰে। আমাৰ পানীৰাম ৰাভা আছে প্ৰণয় ৰাভা আছে। এইফালে অলপ ভাল যেন আছে। সিফাললৈ আৰু অৱস্থা নাই। এম-বি-চি-চিৰ টকা অসম চৰকাৰে ঘূৰাই দিলে সেইটো দোষনীয় কথা। কি কাৰণত ঘূৰি গ'ল? ৰাষ্টাৰ ছুটি বিচ্যুতি জনাই লাইট পোষ্ট আদিও ঠিক কৰাৰ কথা আছিল। গুৱাহাটী মহানগৰীৰ ৰাষ্টা ভাল হোৱা বুলি ঢোল বজাই আছে।

(ভইচ ঃ একেবাৰে উন্নত নোহোৱাকৈ নাথাকিব)

টাউনৰ বাহিৰৰ ৰাষ্টা বিলাকত গুৰুত্ব দিব লাগিব। ধেমাজিত হলে গোটেই অসমতে হলে কিয় বেয়া পাম। ভাল পাম। এতিয়া এন-বি-চি-চিৰ যোৱা ১৪ ডিচেম্বৰৰ ১৯০৪ তাৰিখে অসম চৰকাৰৰ পি-কে-চৌধুৰী আছিল। তাত যিটো কাৰণত ৰাষ্টা লব নোৱাৰা হৈছে। কিন্তু কথা হৈছে পঁচিশ কোটি ইতিমধ্যে বৰকটকী দেৱে উইদ্ৰ কৰিব বুলি কৈছে। এইটো দুখৰ কথা। বাইদেৱে টকা যদি ঘূৰি গৈছে কিবা এটা কৰিব পাৰে। গুৱাহাটীৰ ৰাষ্টা হলে চৰ্টকাট হ্ব। আটাইকেইজন বিধায়ক পানীৰাম ৰাভা, প্ৰণয় ৰাভা সকলো বিলাকে মিলি মন্ত্ৰী মহোদয়ক প্ৰেচাৰ দিব লাগে অঞ্চলটোৰ বাসীন্দাৰ স্বাৰ্থত। মুখ্যমন্ত্ৰীয়েও যাব নোৱাৰে। আনো যাব নোৱাৰে আঙুলিৰ নখৰ ৰং যাব। উপাধ্যক্ষ মহোদয়, অসমৰ আটাইকেইজন ১২৬ জন বিধায়ক, এশ ছাবিশটা সমষ্টি, মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টি মিনিষ্টাৰৰ সমষ্টি এম-এল-এ, স্পীকাৰ ডেপুটি স্পীকাৰ সকলো আছে। সকলো সমষ্টিৰ কাৰণে সমবিতৰণ যাতে হয় সেইটো চাব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে দুই এটা বেছি লব, আপত্তি নাই। বাইদেৱে বেছি ললেও বেয়া নাপাওঁ কিন্তু বৃহি এন্ড লাৰ্জ সমবিতৰণ হলে ভাল পাম।

The meeting was Chaired by the Principal Secretary, Guwahati Development Department.

Initiating discussion, Principal Secretary Guwahati Development Department emphasised the importance of the road and stressed

on early action for widening and improvement of the road keeping in view of the National Games to be held in the later part of the next year i.e. 2005.

মাননীয় উপাধ্যক্ষ মহাশয়, তিতাবৰ খনেই অসম নহয়। অসম অসমেই চাৰ। এই গোটেই পইচা বিলাক সমবিতৰণ হব লাগে। মই এই কাৰণেই আজি এই প্ৰশ্নটো উৎথাপন কৰিছো যে চাৰ আজি আমাৰ অৱস্থা বেয়া হৈ গৈছে। মুখ্য মন্ত্ৰীয়ে অলপ বেছি লওক তাত আমাৰ আপত্তি কৰিব লগা নাই চাৰ। কিন্তু বিৰোধী দলত থাকি আমাক যদি একেবাৰে অবজ্ঞাৰ চকুৰে চায় তেতিয়া হলে আমি কি কৰিম আমাৰ কৰাৰ কি উপায় আছে এই বিভাগটো বৰ গুৰুত্বপূৰ্ণ বিভাগ। বাইদেউ অলপ বেছিকৈ নিয়ক তাতে মোৰ কবলগীয়া নাই কিন্তু আমাকো চাব লাগে। বাইদেউক মই কৈ আছো যে এবাৰ ধেমাজীলৈ যাব লাগে। ধেমাজীৰ পৰিস্থিতি চাই আহিব লাগে। ধেমাজীৰ মানুহৰ জীৱন নিৰ্বাহটো চাই আহিব লাগে। ধেমাজীৰ মানুহৰ কষ্ট কিমান সেইটো এদিন গৈ চাই আহিব লাগে। বাইদেউক মই কেবাবাৰো মাতিছো আৰু আশা কৰিছো তেখেতে এপ্ৰিলত এবাৰ গৈ চাই আহিব আৰু যোৱাৰ আগে আগে আমাক এবাৰ খবৰ দিলে ভাল পাম। বাইদেউৱে আমাক চকু মেলি চালে ভাল হয়। মই বাইদেউক মাছখোৱা ৰাষ্টাটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মাতিছিলো আৰু তেখেতে যাম বুলি প্ৰতিশ্ৰুতিও দিছিল কিন্তু বিশেষ অসুবিধাৰ বাবে যাব নোৱাৰিলে কিন্তু মই দেখুৱাই দিলো যে ১০ হেজাৰ মানুহ লৈ আধাৰশিলা স্থাপণ কৰিলো। আমাৰ নৱহ ডাঙৰীয়াও নগল আনকি তেখেতে মন্ত্ৰী হিচাবে এবাৰো বাইদেউক এই ৰাষ্টাটোৰ কথা এবাৰো নকলে। যা নহওক চাৰ এই বিভাগটো বাইদেউৰ হাতত আছে আমি ভাল পাইছো এটা কথা এই পইচা বিলাক যাতে সম বিতৰণ হয় সেইটোৰ প্ৰতি বাইদেউৱে লক্ষ্য ৰাখিলে ভাল পাম। আমাৰ এই অসম ৰাজ্যখনত১২৬ জন বিধায়ক আছো। প্ৰত্যেককে সমানে বিতৰণ কৰিলে নিশ্চয় আমাৰ ৰাজ্যখনৰ ৰাষ্টা ঘাট দলং যথেষ্টখিনি ভাল হব বুলি আমি আশা কৰিব পাৰো। উপাধ্যক্ষ মহাশয়, এই বিভাগটোৰ পৰা মানুহে বহুত আশা কৰে। এই কাৰনেই আশা কৰে যে যাতায়তেই হৈছে মানুহৰ ঘাই সম্বল। যাতায়ত নাথাকিলে একো নাই চাৰ। আজি ধেমাজীৰ একোটা ৰাষ্টাত ১০ ফুট পৰ্য্যন্ত বালি পৰি আছে আৰু ইতিমধ্যে বাৰিষা আহি পালেহি আৰু এতিয়া ধেমাজী, লক্ষীমপুৰ আদি ঠাইত বিৰাট বৰষুণ হৈ আছে তাতে চুৰেটাৰ নহলে মানুহে

থাকিব নোৱাৰে। আমি এতিয়া গুৱাহাটীত ৰুমত বহি ফেন লগাই আছো। কিন্তু উজনি অসমত বিৰাট বৰষুণ দি আছে। ১৯৯৬ চনত চাৰ মোৰ পাইলট কাৰ বাগৰি ড্ৰাইভাৰ সেই ধেমাজীৰ ৰাষ্টাৰে গৈ থাকোতে ৫০ ফুট তলত পৰি মোৰ ড্ৰাইভাৰ মৰি থাকিল চাৰ আৰু বৃন্দাবন গোস্বামীও কোনো মতেহে বাচি আহিছে চাৰ। আমাৰ ধেমাজীৰ ফালে সেই কাৰণে মন্ত্ৰী বিলাক যাব নিবিচাৰে চাৰ। যাবলৈ বিচাৰে ডিব্ৰুগড়, শিলচৰ আদি ঠাইলৈ চাৰ। আজি চাৰ ধেমাজীৰ মানুহৰ ৰাষ্টা ঘাট খোৱাপানীৰ আদিকে কৰি এশ এবুৰি সমস্যাৰে এই জিলাখন বৰ্তি আছে। আজি মই ধেমাজীৰ প্ৰতিনিধি হিচাবে কব বিচাৰিছো যে তাত যিখিনি মানুহ বসবাস কৰি আছে সকলো ফালৰ পৰাই আজি কষ্টত দিন কটাবলগীয়া হৈছে। মই সমষ্টিত তিনিমাহৰ পিচত এবাৰ যাও আৰু গলেই ২০/২৪ দিন থাকি আহো চাৰ। এইটো ঠিক যে ৰাইজে ৪ বাৰ প্ৰতিনিধি কৰি পঠিয়াইছে মোক কিয় পঠিয়াইছে সেইটো আপোনালোকে ভাবি চাওক। মই কব নালাগে। মই যাও সমষ্টিত যদি পুলিচৰ নিৰ্য্যাতন চলিছে আৰ্মিৰ আতিশায্য চলিছে আৰু বানপানীয়ে যদি তান্দব ৰূপ লৈছে তেতিয়া মই দিনে ৰাতিয়ে তাত গৈ জনসাধাৰণৰ লগত থাকো আৰু এইটো ঠিক যে মোক তাতে কোনেও ৰখাব নোৱাৰে। ভৰত নৰহৰ কথা মই নকও। আমাৰ মাননী মুখ্য মন্ত্ৰীয়ে তিতাবৰত অলপ বেচিকৈ নিয়াত আপত্তি কৰিব লগা নাই কিন্তু আমাকো তেখেতে অলপ চালে ভাল হয় কাৰণ মুখ্যমন্ত্ৰী হিচাবে অলপ নিবই বা লাগিবই কাৰণ পুনৰ নিৰ্বাচনত তেখেতে জিকি আহিব লাগিব নহয়। হাৰিয়ানাত যেনেকৈ এই চৌতালা হাৰি গ'ল সেইটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহাশয়ে খিয়াল কৰিব লাগিব নহয়। আমি কেৱল এই পইচা বিলাক সম বিতৰণ হোৱাটো বিচাৰো। মই নাথাকোতে আমাৰ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মহাশয়ে আমাৰ তাত খোৱা পানীৰ এটা আঁচনি আধাৰ শিলা স্থাপন কৰি আহিছে আৰু তেখেতে আমাৰ তাত গৈ ভাল পাইছে। আমি বিৰোধী দলত থাকিলেও তেওঁলোকক আমি সন্মান কৰো।

মাননীয় উপাধ্যক্ষ মহাশয়, আমাৰ তাত গলে সাধাৰণতে মন্ত্ৰী বা কোনোবা অন্য বিধায়কে গলে ভাল পাই আহে। আমি বাহিৰৰ পৰা কোনোবা গলে ভাল পাই অহাটোৰ ব্যৱস্থা কৰো। উপাধ্যক্ষ মহাশয় মই আপোনাৰ জৰিয়তে আজিৰ এই পৱিত্ৰ সদনত বাইদেউক কব বিচাৰিছো যে যিখিনি টকা পইচা পোৱা হয় সেইখিনি যাতে সমবিতৰণ কৰে তাৰ কাৰণে বাইদেউক মই অনুৰোধ জনাইছো আৰু ঘিলা মৰাৰ পৰা গুটি পুৰলৈ এই ৰাষ্টাটো অতি

গুৰুত্বপূৰ্ণ ৰাস্তা আৰু সেই ৰাস্তাৰ ওপৰত চাৰিখন পকাৰ দলং হৈছে আৰু ৰাষ্টা দলঙৰ কাম শেষ হৈ গৈছে যদিও কাম ভাল হোৱা নাই ঠিকাদাৰ জনৰ নাম মই নকওঁ আজি কিন্তু বাইদেউক এবাৰ সেই ৰাস্তাটো চাই আহিবৰ কাৰণে মই অনুৰোধ জনাইছো। এই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ ৰাস্তা। এই ৰাস্তাৰে অৰুণাচল পৰ্য্যন্ত যাব পাৰি। উপাধ্যক্ষ মহাশয়, আমাৰ বিষয়া সকলেও এই ক্ষেত্ৰত চাব লাগে কেৱল পাৰ্চেনটেজৰ ওপৰত থাকিলেই আমাৰ ৰাজ্যখনৰ উন্নতি নহব। কামো চাব লাগিব। আজি মাননীয় সদস্য এটোৱা মুন্দা ডাঙৰীয়া নাই তেখেতে ধেমাজীলৈ ১৫ আগষ্টত ফেলগ হোষ্টিং কৰিবলৈ যাওতে গাড়ী ৰাস্তাৰে যাব নোৱাৰিলে তাৰ পিচত অন্য ব্যৱস্থা জিলাই উপায়ুক্তই কৰি দিয়াৰ পিচতহে গ'ল। এই অৱস্থাত ধেমাজী আৰু লক্ষীমপুৰৰ মানুহৰ জীৱন নিৰ্বাহ চলি আছে। আমি জানিব পাৰিছো যে এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা পইচা আমাৰ চৰকাৰে লব বুলি জানিব পাৰি ভাল পাইছো কাৰণ আমাৰ ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত এই কাম বিলাক কৰা হব আৰু ৰাস্তা ঘাট দলং হব আৰু এই কাম বিলাক সুকলমে হলে আমাৰ ৰাজ্যখনৰ কাৰণে অতি ভাল হব। আমি ভাল পাইছো কাম হব লাগে। উপাধ্যক্ষ মহাশয়, মই বাইদেউৰ হাতত ৫৭ টা ৰাস্তাৰ এখন লিষ্ট দিছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহাশয়কো দিছো তেওঁলোকে ৰাখিছে ভাল পাইছো আৰু আশা কৰিছো কামো হব। মই ডব্লিউ পি টি মন্ত্ৰীকো দিছো কমিচনাৰকো দিছো তেওঁলোকে ৰাখিছে এই খিনি কৰিম বুলি কৈছে আমাৰ কাম হব লাগে। মাননীয় মুখ্য মন্ত্ৰীৰ পকী কৰণ আঁচনিৰ বাবে মই ৰাস্তাৰ লিষ্ট দিছো আৰু আশা কৰিছো কাম বিলাক গুৰুত্ব সহকাৰে লৈ কৰিব বুলি মই বিশ্বাস ৰাখিছো। এই টকা পইচা বিলাক সৎ ব্যৱহাৰ হব লাগে। কাম নকৰাকৈ পইচাবিলাক ভাগ ভাগ কৰি খালে কি হব। এই বিষয়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী আছে, বিভাগীয় মন্ত্ৰী আছে, বিষয়া আছে তেওঁলোকে এই বিলাক চাব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহাশয় কিছুদিনৰ আগতে যোৰহাটলৈ যাওঁতে নুমুলিগড়ত নামি ৰাস্তা চাবলগীয়া হোৱাটো কম দুৰ্ভাগ্যৰ কথানে? সেইটো কিয় হবলৈ পালে। এনেকুৱা ৰাস্তাৰ কাম হৈছে নেদেখিলে ভাবিব নোৱাৰি। উপাধ্যক্ষ মহাশয়, মই আপোনাৰ জৰিয়তে বাইদেউক পুনৰ কব বিচাৰিছো যে দিশপুৰৰ গাতে লাগি থকা দিশপুৰ মহাবিদ্যালয়ৰ ৰাস্তাটোৰ কাম কৰা আজি কিমান দিন হলনো পিটচ বিলাক এৰি গাত হবলৈ ধৰিছে এইটো কিয় হবলৈ পালে? পিটচ এৰি যোৱাৰ পিচত ডাঙৰ ডাঙৰ গাত হবলৈ ধৰিছে। এই যিটো আলকাটাৰা আছে বিহাৰৰ পৰা অনা বা ডিগবৈৰ পৰা অনা।

বিহাৰৰ পৰা অনা আলকাটাৰা ভাল সেইটো বিভাগীয় ইঞ্জিনীয়াৰ সকলে চাব লাগে কাৰণ বিজ্ঞানসন্মতভাৱে কিছুমান কথা চাই চিতিহে এই ৰাস্তাৰ কাম কৰা হয় সেইটোও চাব লাগে কেৱল পাৰ্চেনটেজৰ ওপৰত থাকিলেই নহব, নহয়। পইচা খাওক খাবই কাম কৰি খাওক একেবাৰে কাম নকৰাকৈ খালে আমাৰ ৰাজ্যখনৰ ক'ত উন্নতি হ'ব। পি এম জি ওৱাইৰ যি বিলাক ৰাস্তা বনাইছে সেই বিলাক যিমান ভাল হব লাগিছিল সিমান ভাল হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, সময় থাকোতে মাননীয়া মন্ত্ৰী বাইদেৱে ব্যৱস্থা লোৱাটো ভাল। এনেকুৱা বিষয়া আছে আমুকে অমুকৰ ৰাস্তাৰ কাৰণে ইমান বকিলে সেই ৰাস্তাটো নকৰো এই বুলি কৈ কাম নকৰা বিষয়াও আছে। এসময়ত পাৰ্লিয়ামেন্টত উত্তৰ দিবৰ বাবে হেম বৰুৱাক মাতি লৈ গ'ল। ৰুলিং পাৰ্টিৰ কাৰণে মাতি লৈ গ'ল। চৰকাৰে এই বিষয়াজনক এৰাল লগাব পাৰে। তেওঁ কামত ফাঁকি দিছে। ওভট গোৰে নাচিছে। কেতিয়াবা এনেকুৱা হয় বিভাগীয় মন্ত্ৰীয়ে বিষয়াক মাতিলে মন্ত্ৰীৰ কথা নুশুনে, কেতিয়াবা নহা নহয় আহে, মন্ত্ৰী কিবা কামত ব্যস্ত থাকিলে বিষয়াই ফাইল লৈ লৱালৰিকৈ মন্ত্ৰীৰ পৰা চহী কৰোৱাই লৈ যায়। মন্ত্ৰীয়ে চাবলৈ সময়কে নাপায়। পিচত কথাটো গম পালে ফাইলখন ঘূৰাই আনিবলৈ কলে কয় যে অৰ্ডাৰটো দি দিলে। এনেধৰণৰ কথাবিলাক গুৰুত্ব সহকাৰে নললে পিচত সাংঘাটিক অৱস্থা হয়। মাননীয়া মন্ত্ৰী বাইদেৱে গোলাঘাট সমষ্টিত ৰাস্তাৰ কাম কৰিছে হয়, ভাল কৰিছে। অসম সীমান্ত অঞ্চলত চাৰিওফালে হাহাকাৰ অৱস্থা। বৰাকভেলিতো বনাওক। অসমত ২৭ খন জিলা আছে ১২৬ টা সমষ্টি। এই ১২৬ জনক ১-২-৩ কৰি মালা এডাল লৈ গন্তি কৰি দি থাকক।

মাননীয় উপাধ্যক্ষ মহোদয়, মখ্যমন্ত্ৰী আঁচনিত তত্‌কালে কাম কৰাত যাতে ভালদৰে কাম কৰে সেইলৈ আমি আশা ৰাখিছো দলৰ উদ্ধত থাকি দলৰ কাম কৰক। এইবাৰ দিলীপ শইকীয়াক হৰুৱাই অসমখনক সোণৰ অসমলৈ গঢ়ি তোলক। মই ৪ (চাৰি) বাৰ বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছো। গণতন্ত্ৰৰ প্ৰতি 'ফেডাপ' হৈছো। গুৱাহাটীৰ ৰাস্তা হলে অসমৰ ৰাষ্টা হোৱা বুলি নকয়। ৰাষ্টাৰ নামত দিয়া টকা ঘূৰাই লৈ গ'ল। কাহিলীপাৰা ৰাষ্টাটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ২৫ কোটি টকা দিছিল। মাননীয় বিধায়ক পানীৰাম ৰাভা, মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মা আৰু কেইজনমান বিধায়কক লৈ এখন উপদেষ্টা কমিটি গঠন কৰা হৈছিল। টকাটো কিয় ঘূৰি যাবলগীয়া হ'ল ইয়াৰ এটা স্পিচিয়েল

তদন্ত হলে ভাল হয়। তদন্ত কৰিবৰ কাৰণে বহুত 'চেল' আছে, চি, আই, ডি চেল আছে, মুখ্যমন্ত্ৰী ভিজিলেঞ্চ চেল আছে। ইয়াৰ তদন্ত হওক। তদন্ত হলে কোনোবাই খুউৰ ফুৰ্টি পায়। সেইকাৰণে নিৰপেক্ষ তদন্ত হোৱাটো বিচাৰিছো। এটা ৰাষ্টাৰ কাৰণে ৫ (পাঁচ) বাৰ টকা দিয়ে নেকি? এইটোৰ কাৰণে উচ্চ ন্যায়ালয় চিটিং জাৰ্জৰ জৰিয়তে তদন্ত হওঁক। এই বিভাগটোক টকা দিবলৈ কৈছে, তেখেতে যিটো কাট মোচন আনিছে সেইটো আমি বিৰোধিতা কৰিছো। গণতন্ত্ৰত এইবিলাক থাকেই মাননীয়া মন্ত্ৰী বাইদেউক মই পুনৰ বাৰ আহ্বান জনাইছো আমাৰ তাত বিহু খাবলৈ আহে যেন আৰু লগতে মোৰ সমষ্টিৰ ৰাষ্টাবোৰ ও চাই যায় যেন।

(মাননীয় উপাধ্যক্ষৰ সলনি মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসন গ্ৰহণ কৰে)।

**মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যই চাপ্লিমেনটাৰি ডিমাণ্ডৰ ওপৰতে বক্তব্য ৰাখিব।**

★**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাট মোচনটো সমৰ্থন জনাই মই দুষাৰ কব বিচাৰিছো। অসমৰ ৰাস্তা ঘাটবোৰৰ অৱস্থা কেনেকুৱা মোৰ আগৰ মাননীয় সদস্যই বৰ্ণনা দি গৈছে। পুনৰ কোৱাৰ প্ৰয়োজন নাই বুলি মই ভাবো। আমাৰ ইয়াত প্ৰাক্তন মন্ত্ৰী এজনক সুধিছিলো যে আমাৰ সমষ্টিত ভগা দলং কেইখন আছে, তেখেতে ১৪ খন আছে বুলি কলে। সেই ভগা দলংবোৰ আজিলৈকে মেৰামতি কৰা নাই। কেতিয়া কৰিব? বাৰিষাৰ আগে আগে এই দলংবোৰ কেনেকৈ বনাব পাৰি তাৰ চিন্তা চৰ্চা কৰি তত্কালীন ব্যৱস্থা লব লাগে। মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ব্ৰীজৰ কাম কৰিবলৈ অনভিজ্ঞ লোকক দিব নালাগে। এই কাৰণেই মই কব বিচাৰিছো ধুবুৰীত চুৰেণ দাস নামৰ ইঞ্জিনীয়াৰ জনে এজন লোকৰ দ্বাৰা দলং ৰিপিয়াৰিং কৰাৰ কিছুদিনৰ পিচত এখন ট্ৰাক যাওঁতে দলংখন ভাগি ট্ৰাকখন পৰি গ'ল। কমিশ্যনৰ কথা আহিলে এইটো হয়। অনভিজ্ঞ লোকক কামত নিয়োগ কৰিলে কোটি কোটি টকা খৰছ কৰিলেও দলংৰ কাম ভাল নহব। গতিকে যাক দায়িত্ব দিয়া যায় তেওঁ সেই দায়িত্ব ভালদৰে পালন কৰিব লাগে। নহলে অৰ্থৰ লগতে ৰাইজৰো হানি হয়। কোন কোন জিলাত কিমান অদক্ষলোক আছে সেই সকলক আতৰাই সেই ঠাইত অভিজ্ঞতা সম্পন্ন দক্ষ মানুহ নিয়োগ কৰক। চৰকাৰে যিমান টকা খৰছ কৰে সেইমতে কাম নহয়।

★ *Speech not corrected*

ৰাস্তা বিলাকৰ অৱস্থা একেবাৰে বেয়া। আমাৰ মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কাহিলীপাৰাৰ ৰাস্তাটোৰ কথা কৈছে। চহৰৰ ৰাস্তাৰ যদি এনেকুৱা দুখলগা অৱস্থা হয় গাওঁৰ ৰাস্তা কেনেকুৱা হ'ব? গতিকে এই ৰাস্তা বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। গাওঁৰ ৰাস্তা বিলাক বোকাময় হৈ থাকে। বোকা হলেও গাওঁৰ ৰাস্তাৰে খোজ কাঢ়ি যাব পাৰি। কিন্তু সেই ৰাস্তা বিলাকৰ ওপৰত দলং নথকাৰ কাৰণে খোজকাঢ়িও মানুহে অহা যোৱা কৰিব নোৱাৰে। নৈৰ ইফালেও ৰাস্তা আছে আৰু সিফালেও ৰাস্তা আছে। কিন্তু দলং নথকাৰ কাৰণে মানুহে খোজ কাঢ়ি অহা যোৱা কৰিব নোৱাৰে। সেই কাৰণে চৰকাৰে ৰাস্তা নিৰ্ম্মাণ কৰাৰ ক্ষেত্ৰত দলং নিৰ্ম্মাণৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। গড়কাপ্তানী বিভাগৰ এনেকুৱা অৱস্থা হৈছে ইফালেও ৰাস্তা আছে সিফালেও ৰাস্তা আছে মাজত দলং নাই। ৰাস্তাৰ মাজত যিহেতু নৈ থাকে গতিকে দলং নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে। দলং নবনোৱাকৈ ৰাস্তা বনালে তাৰ কোনো কাম নাই। সেই কাৰণে ইনইফিচিয়েন্ট মানুহৰ ঠাইত ইফিচিয়েন্ট মানুহ নিয়োগ কৰিব লাগে। ইফিচিয়েন্ট মানুহক কামৰ দায়িত্ব দিলেহে ভাল কাম হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্ৰেন্ট নং ৬৪ত গড়কাপ্তানী বিভাগে যিটো ৭ কোটি টকাৰ এপ্ৰোভেল বিচাৰিছে তাৰ ওপৰত কাট মোচন অনা হৈছে। কাট মোচনৰ ওপৰত মই কব বিচাৰিছো যে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে এই হাউচত যি ৭ কোটি টকা বিচাৰিছে তাৰে কেন্দ্ৰীয় চেন্ট্ৰেল বোৰ্ডৰ ফাণ্ডৰ কাৰণে ৪ কোটি টকা আৰু ষ্টেট ফাণ্ডৰ কাৰণে ৩ কোটি টকাৰ এপ্ৰোভেল বিচাৰিছে। আমাৰ ৰাজ্যখনত ৰাস্তা-ঘাট, দলং নিৰ্ম্মাণৰ কাৰণে টকাৰ আৱশ্যক হয়। কিন্তু আমাৰ মাননীয় বিৰোধী দলৰ সদস্য সকলে যেনেকুৱা ধৰণৰ কথা কৈছে তাত মইও একমত। এই বিভাগটো দুৰ্নীতিপূৰ্ণ বিভাগ বুলি কব পাৰি। ১৯৯১ চনৰ পৰা মই এম, এল, এ হৈ আহিছো। এই বিভাগৰ কিছুমান কাম কাজ চাবৰ কাৰণে মই সুবিধা পাই আহিছো। ১৯৮৮ চনৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে গড়কাপ্তানী বিভাগতো এনেকুৱা এটা বিভাগত পৰিণত হৈছে তাক বৰ্ণনা কৰিব নোৱাৰি। গড়কাপ্তানী বিভাগৰ কামকাজত বহুত অনিয়ম হোৱা কাৰণে তেতিয়া এখন হাউচ কমিটি গঠন কৰা হৈছিল। তাত ময়ো মেম্বাৰ আছিলো। ১৯৮৮,১৯৯১,১৯৯২,১৯৯৩,১৯৯৪ চনৰ এই সময় চোৱালৈকে বাংলাদেশ বোৰ্ডাৰত ৰাস্তা নিৰ্ম্মাণ কৰাৰ কাৰণে বহুত টকা ধৰা হৈছিল। সেই ৰাস্তা নিৰ্ম্মাণ কৰাৰ কাৰণে যিটো টকা এলোকেচন দিয়া হৈছিল

---

★ *Speech not corrected*

তাতকৈ বহুত বেচি টকা খৰচ কৰা আমি দেখিবলৈ পাইছো। বেচি টকা খৰচ কৰাত আমাৰ আপত্তি নাই। কিন্তু বেচি টকা খৰচ কৰাৰ পিচতো যদি ৰাস্তা নিৰ্ম্মাণ কৰা হলহেতেন তেতিয়াহলে আমাৰ কবলগীয়া নাছিল। ৰাস্তা নিৰ্ম্মাণ কৰাৰ আগতে ডিষ্টিংলি কোনো স্কীম লোৱা আমি দেখিবলৈ পোৱা নাই। সেই ৰাস্তাবিলাক নিৰ্ম্মাণ কৰাৰ কৰাৰ সলনি আমি বহুত টকাৰ চিমেন্টহে কিনা দেখিবলৈ পাইছো। এনেকুৱাকৈ চিমেন্ট কিনিছে যে বাজেটত ধাৰ্য্য কৰা ধনতকৈ বহুত বেচি টকা খৰচ কৰা আমি দেখিবলৈ পাইছো। কিন্তু সেই টকাতো চিমেন্ট কিনাতকৈ ৰাস্তা নিৰ্ম্মাণৰ কামতহে খৰচ কৰিব লাগিছিল। সেই চিমেন্ট বিলাক এনেয়ে নষ্ট হৈ গ'ল। তাৰ কাৰণে বহুত কোটি টকাৰ অপচয় হৈছে। সেয়েহে এই বিভাগটো দুৰ্নীতিপূৰ্ণ বিভাগ বুলি কব পাৰি। এই বিভাগটোত এনেকুৱা ধৰণৰ কনভেনচন হৈ থাকে। থলুৱা মানুহ বিলাকে নিবিদা দিয়া স্বত্তেও তেওঁলোকক কাম নিদি একশ্ৰেণীৰ ধনী মানুহকে কাম দিয়া আমি দেখিবলৈ পাইছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই স্বচ্ছ আৰু নিকা প্ৰশাসনৰ লগতে নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে দায়িত্ব লব বুলিও কৈছিল। কিন্তু যেনেকুৱা ধৰণৰ কথা কৈছিল তেনেকুৱা ধৰণে স্থানীয় ভাবে নিবনুৱা সমস্যা সমাধানৰ কাৰণে কোনো ধৰণৰ চেষ্টা কৰা দেখা নাপালো। মই কি কথা কবলৈ ওলাইছো মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে ঠিকেই ধৰিছে। মই কিছু কথা কবলৈ ওলাইছো কাৰণ মই তেখেতৰ লগত যোগাযোগ কৰিছো। আপোনালোকে মই মোৰ সমষ্টিৰ কথা কৈছো বুলি কলেই নহব। যোৱা ২৫ ফেব্ৰুৱাৰী তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত বঙ্গাইগাওঁৰ প্ৰতিদিন সংবাদ মাধ্যমে প্ৰকাশ কৰা 'নিম্ন মানৰ কামেৰে ঠিকাদাৰৰ লুণ্ঠন ৰাষ্ট্ৰীয় পথ নিৰ্ম্মাণত ধনৰ অপচয় শীৰ্ষক বাতৰি এটা প্ৰকাশ পাইছে। অভয়াপুৰী সমষ্টিত ৰাষ্ট্ৰীয় পথ নিৰ্ম্মাণ কৰিবৰ কাৰণে ১৪ কোটি টকাৰ এলোকেচন আৰু চেংচন দিয়া হৈছিল। সেই ১৪ কোটি টকাৰ কাম মাৰোৱাৰী ঠিকাদাৰক দিয়া হৈছিল। মাৰোৱাৰী ঠিকাদাৰেই হওক ষ্টেণ্ডাৰ্ড কাম কৰিলে আমাৰ কবলগীয়া একো নাছিল। কিন্তু একেবাৰেই নিম্ন মানৰ কাম কৰিছে। ৰাস্তাটো যেনেকুৱা ধৰণে নিৰ্ম্মাণ কৰিব লাগিছিল তেনেকুৱা ধৰণে নিৰ্ম্মাণ কৰা হোৱা নাই। ৰাস্তাটো নিৰ্ম্মাণ কৰাৰ কেইদিন মান পিচতেই গাড়ী চলাৰ পিচত ৰাস্তাৰ ওপৰত খালৰ সৃষ্টি হ'ল। তাৰ পিচত সেই খাল বিলাক ফিল আপ কৰা হ'ল। সেই ৰাস্তাত যেনেকুৱা ধৰণৰ শিল দিব লাগিছিল তেনেকুৱা ধৰণৰ শিল দিয়া নাই। তাত নিম্ন মানৰ শিলহে দিয়া হৈছে। ইয়াৰ উপৰিও তাত যেনেকুৱা ধৰণৰ বিটুমেন

বিহাৰৰ পৰা অনা আলকাটাৰা ভাল সেইটো বিভাগীয় ইঞ্জিনীয়াৰ সকলে চাব লাগে কাৰণ বিজ্ঞানসন্মতভাৱে কিছুমান কথা চাই চিতিহে এই ৰাস্তাৰ কাম কৰা হয় সেইটোও চাব লাগে কেৱল পাৰ্চেনটেজৰ ওপৰত থাকিলেই নহব, নহয়। পইচা খাওক খাবই কাম কৰি খাওক একেবাৰে কাম নকৰাকৈ খালে আমাৰ ৰাজ্যখনৰ ক'ত উন্নতি হব। পি এম জি ওৱাইৰ যি বিলাক ৰাস্তা বনাইছে সেই বিলাক যিমান ভাল হব লাগিছিল সিমান ভাল হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, সময় থাকোতে মাননীয়া মন্ত্ৰী বাইদেৱে ব্যৱস্থা লোৱাটো ভাল। এনেকুৱা বিষয়া আছে আমুকে অমুকৰ ৰাস্তাৰ কাৰণে ইমান বকিলে সেই ৰাস্তাটো নকৰো এই বুলি কৈ কাম নকৰা বিষয়াও আছে। এসময়ত পাৰ্লিয়ামেন্টত উত্তৰ দিবৰ বাবে হেম বৰুৱাক মাতি লৈ গ'ল। ৰুলিং পাৰ্টিৰ কাৰণে মাতি লৈ গ'ল। চৰকাৰে এই বিষয়াজনক এৰাল লগাব পাৰে। তেওঁ কামত ফাঁকি দিছে। ওভট গোৰে নাচিছে। কেতিয়াবা এনেকুৱা হয় বিভাগীয় মন্ত্ৰীয়ে বিষয়াক মাতিলে মন্ত্ৰীৰ কথা নুশুনে, কেতিয়াবা নহা নহয় আহে, মন্ত্ৰী কিবা কামত ব্যস্ত থাকিলে বিষয়াই ফাইল লৈ লৰালৰিকৈ মন্ত্ৰীৰ পৰা চহী কৰোৱাই লৈ যায়। মন্ত্ৰীয়ে চাবলৈ সময়কে নাপায়। পিচত কথাটো গম পালে ফাইলখন ঘূৰাই আনিবলৈ কলে কয় যে অৰ্ডাৰটো দি দিলে। এনেধৰণৰ কথাবিলাক গুৰুত্ব সহকাৰে নললে পিচত সাংঘাটিক অৱস্থা হয়। মাননীয়া মন্ত্ৰী বাইদেৱে গোলাঘাট সমষ্টিত ৰাস্তাৰ কাম কৰিছে হয়, ভাল কৰিছে। অসম সীমান্ত অঞ্চলত চাৰিওফালে হাহাকাৰ অৱস্থা। বৰাকভেলিতো বনাওক। অসমত ২৭ খন জিলা আছে ১২৬ টা সমষ্টি। এই ১২৬ জনক ১-২-৩ কৰি মালা এডাল লৈ গন্তি কৰি দি থাকক।

মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী আঁচনিত তত্কালে কাম কৰাত যাতে ভালদৰে কাম কৰে সেইলৈ আমি আশা ৰাখিছো দলৰ উদ্ধত থাকি দলৰ কাম কৰক। এইবাৰ দিলীপ শইকীয়াক হৰুৱাই অসমখনক সোণৰ অসমলৈ গঢ়ি তোলক। মই ৪ (চাৰি) বাৰ বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছো। গণতন্ত্ৰৰ প্ৰতি 'ফেডাপ' হৈছো। গুৱাহাটীৰ ৰাস্তা হলে অসমৰ ৰাষ্টা হোৱা বুলি নকয়। ৰাষ্টাৰ নামত দিয়া টকা ঘূৰাই লৈ গ'ল। কাহিলীপাৰা ৰাষ্টাটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ২৫ কোটি টকা দিছিল। মাননীয় বিধায়ক পানীৰাম ৰাভা, মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মা আৰু কেইজনমান বিধায়কক লৈ এখন উপদেষ্টা কমিটি গঠন কৰা হৈছিল। টকাটো কিয় ঘূৰি যাবলগীয়া হ'ল ইয়াৰ এটা স্পিচিয়েল

তদন্ত হলে ভাল হয়। তদন্ত কৰিবৰ কাৰণে বহুত 'চেল' আছে, চি, আই, ডি চেল আছে, মুখ্যমন্ত্ৰী ভিজিলেঞ্চ চেল আছে। ইয়াৰ তদন্ত হওক। তদন্ত হলে কোনোবাই খুউব ফুৰ্টি পায়। সেইকাৰণে নিৰপেক্ষ তদন্ত হোৱাটো বিচাৰিছো। এটা ৰাষ্টাৰ কাৰণে ৫ (পাঁচ) বাৰ টকা দিয়ে নেকি? এইটোৰ কাৰণে উচ্চ ন্যায়ালয় চিটিং জাৰ্জৰ জৰিয়তে তদন্ত হওঁক। এই বিভাগটোক টকা দিবলৈ কৈছে, তেখেতে যিটো কাট মোচন আনিছে সেইটো আমি বিৰোধিতা কৰিছো। গণতন্ত্ৰত এইবিলাক থাকেই মাননীয়া মন্ত্ৰী বাইদেউক মই পুনৰ বাৰ আহ্বান জনাইছো আমাৰ তাত বিহু খাবলৈ আহে যেন আৰু লগতে মোৰ সমষ্টিৰ ৰাষ্টাবোৰ ও চাই যায় যেন।

(মাননীয় উপাধ্যক্ষৰ সলনি মাননীয় অধ্যক্ষ মহোদয় অধ্যক্ষৰ আসন গ্ৰহণ কৰে)।

**মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যই চাপ্লিমেনটাৰি ডিমাণ্ডৰ ওপৰতে বক্তব্য ৰাখিব।**

★**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাট মোচনটো সমৰ্থন জনাই মই দুষাৰ কব বিচাৰিছো। অসমৰ ৰাস্তা ঘাটবোৰৰ অৱস্থা কেনেকুৰা মোৰ আগৰ মাননীয় সদস্যই বৰ্ণনা দি গৈছে। পুনৰ কোৱাৰ প্ৰয়োজন নাই বুলি মই ভাবো। আমাৰ ইয়াত প্ৰাক্তন মন্ত্ৰী এজনক সুধিছিলো যে আমাৰ সমষ্টিত ভগা দলং কেইখন আছে, তেখেতে ১৪ খন আছে বুলি কলে। সেই ভগা দলংবোৰ আজিলৈকে মেৰামতি কৰা নাই। কেতিয়া কৰিব? বাৰিষাৰ আগে আগে এই দলংবোৰ কেনেকৈ বনাব পাৰি তাৰ চিন্তা চৰ্চা কৰি তত্কালীন ব্যৱস্থা লব লাগে। মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ব্ৰীজৰ কাম কৰিবলৈ অনভিজ্ঞ লোকক দিব নালাগে। এই কাৰণেই মই কব বিচাৰিছো ধুবুৰীত চুৰেণ দাস নামৰ ইঞ্জিনীয়াৰ জনে এজন লোকৰ দ্বাৰা দলং ৰিপিয়াৰিং কৰাৰ কিছুদিনৰ পিছত এখন ট্ৰাক যাওঁতে দলংখন ভাগি ট্ৰাকখন পৰি গ'ল। কমিশ্যনৰ কথা আহিলে এইটো হয়। অনভিজ্ঞ লোকক কামত নিয়োগ কৰিলে কোটি কোটি টকা খৰছ কৰিলেও দলংৰ কাম ভাল নহব। গতিকে যাক দায়িত্ব দিয়া যায় তেওঁ সেই দায়িত্ব ভালদৰে পালন কৰিব লাগে। নহলে অৰ্থৰ লগতে ৰাইজৰো হানি হয়। কোন কোন জিলাত কিমান অদক্ষলোক আছে সেই সকলক আতৰাই সেই ঠাইত অভিজ্ঞতা সম্পন্ন দক্ষ মানুহ নিয়োগ কৰক। চৰকাৰে যিমান টকা খৰছ কৰে সেইমতে কাম নহয়।

---

★ *Speech not corrected*

ৰাষ্টা বিলাকৰ অৱস্থা একেবাৰে বেয়া। আমাৰ মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কাহিলীপাৰাৰ ৰাষ্টাটোৰ কথা কৈছে। চহৰৰ ৰাষ্টাৰ যদি এনেকুৱা দুখলগা অৱস্থা হয় গাওঁৰ ৰাষ্টা কেনেকুৱা হব? গতিকে এই ৰাষ্টা বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। গাওঁৰ ৰাষ্টা বিলাক বোকাময় হৈ থাকে। বোকা হলেও গাওঁৰ ৰাষ্টাৰে খোজ কাঢ়ি যাব পাৰি। কিন্তু সেই ৰাষ্টা বিলাকৰ ওপৰত দলং নথকাৰ কাৰণে খোজকাঢ়িও মানুহে অহা যোৱা কৰিব নোৱাৰে। নৈৰ ইফালেও ৰাষ্টা আছে আৰু সিফালেও ৰাষ্টা আছে। কিন্তু দলং নথকাৰ কাৰণে মানুহে খোজ কাঢ়ি অহা যোৱা কৰিব নোৱাৰে। সেই কাৰণে চৰকাৰে ৰাষ্টা নিৰ্ম্মাণ কৰাৰ ক্ষেত্ৰত দলং নিৰ্ম্মাণৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। গড়কাপ্তানী বিভাগৰ এনেকুৱা অৱস্থা হৈছে ইফালেও ৰাষ্টা আছে সিফালেও ৰাষ্টা আছে মাজত দলং নাই। ৰাষ্টাৰ মাজত যিহেতু নৈ থাকে গতিকে দলং নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে। দলং নবনোৱাকৈ ৰাষ্টা বনালে তাৰ কোনো কাম নাই। সেই কাৰণে ইনইফিচিয়েন্ট মানুহৰ ঠাইত ইফিচিয়েন্ট মানুহ নিয়োগ কৰিব লাগে। ইফিচিয়েন্ট মানুহক কামৰ দায়িত্ব দিলেহে ভাল কাম হব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, গ্ৰেন্ট নং ৬৪ত গড়কাপ্তানী বিভাগে যিটো ৭ কোটি টকাৰ এপ্ৰোভেল বিচাৰিছে তাৰ ওপৰত কাট মোচন অনা হৈছে। কাট মোচনৰ ওপৰত মই কব বিচাৰিছো যে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে এই হাউচত যি ৭ কোটি টকা বিচাৰিছে তাৰে কেন্দ্ৰীয় চেন্ট্ৰেল বোৰ্ডৰ ফান্ডৰ কাৰণে ৪ কোটি টকা আৰু ষ্টেট ফান্ডৰ কাৰণে ৩ কোটি টকাৰ এপ্ৰোভেল বিচাৰিছে। আমাৰ ৰাজ্যখনত ৰাষ্টা-ঘাট, দলং নিৰ্ম্মাণৰ কাৰণে টকাৰ আৱশ্যক হয়। কিন্তু আমাৰ মাননীয় বিৰোধী দলৰ সদস্য সকলে যেনেকুৱা ধৰণৰ কথা কৈছে তাত মইও একমত। এই বিভাগটো দুৰ্নীতিপূৰ্ণ বিভাগ বুলি কব পাৰি। ১৯৯১ চনৰ পৰা মই এম, এল, এ হৈ আহিছো। এই বিভাগৰ কিছুমান কাম কাজ চাবৰ কাৰণে মই সুবিধা পাই আহিছো। ১৯৮৮ চনৰ পৰা আৰম্ভ কৰি এতিয়ালৈকে গড়কাপ্তানী বিভাগতো এনেকুৱা এটা বিভাগত পৰিণত হৈছে তাক বৰ্ণনা কৰিব নোৱাৰি। গড়কাপ্তানী বিভাগৰ কামকাজত বহুত অনিয়ম হোৱা কাৰণে তেতিয়া এখন হাউচ কমিটি গঠন কৰা হৈছিল। তাত ময়ো মেম্বাৰ আছিলো। ১৯৮৮,১৯৯১,১৯৯২,১৯৯৩,১৯৯৪ চনৰ এই সময় চোৱালৈকে বাংলাদেশ বোৰ্ডাৰত ৰাষ্টা নিৰ্ম্মাণ কৰাৰ কাৰণে বহুত টকা ধৰা হৈছিল। সেই ৰাষ্টা নিৰ্ম্মাণ কৰাৰ কাৰণে যিটো টকা এলোকেচন দিয়া হৈছিল

★ *Speech not corrected*

তাতকৈ বহুত বেচি টকা খৰচ কৰা আমি দেখিবলৈ পাইছো। বেচি টকা খৰচ কৰাত আমাৰ আপত্তি নাই। কিন্তু বেচি টকা খৰচ কৰাৰ পিচতো যদি ৰাস্তা নিৰ্মাণ কৰা হলহেতেন তেতিয়াহলে আমাৰ কবলগীয়া নাছিল। ৰাস্তা নিৰ্মাণ কৰাৰ আগতে ডিষ্টিংলি কোনো স্কীম লোৱা আমি দেখিবলৈ পোৱা নাই। সেই ৰাস্তাবিলাক নিৰ্মাণ কৰাৰ কৰাৰ সলনি আমি বহুত টকাৰ চিমেন্টহে কিনা দেখিবলৈ পাইছো। এনেকুৱাকৈ চিমেন্ট কিনিছে যে বাজেটত ধাৰ্য্য কৰা ধনতকৈ বহুত বেচি টকা খৰচ কৰা আমি দেখিবলৈ পাইছো। কিন্তু সেই টকাতো চিমেন্ট কিনাতকৈ ৰাস্তা নিৰ্মাণৰ কামতহে খৰচ কৰিব লাগিছিল। সেই চিমেন্ট বিলাক এনেয়ে নষ্ট হৈ গ'ল। তাৰ কাৰণে বহুত কোটি টকাৰ অপচয় হৈছে। সেয়েহে এই বিভাগটো দুৰ্নীতিপূৰ্ণ বিভাগ বুলি কব পাৰি। এই বিভাগটোত এনেকুৱা ধৰণৰ কনভেনচন হৈ থাকে। থলুৱা মানুহ বিলাকে নিবিদা দিয়া স্বত্তেও তেওঁলোকক কাম নিদি একশ্ৰেণীৰ ধনী মানুহকে কাম দিয়া আমি দেখিবলৈ পাইছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই স্বচ্ছ আৰু নিকা প্ৰশাসনৰ লগতে নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে দায়িত্ব লব বুলিও কৈছিল। কিন্তু যেনেকুৱা ধৰণৰ কথা কৈছিল তেনেকুৱা ধৰণে স্থানীয় ভাবে নিবনুৱা সমস্যা সমাধানৰ কাৰণে কোনো ধৰণৰ চেষ্টা কৰা দেখা নাপালো। মই কি কথা কবলৈ ওলাইছো মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে ঠিকেই ধৰিছে। মই কিছু কথা কবলৈ ওলাইছো কাৰণ মই তেখেতৰ লগত যোগাযোগ কৰিছো। আপোনালোকে মই মোৰ সমষ্টিৰ কথা কৈছো বুলি কলেই নহব। যোৱা ২৫ ফেব্ৰুৱাৰী তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত বঙ্গাইগাওঁৰ প্ৰতিদিন সংবাদ মাধ্যমে প্ৰকাশ কৰা 'নিম্ন মানৰ কামেৰে ঠিকাদাৰৰ লুণ্ঠন ৰাষ্ট্ৰীয় পথ নিৰ্মাণত ধনৰ অপচয় শীৰ্ষক বাতৰি এটা প্ৰকাশ পাইছে। অভয়াপুৰী সমষ্টিত ৰাষ্ট্ৰীয় পথ নিৰ্মাণ কৰিবৰ কাৰণে ১৪ কোটি টকাৰ এলোকেচন আৰু চেংচন দিয়া হৈছিল। সেই ১৪ কোটি টকাৰ কাম মাৰোৱাৰী ঠিকাদাৰক দিয়া হৈছিল। মাৰোৱাৰী ঠিকাদাৰেই হওক ষ্টেন্ডাৰ্ড কাম কৰিলে আমাৰ কবলগীয়া একো নাছিল। কিন্তু একেবাৰেই নিম্ন মানৰ কাম কৰিছে। ৰাস্তাটো যেনেকুৱা ধৰণে নিৰ্মাণ কৰিব লাগিছিল তেনেকুৱা ধৰণে নিৰ্মাণ কৰা হোৱা নাই। ৰাস্তাটো নিৰ্মাণ কৰাৰ কেইদিন মান পিচতেই গাড়ী চলাৰ পিচত ৰাস্তাৰ ওপৰত খালৰ সৃষ্টি হ'ল। তাৰ পিচত সেই খাল বিলাক ফিল আপ কৰা হ'ল। সেই ৰাস্তাত যেনেকুৱা ধৰণৰ শিল দিব লাগিছিল তেনেকুৱা ধৰণৰ শিল দিয়া নাই। তাত নিম্ন মানৰ শিলহে দিয়া হৈছে। ইয়াৰ উপৰিও তাত যেনেকুৱা ধৰণৰ বিটুমেন

দিব লাগে তেনেকুৱা ধৰণৰ বিটুমেন দিয়া হোৱা নাই। তাত বহুত কম পৰিমাণৰ বিটুমেন দিয়া হৈছে। সেই ৰাষ্টাতোৰ কাৰণে কিমান টকা এলোকেচন দিছিল সেইটো ৰাইজে জানিব পৰা নাই। সেই ৰাষ্টাটোৰ কাম একেবাৰে নিম্ন মানদণ্ডৰ হৈছে। টেকনিকেলী কেনেকুৱা ধৰণৰ কাম হব লাগে সেইটো আমি নেজানো। আন টেকনিকেল মানুহ বিলাকে সেই ৰাষ্টাটোৰ কাম নিম্ন মানদণ্ডৰ হৈছে বুলি প্ৰতিক্ৰীয়া প্ৰকাশ কৰিছে। অকল বঙ্গাইগাওঁৰ ফালৰ পৰাই এইটো অভিযোগ পাইছে বুলি কব নোৱাৰিম। গোটেই অসমতেই এনেকুৱা কাম কৰাৰ খবৰ পাইছো। এম, এল, সিংঘী, অশোক সিংঘী আৰু জি, এল, সিংঘী এই তিনিওজন একে দাদাই বেলেগ বেলেগ নামত ফাৰ্ম ৰেজিষ্টাৰ কৰি ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগতে অন্য পথতো নিবিদা দিয়ে।

প্ৰায় ১৫ টা পেকেজৰ ৰাষ্টাৰ ঘাই পথৰ কামৰ আৱন্টন পাইছে। যিটো সময়ত আমাৰ অসমৰ চাৰ, ৪০ লাখ নিবনুৱা আছে সেই সকলক সংস্থাপন দিয়াৰ কাৰণে কি ব্যৱস্থা লৈছে? আমাৰ থলুৱা ঠিকাদাৰ সকল যেনে ভাগ্য কলিতা যদিও তেখেত বিতৰ্কিত তেখেতৰ কিছুমান বেয়া কামৰ কথা আমি জানো তথাপি থলুৱা ঠিকাদাৰ হিচাবে তেখেতক একেবাৰে গুম কৰি দিয়া হৈছে, থলুৱা ঠিকাদাৰ হিচাবে এই ব্যৱস্থা হ'ব নালাগে। অথচ অশোক সিংঘী আৰু মাংগিলা সিংঘী নামৰ লোক কেইজনক আৱন্টন দিয়াৰ ব্যৱস্থা কৰিছে। মই আপত্তি কৰিছিলো যে থলুৱা ঠিকাদাৰক দিব লাগে মন্ত্ৰী মহোদয়ে আশ্বাসো দিছিল ব্যৱস্থা লোৱা হব বুলি। মাননীয়া মন্ত্ৰী মহোদয়াই অশোক আৰু মাঙ্গিলা সিংঘিক মাতি পঠালে, কিন্তু তেওঁলোক অহা নাই, শুনিবলৈ পাইছো বেমাৰত পৰি আছে। যবৰদস্তি কাম পোৱাৰ এইবিলাক তেওঁলোকৰ পলিচি। আমাৰ কোকৰাঝাৰ জিলাত দ্ৰুত গতিত কাম কৰিছে, এমাহো নহল এক কিলো মিটাৰ ৰাষ্টা পি এম জি ওৱাইয়ে সম্পূৰ্ণ কৰিলে।

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত পাথৰ পেলাইছে, তাত যাতে থলুৱা ঠিকাদাৰ সকলে সুবিধা পায় সেই কথা মই উল্লেখ কৰিছিলো। কিন্তু তেখেত সকলে চেলেঞ্জ কৰি সেই ৰাষ্টা বনোৱাৰ বাবে চেষ্টা চলায়। মহোদয়, মই থলুৱা ঠিকাদাৰ সকলৰ স্বাৰ্থৰ কাৰণে কৈছো যে বিভাগীয় বিষয়া সকলৰ ওচৰত বিক্ৰী হব নালাগে। বাহিৰৰ ঠিকাদাৰ সকলৰ হাতত বহুতো পইছা থাকে যাৰ যোৰত তেওঁলোকে গোটেই কামবিলাক আয়ত্ব কৰিব বিচাৰিছে। আমাৰ মানুহবিলাক দুখীয়া কম ধনৰ মালিক, তথাপিও সুবিধা দিব লাগে। অসমৰ মানুহৰ উন্নতিৰ কাৰণে সুবিধা দিয়ক। বিজনী হাই ওৱেৰ ৰাষ্টাত গাড়ীচলাব নোৱাৰি। মাননীয়

বৰকটকী ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে মই অনুৰোধ জনাইছিলো যে বিজনী গোসাই গাওঁ ৰাস্তাটো নিৰ্ম্মাণ কৰিব লাগে। সেই ৰাস্তাটো এতিয়া সিংঘিয়ে পাইছে। মই তেওঁলোকক লগ পাই কলো ৰাস্তাটো সোনকালে নিৰ্ম্মাণ কৰক। তেওঁলোকে কলে আপুনি দিল্লীৰ পৰা পইছা লৈ আহক। অধ্যক্ষ মহোদয়, এই বিজনী ৰাস্তাটো কিমান মেৰামতি কৰিলে আপুনি নিজে গলে অনুভৱ কৰিব পাৰিব।

অধ্যক্ষ মহোদয়, ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথটো নিৰ্ম্মাণ কৰিছে। তাত যিবিলাক কাম হৈছে সেইবোৰ লক্ষ্য কৰিব লাগে। ১৫ টা পেকেজতকৈ বেছি কাম তেওঁলোকে পাইছে। সেইবিলাক থলুৱা মানুহক দিবলৈ মই অনুৰোধ জনাইছো। নবাৰ্ডৰ পৰাও টকা চেংচন হৈছে। বিভাগীয় বিষয়া সকলৰ লগত চাৰ, সেই সিংঘী নামৰ ঠিকাদাৰ কেইজনে এগ্ৰিমেন্ট কৰিছে। সেইটো চাব লাগে। সেই ৰাস্তাটো যাতে স্থায়ী হয়, ক্ৰাচিং মেচিনৰ পাথৰ যাতে তাত পৰে সেইটো চাব লাগে। সেই ৰাস্তাটোত কিন্তু সেই ঠিকাদাৰ জনে সেইবোৰ দিয়া নাই। চিল ৰদ দিয়া হলে ৰাস্তাটো মজবুট হলহেতেন। ৰেহাই মূল্যৰ যিটো ৰদ তেওঁলোকে সেইটো কিনিছে। ইয়াৰোপৰি হেন্দ ৰিচিপ্তত তেওঁলোকে পেমেন্ট দিয়ে, কেগৰ ৰিপৰ্টত এই কথাটো ওলাইছে।

মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যকৰী অভিযন্তা সকলে মুঠ ২.৫৫ কোটি টকা কনট্ৰেকটৰ সকলক পেমেন্ট কৰিছে। এইটো ইৰেগুলাৰ হৈছে। সেইটো কেগৰ ৰিপোৰ্টত ধৰা পৰিছে। এই বিভাগটো হৈছে উন্নয়ন মূলক বিভাগ গতিকে এই বিভাগৰ ধন অনিয়ম কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। বিভাগীয় মন্ত্ৰীয়ে ব্যৱস্থা লব লাগে। জনসাধাৰণে ব্যৱস্থা লব লাগে, মন্ত্ৰী বিধায়কেও ব্যৱস্থা লব লাগে। মাননীয় মুখ্যমন্ত্ৰী নিজে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী। তেখেতেও দায়িত্ব লব লাগে। আজি বিৰোধী পক্ষৰ সদস্য সকলেও নিকা প্ৰশাসনৰ কথা কৈ থাকে। তেখেত সকলেও চকু দিব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যদি এই ক্ষেত্ৰত পদক্ষেপ লয় তেতিয়াহলে সচাঁকৈয়ে আমাৰ অসম সোণৰ অসম হ'ব। অধ্যক্ষ মহোদয়, অশোক সিংঘি আৰু মাঙ্গিলা সিংঘিৰ কথা কোৱা হৈছে। আগতে শৰৎ বৰকটকী ডাঙৰীয়াই তেখেত সকলক প্ৰশ্ৰয় দিয়া নাছিল। এতিয়া তেওঁলোকক প্ৰশ্ৰয় দিয়া হৈছে। আমি অনুৰোধ কৰা মতে তেওঁলোকে কাম কৰা নাই। থলুৱা মানুহক ঠিকা দিব লাগে। এই সমস্যা অকল কোকৰাঝাৰতে নহয়। সমগ্ৰ অসমতে হৈছে। সেই কাৰণে থলুৱা মানুহক ঠিকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মানুহ বিক্ৰী হৈ গৈছে। অধ্যক্ষ মহোদয়, আমি বিক্ৰী হব

নালাগে। আমি দুৰ্নীতি দূৰ কৰিব লাগিব আৰু তাৰ কাৰণে সকলোৱে ব্যৱস্থা ললে ভাল হব। এইখিনি কৈয়ে সামৰিলো।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব বিছাৰিছো যে গড়কাপ্তানী বিভাগৰ বিষয়া ইঞ্জিনীয়াৰ সকলে মন্ত্ৰীক অসহায় কৰিছে। মন্ত্ৰী সকলে বিষয়া সকলক বলাব পাৰিব লাগিব। আজি কৰবাত ৰাষ্টা দলং বেয়া হলে ৰাইজে আমাক ঘেৰাও কৰে। ৰাষ্টা ভাল কৰিব লাগে। ৰাইজে ভাবে বিধায়ক সকলে, মন্ত্ৰী সকলে সকলো কৰিব পাৰে। মাননীয় দেৱেশ্বৰ শৰ্মা যেতিয়া গড়কাপ্তানী মন্ত্ৰী আছিল তেতিয়া এনেকুৱা অৱস্থা হোৱা নাছিল। ইঞ্জিনীয়াৰ বিষয়া সকলে তেখেত সকলক সহায় কৰিছিল। এতিয়া ওলোটাতোহে হৈছে। কৰবাত ৰাষ্টা বেয়া হলে আমাক গালি পাৰিব। গতিকে এতিয়া জৰুৰী কথা হৈছে দুৰ্নীতি যিবিলাকে কৰিছে সেইবিলাক ৰোধ কৰিব লাগিব। এপ্ৰোপ্ৰিয়েচন একাউন্ট চি, এ, জিয়ে দিছে। ২০০৩-০৪ বৰ্ষত কিমান টকা পালে আৰু কিমান টকা খৰচ কৰিলে জনাব লাগে। যোৱা বছৰ আপোনালোকক মুঠ টকা দিছে ২৬৯ কোটি টকা। আপোনালোকে খৰচ কৰিব নোৱাৰিলে ৪৩ কোটি টকা। কেপিটেল হেডত ২৭০ কোটি টকা দিছিল। আপোনালোকে খৰচ কৰিব নোৱাৰিলে ১০১ কোটি টকা। ৰেভিনিউ হেডৰ ক্ষেত্ৰত কৈছিল - The Revenue portion of the grant closed with a saving of Rs. 43,92.56 lakh. No part of the saving was anticipated and surrendered during the year.

In view of the final saving of Rs. 43,92.56 lakh, augmentation of provision of Rs. 5,80.00 lakh by way of supplementary grant obtained in August, 2003 proved unnecessary. আপোনালোকে খৰচ নকৰিলে আৰু পইচা ঘূৰাই নিদিলে। চাপ্লিমেন্টাৰী ডিমাণ্ড আননেচেচাৰী বুলি চি, এ, জিত কৈছে। কেপিটেল হেডত কৈছে - The capital portion of the grant closed with a saving of Rs. 101,06.74 lakh. No part of the saving was anticipated and surrendered during the year.

In view of the final saving of Rs. 101,06.74 lakh, augmentation of provision by way of supplementary grant of Rs. 26,66.00 lakh obtained in August, 2003 (Rs. 24,66.00) lakh and in January.2004

★ *Speech not corrected*

(Rs. 2,00.00 lakh) proved injudicious. আপোনালোকে কেপিটেল হেডত দুবাৰ চাপ্লিমেন্টৰী লৈছে। যোৱা বছৰ চাপ্লিমেন্টৰী বিচাৰিছিল। ফাইনেল ষ্টেটমেন্টত কৈছে যে আপোনালোকে খৰচ কৰিব নোৱাৰিলে। আজি যি চাপ্লিমেন্টৰী দিছে ইয়াত কৈছে নট নেচেছাৰী। যোৱা আগষ্ট মাহটো চাপ্লিমেন্টৰী দিছে। আমি ৮১ কোটি টকা যোৱা বছৰ দিছো। আজি আকৌ ৭ কোটি টকা আহিছে। ২০০৪ চনৰ চেপ্তেম্বৰৰে হিচাব দিব পৰা নাই বুলি ইয়াত আহিছে। এক্সেচ এক্সপেণ্ডিচাৰ বন্ধ কৰিবলৈ কোৱা হৈছে। আমি সকলোৱে চিঞৰিছো যোৱা ডিচেম্বৰতে ৮১ কোটি টকা দিছে এতিয়া আকৌ ৭ কোটি টকা। এইবিলাক সময়তে খৰচ কৰিব নোৱাৰিলে অসুবিধা হয়। চি,আৰ,এফত টকা বিছাৰিছিল। টকা বিলাক ক'ত খৰচ হৈছে। তিতাবৰ সমষ্টিত ১ কোটি টকা খৰচ হ'ল। যোৰহাট আৰু গোলাঘাটত ৪ টা সমষ্টি। গোলাঘাট কমাৰবন্ধা ৰাষ্টা এইটো ৰজাদিনীয়া ৰাষ্টা। ৪-৫ টা সমষ্টি পৰে। দেৰগাওঁৰ পৰা গোলাঘাটলৈ ৩টা সমষ্টি পৰে। এইটো চুগাৰ মিলৰ প্ৰখ্যাত ৰাষ্টা। এইটো অতি ইমপোৰটেন্ট ৰাষ্টা। এইবিলাক ৰাষ্টাৰ কাম কৰাৰ কাৰণে লোকেল মন্ত্ৰী বিধায়কৰ লগত আলোচনা হব লাগে। যোৱা বছৰ ৰাইজে আমাক ধৰিছে। এতিয়া মই মন্ত্ৰীক অনুৰোধ কৰিম বছৰত দুবাৰকৈ স্থানীয় বিধায়কৰ লগত আলোচনা কৰাৰ ব্যৱস্থা কৰক আৰু ৰাষ্টা-ঘাট বনোৱাৰ ব্যৱস্থা কৰক।

মাননীয় অধ্যক্ষ মহোদয়, ডেৰগাওঁ, গোলাঘাট, চুগাৰ মিলৰ পৰা এই ৰাষ্টাটো অতি দৰ্কাৰী ৰাষ্টা। এই ৰাষ্টাৰ নামত টকা দিম বুলি কৈছে যদিও দিয়া নাই। এই বিষয়ে স্থানীয় বিধায়কৰ লগত আলোচনা নকৰে, এইটো বেয়া কথা। ৰাষ্টা বেয়া হলে ৰাইজে স্থানীয় বিধায়কক ধৰে যে ৰাষ্টা নতুন কৰিব লাগে। মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে এই বিষয়ে স্থানীয় বিধায়কৰ লগত বছৰত দুবাৰ আলোচনা কৰে। বিভাগে সিঙ্গি নে কি মই নাজানো এই মানুহ বিলাকক ঠিকা দিছে। কিন্তু কামৰ কাৰণে দিল্লীলৈ যোৱা নহয়। উত্তৰ পূৰ্ব্বাঞ্চলত কাম হোৱা নাই বুলি ৰাষ্ট্ৰপতিয়ে গালি পাৰে, দিল্লীয়ে গালি পাৰে, প্লেনিং বিভাগে গালি পাৰে। এই কথা বিলাক চাব লাগে। বিধান সভাৰ কমিটি পাতি দিছে, মিটিং হোৱা নাই। যি ঠিকাদাৰে ঠিকা পাব লাগে তেওঁ পোৱা নাই। তেওঁলোকৰ তিনি চাৰিটা গ্ৰুপ আছে ২১ জন ঠিকাদাৰৰ ভিতৰত। তেওঁলোকেহে ঠিকা পায়, আনক নিদিয়ে। চি, আৰ, এফ,ৰ টকা বিলাক কেন্দ্ৰৰ পৰা অনা হয়। ঠিকমতে চলিচ নে নাই তাক চাব লাগে। কেন্দ্ৰীয় চৰকাৰৰ টকা যাতে শুদ্ধ ভাবে ব্যৱহাৰ হয় তালৈ চাব লাগে। মই এটা উদাহৰণ

দিছো, এফ, ডি, আৰ,ৰ পইচা যোৰহাট নগৰত খৰচ হৈছে। সেইটো মই বেয়া পোৱা নাই। ধেকীয়াজুলি দলং ৰবৈয়া পথ সেইবিলাক মেৰামতিৰ কাৰণেও এফ, ডি, আৰ, আঁচনিত অগ্ৰাধিকাৰ পাব লাগে। মঠাউৰি নষ্ট হৈছে সেইটোও চাব লাগে। ডোনাৰে পইচা দিছে। ডিব্ৰুগড়, শিৱসাগৰ, তিনিচুকীয়া, শিলচৰ আদিতো টকা দিছে। সেই বিলাক চাব লাগে। অকল গুৱাহাটী চিটিতে কাম হব নেলাগে, সকলোতে কাম হব লাগে। মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই কৈছে, মইও কম এনুৱেল প্লেন এলোকেশ্বন ২০০২-০৩ ত তিনি কোটি টকা দিয়া হৈছে। ইয়াৰে ২.৭২ কোটি টকা তিতাবৰত দিছে আৰু ১৮ লাখ টকা ডেৰগাওঁৰ কাৰণে ৰাখিছে। টিয়কত দিয়া নাই। শতকৰা ৯৪ ভাগ তিতাবৰে পাইছে। আমি পাইছো ৬ শতাংশ। ৩.৪ কোটি টকাৰ তিতাবৰত ২.২৫ কোটি টকা আৰু বাকী টকাখিনি চাৰিটা সমষ্টিত ভাগ হৈছে। ২০০৪-০৫ চনত পাচ কোটি টকা গৈছে বুলি কৈছে। ইয়াৰে ৫০ শতাংশ তিতাবৰ আৰু বাকী টকা পাচটা সমষ্টিত ভগোৱা হৈছে। তিতাবৰত নগালেণ্ড আসাম বোৰ্ডাৰ আছে, তাতো টকা দিব লাগে। সকলো জিলাই যাতে সুবিধা পায় সেইটো চাব লাগে। মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো যে মাননীয় শৰৎ বৰকটকী ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে কৈছিল যে বিধায়কক ৫০ লাখ টকা দিব। এতিয়া এখেত সকলে কৈছে যে ৫০ লাখ টকা বুলিং পাৰ্টিৰ সদস্যক আৰু ২৫ লাখ টকা বিৰোধী দলৰ সদস্যক দিম। বিৰোধী দলক ২৫ লাখ টকা দিয়াটো গণতন্ত্ৰ বিৰোধী হব। আমি যেতিয়া চৰকাৰী পক্ষত আছিলো, তেতিয়া বিৰোধীয়ে কিবা কলে আমি চটফটাই উঠিছিলো, কিন্তু ক্ৰিটিটাইজ ভালৰ কাৰণেহে কৰে। ১২৬ জন বিধায়কৰ যদি গোটেই কেইজন শাসক দলৰ হয়, তেতিয়া হলে গণতন্ত্ৰ নাইকীয়া হৈ যাব। গতিকে বিৰোধী দলৰ দায়িত্ব আছে। যোৰহাটৰ দুটা ডিভিজনলৈ ৰিপেয়াৰৰ কাৰণে টকা পঠিয়াইছে, ওৱেষ্ট আৰু ইষ্ট ডিভিজন। তিতাবৰত ৫ শ কিলো মিটাৰ আৰু ওৱেষ্ট ডিভিজনত ১১ শ কিলো মিটাৰ কৰিছে। তিতাবৰত শতকৰা ৬০ ভাগ আৰু বাকীখিনিত শতকৰা ৪০ ভাগ দিছে। এজন এচ, ডি, ও,ৰ দ্বাৰা টকা খৰচ হব। ৰিপেয়াৰ এনেকৈ নহব। গতিকে এই কথা বিলাক মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বিধায়ক সকলৰ লগত আলোচনা কৰিব লাগে। এন, এল, চি, পি, এফ,ৰ অধীনত দলংৰ কাম কৰাৰ কথা কোৱা হৈছে। দলংৰ কথাটো হৈছে ভাইটেল। পি, এম, জি, এচ, ওৱাই, আৰু ওৱাৰ্ল্ড বেংকৰ স্কীম আহিছে। ইতিমধ্যে এই বিষয়ে বহুত কথাই কোৱা হৈছে। নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাষ্টা বনোৱাতকৈ গড়কাপ্তানী বিভাগৰ দৰকাৰী ৰাষ্টা পদূলি বনোৱা

ভাল। সকলো ৰাষ্টা যাতে ভাল হয় সেইটো আমি চাব লাগে। এই বিষয়ে আমি কিছু কিতাপ পত্ৰ পঢ়িব লাগে। মাননীয় দেবেশ্বৰ শৰ্মা ডাঙৰীয়াই মন্ত্ৰী হৈ থাকোতে লিখা 'হেৰাই যোৱা দিনবোৰ' কিতাপ আমি পঢ়িছো। সেই কিতাপত গড়কাপ্তানী বিভাগৰ কথা আছিল। এইটোৱে বিষয়া সকলক নিকা হোৱাত সহায় কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ শেষ কৰিব বিচাৰিছো যে নেশ্বনেল হাই ওৱেৰ কাৰণে অহা টকা যোৱা বছৰ চাৰেণ্ডাৰ কৰিছে। এইটো সঁচা নে মিছা কব নোৱাৰো। ২০০৪ চনত ২০ কোটি টকা চাৰেণ্ডাৰ কৰা দেখুৱাইছে। এইটো (কেগ)ৰ ৰিপোৰ্টত আছে। আমাৰ পইচা সময়মতে নাহে, গতিকে ৩১ মাৰ্চৰ ভিতৰত কেনেকৈ কাম সম্পূৰ্ণ হব। চেভিংচ কৰা দেখুৱায়, প্ৰকৃততে চেভিংচ হৈছে নে নাই? যি টকা খৰচ হৈছে সেই টকা নেশ্বনেল হাইওৱেত ৰিপিয়াৰিঙত দেখুৱাইছে। যোৱাবাৰ তাত দিছিল, আচলতে ষ্টেট হাইওৱেহে আছিল। সেইটো খৰচত দেখুৱাইছে। ২০০৪ চনৰ চেপ্তেম্বৰৰ পৰা তেওঁলোকে বিভাগক জনাব লাগিব। কিন্তু বেছি খৰচ হৈছে। এইটো চাব Reasons for huge saving in both the above cases have not been intimated (September 2004). এক কোটি চেভিংচত দেখুৱাইছে। যিখিনি টকা বিচাৰিছে বিভাগক দিব লাগিব, নহলে কেনেকৈ চলিব। এই কথাবিলাক চাব লাগে। সেই কাৰণে চাপ্লিমেন্টাৰী ডিমাণ্ডত যিখিনি টকা বিছাৰিছে মোৰ সন্দেহ হৈছে ঠিক মতে ব্যৱহাৰ হবনে নহয় তথাপি মই কব খুজিছো যে গড়কাপ্তানী বিভাগে যদি যত্ন লয় চুৰান্ত ভাৱে ভাল নহলেও মই আমাৰ যোৰহাটৰ বাই পাচ ৰাষ্টাটোৰ কথা কব খোজো যে সেই ৰাষ্টাটো যথেষ্ট ভাল হৈছে। কিন্তু হলে কি হব সেই ৰাষ্টাটোও আধা হৈ আছে মাজে মাজে কৰিছে মাজে মাজে কৰা নাই। তাৰোপৰি দিচপুৰৰ পৰা পল্টন বজাৰলৈ যোৱা ৰাষ্টাটো যথেষ্ট ভাল হৈছে। মোৰ বন্ধুজনে কাহিলীপাৰা ৰাষ্টাটোৰ বিষয়ে কবলৈ কৈছে সেয়ে মই জনালো এই ৰাষ্টাটো বনাব বুলি আশা ৰাখিলো। গড়কাপ্তানী বিভাগটো যিমানেই নিকা হব সিমানেই ৰাষ্টা ঘাট ভাল হব। এই খিনিকে কৈ মই মোৰ ব্যক্তব্য সামৰণি মাৰিলোঁ।

**Mr. Speaker :** Now, Hon'ble Member, Shri Pranab Kalita.

**শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পথ আৰু দলঙৰ বাবে সাতশ লাখ টকা অতিৰিক্ত বাজেট উত্থাপন কৰিছে। যোৱা চাৰি বছৰে গডকাপ্তানী বিভাগৰ

ওপৰত বহু আলোচনা বিলোচনা হৈছে যদিও আমি সামান্য উন্নতি এটা দেখিবলৈ পাইছো। এই সামান্য উন্নতিখিনিয়েই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতি কৰিবলৈ যথেষ্ট নহয়। মাননীয় অধ্যক্ষ মহোদয়, গাওঁ আৰু চহৰৰ মাজত পাৰ্থক্য নোহোৱা নহয়। তাৰোপৰি যেতিয়ালৈকে পথৰ উন্নতি নহব তেতিয়ালৈকে অৰ্থনৈতিক আৰু সামাজিক উন্নতি নহব। একেজন ঠিকাদাৰে অসমৰ শদীয়াৰ পৰা ধুবুৰীলৈ যদি ৰাষ্টা সম্পূৰ্ণ কৰিবলগীয়া হয় তেন্তে সেই কাম বিলাক কেনেধৰণৰ হব পাৰে? এনে কি নীতি আছে এজন ঠিকাদাৰ আনন্দ জৈন অসমৰ আটাইবিলাক ৰাষ্টা বনাব লাগিব? য'ত ২৫ লাখ টকাৰ এটা ৰাষ্টা আবন্টন পোৱাৰ পিচত তিনি মাহলৈকে এই ৰাষ্টাৰ কাম কৰিব পৰা নাই। যদিওবা আৰম্ভ কৰিলে দিনত নহয় ৰাতি কাম কৰিবলৈ ললে। গড়কাপ্তানী বিভাগৰ ৰাষ্টা যেতিয়া কৰে, যিবিলাক ৰাষ্টাত যান বাহনৰ সমাগম বেচি সেই বিলাকৰ ৰাষ্টা ৰাতি বনোৱা হয়। কিন্তু এই ৰাষ্টা গাঁৱলীয়া ৰাষ্টা হিচাবে তেনে কোনো যানবাহনৰ কথা নাই, তেনে স্থলত ৰাতি কাম কৰাৰ উদ্দেশ্য কি? টেণ্ডাৰ কল কৰোতে শতকৰা ২০-৩০ কমাই দিয়ে। তাৰোপৰি তেওঁলোকে মন্ত্ৰী বিষয়াক কমিচন দি উঠি কিমান লাভ থাকে? গতিকে ৰাষ্টা কিমান ভালকৈ কৰিব? এইখিনিত মই এটা কথা কব বিছাৰিছো যে গড়কাপ্তানী বিভাগৰ এটা ৰাষ্টা প্ৰাককলন হোৱাৰ ৬ মাহ পিচতো আয়ুক্তক সোধাত নাই হোৱা বুলি কৈছিল। কিন্তু দুই ঘন্টা পিচত মই যেতিয়া গম পালো, মোবাইল ফোনত ফোন কৰোতে তেওঁ ফোনটো কাটি দিলে। গতিকে গড়কাপ্তানী বিভাগৰ আয়ুক্তৰ চৰিত্ৰ যদি এনেকুৱা হয় নাইবা স্পষ্ট সাহস নাথাকে তেন্তে ৰাষ্টাঘাটৰ কি উন্নতি হব সেইটো অনুমেয়। এজন ঠিকাদাৰে যদি ২০-৩০ শতকৰা এৰি দিব লগা হয় এই ক্ষেত্ৰত ৰাষ্টাৰ কাম কেনেকৈ হব? আজি ৩ বছৰ আগতে আমাৰ ইয়ালৈ এজন টুৰিষ্ট আহিছিল তেওঁ কৈছে - Guwahati is a city which is always under repairing. ইয়াতকৈ ডাঙৰ কথা হব নোৱাৰে।

যোৱাকালি প্ৰতিদিন কাকতত এটা বাতৰি পঢ়িলো যে গুৱাহাটীৰ মাজ মজীয়াত এটা ৰাষ্টাত ৫ লাখ টকা আবন্টন কৰা হৈছিল। কিন্তু ৰাষ্টাটো প্ৰাককলন প্ৰস্তুত কৰিছে ৮ লাখ টকাৰ আৰু স্বয়ং উপায়ুক্তই তাত কাউন্টাৰচাইন কৰিছে। ৩০০৪ কোটি টকা বিগত বছৰটোত কেন্দ্ৰীয় সাহাৰ্য্য পূজি কি হব পাৰে? ৫ লাখ টকা যদি ৮ লাখ হব পাৰে ইয়াত কি হব নোৱাৰে? আমাৰ

যিবিলাক সৰু সৰু কাঠৰ দলং আছে তাক বাৰে বাৰে মেৰামতি কৰি থকাতকৈ কংক্ৰীট কৰিব পাৰিলে দলংখন স্থায়ী হব। বৰ্ত্তমান কাঠ নাই। যাৰ কাৰণে আমি ৰয়েল্টি নাপাও গতিকে এই দলং বিলাক পৰ্য্যায়ক্ৰমে শেষ কৰিব লাগে।

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত আৰ, আই, দি, এফ,ত এখন দলং আৱন্টন পাইছিলো ১.৬০ কোটি টকাৰ, কিন্তু আজি ৩ মাহ হ'ল দলংখনৰ কাম আৰম্ভ হোৱা নাই কাৰণ বিভাগক ঠিকাদাৰে শকত ধনৰ টোপোলা দিব পৰা নাই। কিছুমান ঠিকাদাৰ বিষয়াৰ সুসমন্বয়ৰ কাৰণে আজি আমি বহুত পিছপৰি যাবলগা হৈছে। আমি দেখিছো মন্ত্ৰীৰ টেবুলত ফাইল পৰি থাকে ৰিলিজ কৰি নিদিয়ে মোৰ সমষ্টিৰ ৭ লাখ টকাৰ এটা আঁচনিৰ কাৰণে মন্ত্ৰীৰ টেবুলত ফাইল পৰি থাকিল মই যেতিয়াই যাও এই ৰিলিজ কৰি দিম বুলি কয় কিন্তু ৰিলিজ হলে নহয় এই ৭ লাখ টকাৰ কাৰণে ১০ হাজাৰ জনসাধাৰণ ক্ষতিগ্ৰস্থ হ্বলগীয়া হৈছে, দলংখনেৰে মানুহ অহাযোৱা কৰিব পৰা নাই বহুত ঠাই ঘুৰি আহিবলগীয়া হৈছে আজি ৭ লাখ টকা দি ৰাইজৰ উপকাৰ সাধন কৰিব পৰা নাই তেওঁলোকে আকৌ ৭০০ বিছাৰিছে এইটো বৰ দুৰ্ভাগ্যৰ কথা নহয় নে? মই আজি স্পষ্ট কথা এটা মন্ত্ৰী মহোদয়াক জনাব বিছাৰিছো কাৰোবাৰ ভুলৰ কাৰণে অসমৰ লাখ লাখ টকা কেন্দ্ৰলৈ ঘুৰি যাবলগীয়া হৈছে তাৰো কি ব্যৱস্থা লৈছে? মই ৰাজহ বিভাগত দেখিছো মন্ত্ৰী আয়ুক্তৰ মাজত সমন্বয় নোহোৱা কাৰণে মন্ত্ৰীয়ে দিয়া ফাইল আয়ুক্তই ঘুৰাই পঠিয়াইছে। ক'ত কি কাম হব? কোনে পইছা খৰচ কৰিব আমি অকল বিধান সভাত আলোচনা কৰিলেই দলং ৰাষ্টা ভাল নহয়। তাৰ কাৰণে মন্ত্ৰীয়ে তুৰান্বিত ব্যৱস্থা লব লাগিব ঠিকাদাৰ সকলক কৰা নিৰ্দ্দেশ দিব লাগিব যে তুমি ইমান দিনত কাম সম্পূৰ্ণ কৰিব লাগিব নহলে তোমাৰ ওপৰত পেনাল্টি ফিক্স কৰা হব। গড়কাপ্তানী বিভাগে স্পষ্ট নীতি ঘোষণা কৰক, চৰকাৰী ধনৰ সৎ ব্যৱহাৰ কৰিব লাগে অন্ততঃ বেছি নোৱাৰিলেও শতকৰা ৫০ ভাগ খৰচ কৰিলে বহুত কাম হব। যেতিয়ালৈকে বিভাগে স্পষ্ট নীতি ঘোষণা নকৰে আৰু টকাৰ সৎ ব্যৱহাৰ কৰিম বুলি নকয় তেতিয়ালৈকে এই ৭০০ কোটি টকাৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই কৰ্ত্তন প্ৰস্তাৱ বাহাল থাকিব আৰু এটা পইছাও অনুমোদন দিয়া নহয় বুলি স্পষ্ট ভাষাত ঘোষণা কৰিলোঁ।

★**শ্ৰীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কেইটামান কথা কব বিছাৰিছো। এইটো আচৰিত কথা

★ *Speech not corrected*

যে এই বিভাগৰ কাম কাজ সকলোৰে মুখত বহুত প্ৰচাৰিত হৈছে। এইটো বৰ দুৰ্ভাগ্যজনক কথা যে ৰাজ্যপাল মহোদয়ৰ ভাষণত এই গড়কাপ্তানী বিভাগৰ কথা উল্লেখ নাই একমাত্ৰ বুৰোক্ৰেট সকলৰ কাৰণে ৰাজ্যপালৰ ভাষণত এই বিভাগে স্থান নাপালে যে এইটো এটা উদাহৰণ। এই বিভাগৰ বিষয়ে, দুটামান কথা কব বিছাৰিছো প্ৰথম কথা হ'ল माननीয় সদস্য গোস্বামী ডাঙৰীয়াই কৈ গৈছে যে যোৱাবাৰ বছৰেকীয়া পৰিকল্পনাত সোমাব পৰাকৈ ২৫ লাখ টকাৰ আঁচনি দিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ে আমাৰ বিৰোধী পক্ষৰ माननीয় সদস্য সকলোলৈও দিঅ'লৈটাৰ দিছিল আৰু সেই চিঠিমৰ্ম্মে আমি স্থানীয় ৰাইজৰ লগত আলাপ আলোচনা কৰি বিভাগীয় অভিযন্তাক তালিকা সহ আঁচনি প্ৰস্তুত কৰিবলৈ অনুৰোধ কৰিলো অৱশ্যে অভিযন্তাই কৈছিল যে তেওঁলোকে প্ৰাককলন কৰোতে যথেষ্ট খৰছ হয় মঞ্জুৰী নাপালে তেওঁলোকৰ কষ্টখিনি কিন্তু অথলে যাব আমি তেতিয়া কৈছিলো যে স্বয়ং মন্ত্ৰী মহোদয়ে চিঠি দিছে যেতিয়া মঞ্জুৰী নিদিয়াৰ প্ৰশ্ন নুঠে। কিন্তু আচৰিত কথা আমি বিধায়ক সকলক একেবাৰে অৱজ্ঞা কৰা হ'ল অপমান কৰা হ'ল এটা টকাও নিদিলে যদি টকা নিদিয়ে আমাক অপমান কৰাৰ অধিকাৰ ক'ত পালে - What right they have got to deprive us ? দিব নোৱাৰে যদি কিয় চিঠি দিছিল? বিৰোধী পক্ষৰ বিধায়ক সকলক কিয় দিস্ক্ৰিমেনেট কৰা হ'ল? তেখেতৰ চিঠিখনৰ সন্মান ক'ত থাকিল? এই কথাটো চিৰিয়াছলি লব লাগে। ভবিষ্যতে ৰাইজৰ প্ৰতিনিধি সকলৰ লগত এনেধৰণৰ খেল খেলা নহয় তাৰ কাৰণে যতন লবলৈ অনুৰোধ জনালোঁ। ইয়াৰ দ্বাৰা ৰাইজৰ ওচৰত আমাক ব্যৰ্থ বিধায়ক সজোৱা হ'ল যিটো অধিকাৰ তেখেতৰ নাই। আমি বিভাগটোত দেখিছো যেতিয়া কোনো এটা কামৰ কাৰণে টেণ্ডাৰ কল কৰে তেতিয়া লোৱেষ্ট টেণ্ডাৰৰ লগত টেণ্ডাৰ ফাইনেল কৰে কিন্তু এই বিভাগে কমিচন নিদিলে শতকৰা ৩.৫ ভাগ টেণ্ডাৰ ফাইনেল নকৰে কমিচন নিদিলে কোনোপধ্যে ঠিকাদাৰে কাম নাপায় আমি বিধায়ক সকলে যেতিয়া ঠিকাদাৰক সোধো কিয় কাম আৰম্ভ কৰা নাই তপৰাই উত্তৰ দিয়ে এডভাঞ্চ টকা নিদিয়া কাৰণে টেণ্ডাৰ ফাইনেল কৰা নাই বৰ্ত্তমানৰ যিজন আয়ুক্ত সচিব তেওঁক কমিচন নিদিলে কোনেও কাম উলিয়াব নোৱাৰে। মোৰ সমষ্টিত আৰ, আই, দি, এফ,ত এখন দলং আছিল তাৰ কাৰণে টেণ্ডাৰ কল কৰিলে কিন্তু কমিচন নিদিয়া কাৰণে টেণ্ডাৰ ফাইনেল নকৰিলে মই বিধান সভাত প্ৰশ্নও তুলিলো কিন্তু বিধান সভা শেষ হোৱাৰ পিছত ৰিটেণ্ডাৰ কৰিলে। ডিচেম্বৰ

মাহতে ৰিটেণ্ডাৰ কৰিলে এতিয়া বাৰিষা পালেহি এতিয়ালৈকে ফাইনেল কৰা নাই কাৰণ ঠিকাদাৰে পইচা দিয়া নাই। এইবাৰ আকৌ প্ৰশ্নটো কৰোতে আন্দাৰ প্ৰচেচ আছে বুলি উত্তৰ দিছে। এয়া হ'ল বিভাগ। মই মাত্ৰ এটা উদাহৰণহে দিলো এই বিভাগৰ বিষয়া সকল একেবাৰে শাসনৰ বাহিৰত গৈছে। ৰাজহুৱা হিচাব সমিতিয়ে হৈছে বিধান সভাৰ আটাইতকৈ ডাঙৰ কমিটি, আমাৰ বাইদেউ তাৰ চেয়াৰমেন এই বিভাগক আমি যিমানদিনেই মাতিছো আয়ুক্ত সচিব গৰাকী নাহে বিভিন্ন অজুহাত দেখুৱাই, কেতিয়াবা টেলিগ্ৰাম দেখুৱাব তেখেতে আহিব নোৱাৰে যোৱা দেৰ বছৰৰ ভিতৰত আমি তেখেতক বহুতবাৰ মাতিছো, আনকি তেখেত উপস্থিত নথকা বাবে বিভাগৰ আলোচনাই বাদ দিছো তথাপি তেখেত নাহে শেষত জোৰ কৰাত এবাৰ মাত্ৰ আহিছিল তাতো উত্তৰ দিব নোৱাৰিলে।

মাননীয় অধ্যক্ষ মহাশয়, গড়কাপ্তানী বিভাগৰ বিষয়া সকলেকাকো কেয়াৰ নকৰে আনকি বিধান সভাৰ ৰাজহুৱা হিচাব পৰীক্ষক সমিতিয়ে মাতিলেও তেওঁলোকে নাহে। গড়কাপ্তানী বিভাগটোৰ আয়ুক্ত গৰাকীৰ প্ৰসংগত কওঁ যে এই বিষয়া জনৰ বাবেই চাকৰিৰ বয়স ৫৮ বছৰৰ পৰা ৫৯ বছৰ কৰা হ'ল বুলি অভিযোগ আহিছে। হাইকমাণ্ডৰ নামত বিভাগটোৰ জৰিয়তে ধন সংগ্ৰহৰ অভিযোগ উঠিছে। বিভাগটোৰে বাৰিষা অহালৈ বাট চাই থাকে বাৰিষা কামবোৰ আৰম্ভ কৰি সকলো টকা আত্মসাৎ কৰে। এই বিভাগটোৰে ইমান দুৰ্নীতিত সোমাইছে কৰ্ম্মচাৰীখিনিৰ কথাকৈ শেষ কৰিব নোৱাৰি। অধ্যক্ষ মহাশয়, এই বিভাগটো বৰ গুৰুত্বপূৰ্ণ আৰু এই বিভাগটোৰে আমাৰ ৰাজ্যখনৰ যাতায়তৰ পৰা আৰম্ভ কৰি সকলোখিনি নিৰ্ভৰ কৰে। মই মাননীয় বাইদেউৰ কাৰ্য্যকালত কি হৈছে কি হোৱা নাই আজিৰ বিধান সভাত বিশ্লেষণ কৰিব বিচৰা নাই যদিও এইটো ঠিক যে এই বিভাগটোত দুৰ্নীতিয়ে বহু দূৰলৈকে শিপাইছে। এই বিভাগটোক দুৰ্নীতিমুক্ত কৰাৰ কাৰণে আমাৰ মন্ত্ৰী বাইদেউৰে দৃঢ় পদক্ষেপ হাতত লব বুলি মোৰ ফালৰ পৰা এটা অনুৰোধ থাকিল। বাৰিষা আহিলে এই বিভাগটোৰ কৰ্ম্মচাৰীৰ পৰা আৰম্ভ কৰি ঠিকাদাৰলৈকে সময় নোহোৱা হয় আৰু শেষত দেখিব যে কাম আধৰুৱা হৈ থাকোতেই বাৰিষা আহি গ'ল আৰু আধৰুৱা কামবোৰ পানীয়ে উটুৱাই নিলে আৰু ঠিকাদাৰৰ জেপলৈ ধন গুছি গ'ল। অধ্যক্ষ মহাশয়, আজি কালি আমাৰ ৰাষ্টাৰ কামৰ কোনো নমুনা নাই বুলিয়ে কব লাগিব। বম্বে, আৰু অন্যান্য ৰাজ্যত চিমেন্টেৰে কাম কৰি ৰাষ্টা মজবুত কৰি বনাই আনে আৰু আমাৰ ৰাজ্যখনতো সেইটো কৰাৰ কাৰণে মই আজি অনুৰোধ জনালো। আমি জানিব পাৰিছো যে নাবাৰ্ডৰ পৰা ঋণ লৈ

অসমৰ বিভিন্ন ৰাষ্টা, দলং আদি নিৰ্ম্মাণ কৰাৰ কাৰণে ব্যৱস্থা লৈ আছে। এইটো শুনি আমি ভাল পাইছো কিন্তু এটা কথা ঠিক যে পইচাবিলাক যাতে সৎ ব্যৱহাৰ হয় সেইটো মাননীয় মন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিষয়া সকললৈ নজৰ ৰখা হয়। অধ্যক্ষ মহাশয়, ৰিপিয়াৰিংৰ বাবে যিবিলাক ধাৰ্য্য কৰা হয় সেই মতে কাম নহয় সেই ফালৰ পৰা ৰিপিয়াৰিংত পইচা বিলাক অথলে গুছি যায়। এফ, ডি, আৰু, চি, আৰ, এফ, আদিৰ কাৰণে যিবিলাক ধন ধাৰ্য্যকৰা হয় সেই বিলাক যাতে সৎ কামত লাগে সেইটোৰ প্ৰতিও নজৰ ৰাখিব লাগে।

**Mr. Speaker :** Now, Shri Karendra Basumatary will speak.

★**শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহাশয়, আজি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিবলৈ গৈ মই এই গড়কাপ্তানী বিভাগটোৰ যি দুৰ্নীতি সেই দুৰ্নীতি সমূহ ৰোধ কৰাৰ কাৰণে বিভাগীয় বিষয়াসকলে আৰু আমাৰ মন্ত্ৰী বিধায়ক সকলে সচেষ্ট হব লাগিব। আজি এই বিভাগটোৰ যিটো অৱস্থাৰ সৃষ্টি হৈছে সেইটো সকলোৱে গম পাইছে। অধ্যক্ষ মহাশয়, আজি অসমৰ যিবিলাক ৰাষ্টা সেইবিলাক ৰাষ্টাৰ কাম আৰু দলং সেই বিলাক নেদেখিলে ভাবিব নোৱাৰি। বিষয়া সকলে পাৰ্চেনটেজত ব্যস্ত থাকে আৰু ঠিকাদাৰ সকলে পাল মাৰিবলৈ সুবিধা পায়। এই ক্ষেত্ৰত আমাৰ মন্ত্ৰী বাইদেউ অলপ সচেষ্ট হলে ভাল হয়। মাননীয় অধ্যক্ষ মহাশয় মোৰ সমষ্টিত ওডালগুৰিৰ পৰা তামুলপুৰলৈ যোৱা ৰাষ্টাৰ ১৬ কিঃমিঃ একেবাৰে জৰাজিৰ্ণ অৱস্থাত আছে। এই ৰাষ্টাটো আমাৰ বৰ গুৰুত্বপূৰ্ণ ৰাষ্টা চাৰ। চাৰ, আমি অপজিচনত থাকো কাৰণে গুৰুত্ব কম দিয়া দেখা যায় যেন অনুমান হৈছে। এই ক্ষেত্ৰত মই আপোনাৰ পৰা এটা দৃঢ় স্থিতি বিচাৰিছো। আজি গড়কাপ্তানী বিভাগটোৱে আমাৰ ৰাইজৰ ৰাষ্টা দলং আদিৰ ক্ষেত্ৰত যিদৰে আগুৱাই নিব লাগিছিল সেই দৰে পৰা নাই। কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া ধন কোনো দিনে আমাৰ ৰাজ্যখনত নিশ্চয় কম অহা নাই। এতিয়া দেখা গৈছে যে কাম বিলাক সঠিক সময়ত সঠিক ৰূপত হৈ নুঠে। এই ক্ষেত্ৰত বিষয়া সকলৰ যেন দায়িত্বও কম সেইটো আজি পৰিলক্ষিত হৈছে। এই বিভাগটো ইমান গুৰুত্বপূৰ্ণ যে মানৱ জীৱনত ইটো সিটোৰ লগত ইয়াৰ সম্বন্ধ আছে। যাতায়ত অবিহনে আমি জীয়াই থাকিব পাৰো জানো। ধনশিৰী হৈ পাম নদীৰ ওপৰত যিখন দলং সেইখনৰ অৱস্থা আজি একেবাৰে বেয়া হৈ গৈছে। মই একাধিকবাৰ এই দলংখনৰ কাৰণে কৈছো যদিও আজিলৈকে কাম হোৱা নাই।

---

★ *Speech not corrected*

মাননীয় অধ্যক্ষ মহাশয় ওৰাংৰ মাজেৰে যিটো ৰাস্তা ওডালগুৰিলৈ গৈছে সেইটো ৰাস্তাৰ অৱস্থা পুতৌ। মই কেবাবাৰো এই বিষয়ত চৰকাৰৰ দৃষ্টি গোচৰ কৰিও সুফল আজিলৈকে পোৱা নাই। আজি কিছুদিন আগতে তাৰ স্থানীয় মহিলা কমিটিয়ে সেই ৰাস্তাটো কিছু পৰিমাণে গাত বিলাক মাৰি ৰাইজৰ প্ৰসংশা বুটলিবলৈ সক্ষম হৈছে কিন্তু এইখিনিয়ে চাফিচিয়েন্ট নহয়। অধ্যক্ষ মহাশয়, মই এটা কথা কব খুজিছো যে চাৰ্কাছৰ ৰিং মাষ্টাৰ পাকৈত হলেহে বাঘক ভালদৰে নচুৱাব পাৰে। অন্যথা বাঘে ৰিং মাষ্টাৰক কামোৰে। মন্ত্ৰী সকলেও বিধায়ক সকলক চলাব জানিব লাগিব। মন্ত্ৰীৰ কলমেৰে জুই ওলাব লাগিব।

মাননীয় অধ্যক্ষ মহোদয় চতুৰ্থতে এইটো এন, ই, চি বিভাগৰ ৰিপিয়াৰ কাম। মই এইক্ষেত্ৰত সমৰ্থন কৰিছো। ২৫ লাখ টকা আহিছে যেতিয়া বি, টি, চি,ক দিব। বিভাগীয় বিষয়া অফিচাৰে মোক অৰ্ডাৰটো দেখুৱাই কলে এইটো বি টি চিৰ কাৰণে নহয় নেকি? বি, টি, চি এলেকাই নপায়। তেতিয়াহলে কোকৰাঝাৰক দি দিয়ক। ২৫ লাখ টকাৰে বেছি কাম হব বুলি দিছে। আমাক কাম কৰিবলৈ দিয়ক। ৰাইজে কাম পালে ভাল পাব।

মাননীয় অধ্যক্ষ মহোদয় এখন ডি, অ' লেটাৰ আহিছে যেতিয়া আমাক ২৫ লাখ টকাটো দিয়ক যদি নিদিয়ে তেতিয়াহলে এইটো ইমপ্লিমেন্ট কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, পঞ্চমত কও, চাৰ্বাচৰ কাম ভাল হলে নহব ৰিং মাষ্টৰ ভাল হব লাগিব। ৰিং মাষ্টৰক বাঘে মৰা ৰেকৰ্ড আছে। মন্ত্ৰীয়ে নিজৰ কৰ্ম্মচাৰী সকলক নচুৱাবলৈ জানিব লাগে। আজি ৪০ বছৰ আগৰ কথা কওঁ, চিলংৰ পৰা মন্ত্ৰীয়ে কাম চাবলৈ আহিব বুলি খবৰ দিয়াৰ লগে লগে দেখিব এম, এল, এ সকলৰ ফিল্ডত কাম হবই। আজি সেই দিনো নাই, স্কীমো নাই। মই চৰকাৰক অনুৰোধ জনাইছো আৰু এটা বছৰ আছে, এই বছটোৰ ভিতৰত যাতে ৰাষ্টাবোৰ হৈ যায় এইখিনিকে অনুৰোধ জনাই আমাৰ আজিৰ কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন জনাই আৰু এটকালৈ হ্ৰাস কৰা দাবী জনাই মোৰ বক্তব্য সামৰিছো।

**Mr. Speaker :** Now, Hon'ble Minister to reply :

**শ্ৰীমতী অজন্তা নেওঁগ** (মন্ত্ৰী গড়কাপ্তানী বিভাগ) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই সন্দৰ্ভত মই কব বিচাৰিছো বিৰোধী পক্ষৰ মাননীয় বিধায়ক সকলে সুস্থ চিন্তা ধাৰাৰে গণতান্ত্ৰিক ভাৱে চাব লাগিব। এই বিভাগটোক আগবঢ়াই নিয়াৰ কাৰণে আৰু ৰাজ্যখনক সম্পূৰ্ণ বিকাশৰ কাৰণে সকলোৰে দায়িত্ব আছে। সংসদীয় গণতান্ত্ৰিক প্ৰক্ৰিয়াত সুস্থ সমালোচনাৰ প্ৰয়োজন আছে।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানে অসম ৰাজ্যখন উত্তৰ পূৰ অঞ্চলৰ দুৱাৰ স্বৰূপ। এচিয়া, চীন, ম্যানমাৰকে ধৰি আমাৰ ৰাজ্যখনত বাণিজ্যিক সম্প্ৰসাৰণৰ বাবে যথেষ্ট সুযোগ আছে আৰু আৰ্থসামাজিক দিশত আগবঢ়ায় নিয়াৰ উপৰিও পথ সংযোগৰ ব্যৱস্থা শক্তিশালী কৰিব পৰাটোৱে হৈছে আমাৰ কাম্য। সেইকাৰণে মই মাননীয় সদস্য সকলক চৰকাৰৰ লগত সহযোগ কৰি চৰকাৰখনক আগুৱাই নিবলৈ মই অনুৰোধ জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্ট নীতি প্ৰস্তুত কৰিছে যে ৰাজ্যখনৰ সমবিকাশ হব লাগে। যাতে ৰাজ্যখনত পথৰ সংযোগ ব্যৱস্থাটো শক্তিশালী কৰিব পাৰি। আমি উত্তৰ পূৰ্বাঞ্চলক বাদ দি ভাৰতবৰ্ষৰ অন্য ৰাজ্যবোৰলৈ যদি চাওঁ তেতিয়া দেখিম অন্য ৰাজ্যৰ লগত খাপ খুৱাকৈ আগুৱাই নিবলৈ প্ৰচেষ্টা কৰিব লাগিব। আমাৰ ৰাজ্যৰ শতকৰা ৯০ ভাগ মানুহ কৃষিজীৱি। কৃষিজীৱিক আগুৱাই নিবলৈ হলে পথ যোগাযোগ শক্তিশালী মাধ্যমৰূপে গঢ় দিব লাগিব। এইবিলাক কৰিবলৈ হলে কিছুমান অসুবিধা নথকা নহয়। ৰাজ্যখনৰ সৰ্ব্বমুঠ ৪১ হাজাৰ ৩০০ বৰ্গ কিলোমিটাৰ ৰাষ্টাৰ ৭৮ শতাংশ গ্ৰেভেল ৰোড আছে। ১৭ শতাংশ ৰাষ্টা বিটুমাইনচ আছে। ১ শতাংশ ৰাষ্টাহে ডাব্লিউ বি এম আছে। এইটো পৰিসংখ্যাৰে চাবলৈ যাওঁ তেতিয়া বেছি সংখ্যক গ্ৰেভেল ৰাষ্টা বেয়া হৈছে সেইকাৰণে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। সেয়েহে আমি এতিয়া বিভিন্ন আঁচনি যেনে নাবাৰ্ড, এন,ই,চি, বিশ্ব বেংক এইবিলাকৰ পৰা ধাৰলৈ পকীকৰণৰ কাম কৰা হৈছে। কেৱল তেখেত সকলৰ সমষ্টিতে নহয়, গোটেই ৰাজ্যত ৫ (পাঁচ) হাজাৰতকৈ অধিক কাঠৰ দলং আছে। চেষ্টৰ হিচাপে আমি ব্যৱহাৰ কৰিছো। এইখিনিতে আমাৰ মাননীয় সদস্য সকলে নিশ্চয় অনুভৱ কৰিছে আমাৰ চৰকাৰখনৰ যথেষ্ট

পুঁজিৰ প্ৰয়োজন আছে। প্ৰায় ১০ হাজাৰ কোটি টকা বেছি প্ৰয়োজন আছে। মুখ্য মন্ত্ৰী মহোদয়ে আশা কৰামতে বিশ্ব বেংকৰ পৰা ২½ কোটি টকা পালে ৰাষ্টা পকীকৰণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

মাননীয় সদস্য সকলে আজি তিনিটা কথা সদনত আলোচনা কৰিছে। সেই তিনিটা কথাৰ মই উত্তৰ দিবলৈ চাম। সকলো মাননীয় সদস্যই এটা কথা উপলব্ধি কৰিছে যে আমাৰ ৰাজ্যখনৰ সকলো ঠাইতে সম দৃষ্টিত উন্নয়ন সাধন হব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও সেইটো ক্ষেত্ৰত দৃষ্টি দিছে। পথ উন্নয়নৰ লগতে অন্যান্য ক্ষেত্ৰতো উন্নয়ন হলেহে ৰাজ্যখনৰ উন্নতি সাধন হব। প্ৰত্যেকটো সমষ্টিত যিবিলাক মেজৰ দিষ্ট্ৰিক ৰোড আছে বা নেচনেল হাইওৱে আছে সেই বিলাক ৰাষ্টাৰ কাম ঠিক সময় মতে কৰাৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। মই এটা কথাত এচিওৰেঞ্চ দিব বিচাৰিছো যে আমি ৰাজনৈতিক দৃষ্টিভঙ্গীৰে কাম নকৰি সম দৃষ্টিৰে প্ৰয়োজন অনুসৰি কামবিলাক কৰাৰ কাৰণে চেষ্টা চলাম। সম দৃষ্টিৰে কাম কৰাতো ৰাইজৰ চকুত যাতে পৰে সেইটো আমিও বিচাৰিছো। আমাৰ ৰাজ্যখনৰ যিখিনি দৰকাৰী ৰাষ্টা সেইখিনি ৰাষ্টাৰ কাম কাজ সম দৃষ্টিৰে কৰাৰ কাৰণে যিটো ব্যৱস্থা লব লাগে সেই ব্যৱস্থাটো শক্তিশালী কৰিবৰ কাৰণে আমি প্ৰচেষ্টা চলাই আছো। কিন্তু এই কাম বিলাক কৰিবৰ কাৰণে আমাৰ বিভিন্ন ধৰণৰ অসুবিধাও নোহোৱা নহয়। আমৰ ৰাজ্যখনৰ জলবায়ুৰ কাৰণে আমি কোনো আঁচনিৰ কাম সময়মতে ৰূপায়ণ কৰিব নোৱাৰো। এই কথাবিলাক মাননীয় সদস্য সকলে বিভিন্ন সময়ত উত্থাপন কৰি আহিছো। অসমৰ জলবায়ু ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ লগত নিমিলে। আমাৰ ৰাজ্যখনত ৬-৮ মাহ বৰষুণ হয়। আমাৰ ৰাষ্টা ঘাট দলং আদি নিৰ্ম্মাণ কৰাৰ ক্ষেত্ৰত পুঁজি আৱন্টন কৰাৰ পৰা আঁচনিখন ৰূপায়ণ নোহোৱালৈকে আঁচনিখন যাতে লেপচ নহয় সেইটো আমি চাম। যেতিয়াই পুঁজি পাব লাগে তেতিয়াই নোপোৱাৰ কাৰণে সময়মতে আঁচনি বিলাক ৰূপায়ণ কৰিব পৰা নাই। সময়মতে পুঁজি নোপোৱাৰ কাৰণেই এই আঁচনি বিলাকৰ ক্ষেত্ৰত টেণ্ডাৰ প্ৰচেচ্‌ৰ পৰা ইমপ্লিমেন্টেচন প্ৰচেচ্‌লৈকে কিছু পলম হৈছে। আমি এই আঁচনি বিলাকৰ কাম ক্ষীপ্ৰতাৰে হব লাগে বুলি বিষয়া সকলক নিৰ্দ্দেশ দিছো। নাবাৰ্ডৰ কাম বিলাকো ইতিমধ্যে ৰূপায়ণ কৰিবলৈ আমি নিৰ্দ্দেশ দিছো। মাত্ৰ দুখন ব্ৰীজৰ বাহিৰে গোটেই কেইখন ব্ৰীজৰ কাৰণেই আমি টেণ্ডাৰ ক'ল কৰিছো। কিছুমান

ব্ৰীজৰ কাম আৰম্ভ কৰা হৈছে। প্ৰায় বিলাক সমষ্টিতেই পি, এম, জি, ওৱাই আঁচনি বিলাকৰ কাম ইতিমধ্যে কৰিবলৈ আগবাঢ়িছে।

★ডাঃ আনন্দ ৰাম বৰুৱা ঃ চাৰ, সেই দুখন ব্ৰীজ কৰা ব্ৰীজ।

**শ্ৰীমতী অজন্তা নেওগ** (ৰাজ্যিক গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় সদস্য পবিন্দ্ৰ ডেকাই এম, এন; পিৰ আঁচনিৰ কথা কৈছে। এই আঁচনিখন এতিয়া চলি থকা নাই। মেৰামতিৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে যিটো কথা কৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো যে আমাৰ ৰাজ্যখনৰ ৰাষ্টাঘাট, দলং আদিৰ মেৰামতিৰ কাৰণে যেনেকুৱা ধৰণে পূঁজিৰ যোগান ধৰিব লাগে তেনেকুৱা ধৰণে পূঁজি যোগান ধৰিব নোৱাৰাৰ কাৰণে মেৰামতি কৰিব পৰা নাই। সেই কাৰণেই নবেম্বৰ মাহৰ ২৪ তাৰিখে এখন ৰোড বোৰ্ড গঠন কৰা হৈছে। সেই ৰোড বোৰ্ড গঠন কৰাৰ কাৰণ হ'ল পূঁজিৰ ব্যৱস্থা কৰা। আমাৰ যিবিলাক প্ৰয়োজনীয় ৰাষ্টা আছে পোন প্ৰথমতে সেই ৰাষ্টা বিলাকৰ কাৰণে ৰোড বোৰ্ডৰ জৰিয়তে পূঁজি আৱন্টন দিয়া হব। আমাৰ কাম কাজ বিলাকত আসোঁৱাহ থকাৰ কিছুমান কাৰণ আছে। টেণ্ডাৰ প্ৰচেচ্‌ত বিলম্ব হোৱাৰ কাৰণে আৰু সময়মতে পূঁজি আৱন্টন নোহোৱা কাৰণে ৰাষ্টাৰ কাম বিলাক আধৰুৱা হৈ থাকে। সেই কাৰণে ৰোড বোৰ্ডৰ জৰিয়তে এই ৰাষ্টা বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে। পি, এম, জি, ওৱাই আঁচনিৰ ৰাষ্টা বিলাক মেৰামতি নকৰাৰ কাৰণে এটা সময়ত ৰাষ্টা বিলাক বেয়া হৈ যায়। কাঠৰ দলংৰ ক্ষেত্ৰত ৮ পাৰচেন্ট যিটো কথা কৈছে সেইটো মই বিষয়া সকলক সুধি পিচত জনাম। ৰাষ্টা মেৰামতিৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে দৃষ্টি নিক্ষেপ কৰিছে। আমাৰ ৰাজ্যখনৰ এই গোটেই বিলাক ৰাষ্টা মেৰামতিৰ আঁচনিৰ কাৰণে মুখ্যমন্ত্ৰীৰ পকীপথ আঁচনি নামেৰে এখন আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত এনুৱেল প্লেনত ১৭৭ দশমিক কিমান কোটি ধাৰ্য্য কৰা হৈছে। আগন্তুক বিত্তিয় বৰ্ষতো আমাক কিছু পূঁজিৰ আৱন্টন দিছে। এই পূঁজি পোৱাৰ পিচত আমাৰ টেণ্ডাৰ প্ৰচেচ্ চলি আছে। এই মাহতেই আমি ইয়াৰ কাম কাজ আৰম্ভ কৰিব পাৰিম। মাননীয় সদস্য সোনোৱাল ডাঙৰীয়াই কিছু কথা উত্থাপন কৰিছে। তেখেতে গড়কাপ্তানী বিভাগত মিচইউজ হোৱা বুলি কৈছে। আপোনালোকে এই বিভাগৰ বিভিন্ন কথা উত্থাপন কৰিছে। টকা পইচা সৎভাৱে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমাৰ সকলোৰে সমানে দায়িত্ব আছে। আজি অকল বিভাগটোৰ দায়িত্ব পালন কৰাৰ পিচত আমাৰ যিবিলাক বিভাগীয় বিষয়া আৰু দিষ্টিক পৰ্য্যায়ৰ বিষয়া আছে তেওঁলোকে কাম কাজ বিলাক কনভেনচন হিচাবে কৰি থাকে।

আমি সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ ভেটিটো শক্তিশালী কৰি তুলিব লাগিব। সেই কাৰণেই আমি যিবিলাক নিৰ্ব্বাচিত প্ৰতিনিধি আছে সেই প্ৰতিনিধি সকলৰ লগত আলোচনা কৰি বিভিন্ন আঁচনি বিলাক কৰিব লাগে বুলি কৈছো। এইটো হ'ল এটা কনভেনচন। যেতিয়া আঁচনি বিলাক কৰিব আহে প্ৰতিনিধি সকলৰ লগত আলোচনা কৰি আঁচনি বিলাক নিৰ্দ্ধাৰণ কৰিবলৈ কোৱা হৈছে। কেতিয়াবা এনেকুৱা হয় একোটা ডিভিজনত গড়কাপ্তানী বিভাগৰ ৩০০ মান ৰাস্তা থাকে আৰু সকলো ক্ষেত্ৰতে আমি সেই ৰাষ্টাবোৰ মেৰামতি কৰিবলৈ সক্ষম হোৱা নাই। সেই কাৰণে বিষয়া সকলৰ লগত আলোচনা কৰি ৰাস্তা বিলাক চিলেকচন কৰিব লাগে। টেণ্ডাৰ প্ৰচেচ্‌টো ট্ৰেনচ্‌ফাৰেঞ্চি কৰিবৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছে। আমাৰ এই বিভাগৰ ক্ষেত্ৰত আপোনালোকৰ কিবা যদি অভিযোগ থাকে তেতিয়াহলে সেই অভিযোগ মোক দিলে মই ব্যৱস্থা লম। কাহিলীপাৰাৰ ৰাষ্টাটো বেয়া হোৱা বুলি সদনত আলোচনা কৰিছে। আমাৰ এনুৱেল ষ্টেট প্লেনত যিখিনি পূঁজি দিয়া হৈছে সেইখিনি অতি সীমিত। এই ক্ষেত্ৰত মিনিষ্ট্ৰি অৱ আৰ্বাণ ডেভেলপমেন্টৰ লগত যোগাযোগ কৰা হৈছে। তেওঁলোকৰ পৰা পূঁজি পালে এই ৰাষ্টাটো কৰিব পৰা যাব। বিভিন্ন সময়ত এই ৰাষ্টাটোৰ কাম কৰাৰ কাৰণে প্ৰচেষ্টা চলোৱা হৈছিল। এন, বি, চি, চিয়েও এই ৰাস্তাটোত কাম কৰিব বিচাৰিছিল। এই ৰাষ্টাটোৰ সম্পৰ্কত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিম। পইচা ঘুৰি গৈছে নে নাই এই বিষয়ে এন,বি,চি,চিয়ে আমাক জনোৱা নাই। তেওঁলোকে আমাকনো অবজেকচন চাৰ্টিফিকেট দিয়াৰ কথা কৈছিল। এই কামতো এন,ই,চিয়েও কৰিব পাৰে। এই বিষয়ে সঠিকভাৱে পিচত মই আপোনালোকক জনাম। এই বিষয়ে লোকেল এম,এল,এ সকলক লগতলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ চেম্বাৰতেই আলোচনা কৰিম। মাননীয় দিলীপ কুমাৰ শইকীয়াই সম বিতৰণৰ কথা কৈছে।

★**শ্ৰীপানীৰাম ৰাভা** ঃ আমাকো মাতিব বাইদেউ।

**শ্ৰীমতী অজন্তা নেওগ** (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) ঃ ৰাজ্যখনৰ যদি উন্নয়ন হব লাগে, এই ব্যৱস্থাটো যদি শক্তিশালী ৰূপত হব লাগে তেন্তে এটা সমষ্টিতেই নহয় প্ৰত্যেকটো সমষ্টিতেই উন্নতি হব লাগিব আমাৰ মুখ্য মন্ত্ৰীয়ে সদায় কৈ আহিছে যে সমভাবে ৰাজ্যখনৰ উন্নতি হব লাগিব। মাননীয় সদস্য জনৰ সমষ্টি ধেমাজীৰ কথা নিশ্চয় চাম। ধেমাজীৰ বান অধুষিত অঞ্চল, তাৰ্লৈ যোৱাৰ

★ *Speech not corrected*

ইচ্ছা মোৰ আছে, নিমন্ত্ৰণ কৰিলে নিশ্চয় যাম। ৰাজ্যখনৰ এই বিভাগৰ দায়িত্ব লোৱাৰ পিচত অকল গোলাঘাটৰ বিধায়িকা হিচাবেই নহয় ৰাজ্যখনৰ সদস্যা হিচাবে আমন্ত্ৰণ জনালে নিশ্চয় যাম আৰু সমস্যাবোৰ পৰ্য্যায়ক্ৰমে সমাধান কৰিবলৈ মই ব্যক্তিগত ভাৱেও চেষ্টা চলাম। তেখেতে ঘিলামৰাৰ কথা কৈছিল, আমি আঁচনিমতে কাম কৰিব লাগিব। এপ্ৰিলৰ পিচত অহা বছৰৰ বাজেট হব। অধ্যক্ষ মহোদয়, আপুনি আমাৰ ৰাজ্যখনত ৯০ টা গড়কাপ্তানী বিভাগৰ ডিভিজন আছে যিখিনি আৱন্টিত ধন পাওঁ সেইখিনি নিচেই নগন্য। যিমান বিলাক এৰিয়া থাকে সেই মতে পইচা দিব নোৱাৰি। অধিক ধন আৱন্টন পালে এই বিভাগটো বিশেষ ভাৱে মেৰামতি কৰিব পাৰিম। যোৱা বছৰ প্ৰলয়ংকাৰী বানত গোটেই ৰাজ্যখন বিধস্ত হৈছে। আমাৰ ৰাজ্যখনত পাঁচশত কৈয়ো অধিক কাঠৰ দলং আছে। এইবোৰ কৰিবলৈ পুঁজিৰ নাটনি আগন্তুক বছৰত মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন এজেন্সিৰ পৰা টকা আনিবলৈ চেষ্টা চলাই আছে। বাজেট আৱন্টন পোৱাৰ পিচত নিশ্চয় লবলৈ চেষ্টা কৰিম। এইখিনি কথা এই কাৰণেই কব লগা হৈছে যে আমি ইতিমধ্যে আঁচনি গ্ৰহণ কৰিছোঁ, এই আঁচনিখন ক্ষিপ্ৰতাৰে কৰিবলৈ চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে এই ব্যৱস্থাটো যদি শক্তিশালী কৰিব লগা হয় তেনেহলে আমাৰ সকলোৰে কিছু কৰণীয় আছে, বিভাগীয় বিষয়া সকলৰ দায়িত্ব আছে। কেতিয়াবা বিভাগীয় বিষয়া সকলেও নিজৰ ঘৰলৈ যোৱা ৰাস্তা বেয়া বুলি কয় বিভাগীয় বিষয়া সকলে কাম কাজ কৰিবলৈ কিছুমান নীতি নিয়ম বান্ধি দিয়া হৈছে। এটা ডাঙৰ কথা হৈছে যে আমাৰ ৰাজ্যখনত চেন্স অৱ অনেষ্টি নাই। ইয়াৰ ফলত বিভাগীয় বিষয়া সকলক যিমানেই শাস্তি দিয়া নহওক কিয় কাম কৰাৰ মানসিকতা দেখা পোৱা নেযায়। কেতিয়াবা যদি কোনোবা কোনোবা বিভাগীয় বিষয়াৰ ক্ষেত্ৰত কিবা অভিযোগ আছে তেন্তে মই তুৰন্তে তাৰ ব্যৱস্থা লম। ১৪ খন কাঠৰ দলং তেখেতৰ সমষ্টিত আছে বুলি চৰকাৰ ডাঙৰীয়াই কৈছে। এতিয়া ৫ হাজাৰৰ বেছি কাঠৰ দলং আছে। বিভিন্ন স্কীম যদি আহে আৰু তেখেতে যদি মোৰ ওচৰলৈ আহে তেন্তে নিশ্চয় সহায় কৰিম। বিষয়াসকলে যদি কামত গাফিলতি কৰা বুলি গম পাওঁ তেন্তে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

আমাৰ মাননীয় শ্ৰীযুতা প্ৰমীলা ৰাণী ব্ৰহ্ম বাইদেউক মই শ্ৰদ্ধা কৰোঁ, তেখেতে কেইটামান কথা আমাৰ দৃষ্টিলৈ আনিছিল। মই তেখেতক স্পষ্ট ভাৱে কব বিচাৰিছোঁ যে বিভাগীয় কাম কাজ কৰাৰ ক্ষেত্ৰত কিছুমান নীতি-নিয়ম মানি

চলিব লাগে। তেখেতৰ সমষ্টিত পি এম জি ওৱাইৰ ৰাষ্টাৰ কথা কৈছিল। টেণ্ডাৰৰ প্ৰচেচ্ এটা নিয়মৰ মাজেৰে কৰা হয়, তাৰ পিচত চিলেকশ্যন হয় তেখেতে থলুৱা ঠিকাদাৰৰ কথা কৈছে, তাত আমাৰ কৰিব লগীয়া একো নাছিল। সেইবিলাক কাম বিভাগীয় ভাবে সম্পূৰ্ণ ৰূপে সমাপ্ত হৈছিল তাত মন্ত্ৰী সকলৰ কৰণীয় একো নাথাকে। কমিটিৰ জৰিয়তে কাম বিলাক নিৰ্দ্ধাৰণ হয়। তেখেতৰ অনুৰোধ ৰক্ষাৰ কাৰণে মোৰ ফালৰ পৰা পাৰ্য্যমানে চেষ্টা কৰিম। থলুৱা নিবনুৱা যিসকল আছে তেওঁলোক বৃত্তিমুখী কাম কাজত আগ্ৰহী বুলি প্ৰকাশ কৰিছে। পি এম জি এ, এচ ওৱাইৰ যি আঁচনি আছে তাৰ নিয়ম ইমান কঠোৰ যে তাৰবাবে তেওঁলোকে প্ৰতিযোগিতা মূলক কাম কৰিবলৈ সামৰ্থ নাই। এতিয়া অৱশ্যে যথেষ্ট কম্পিটেটিভ হৈছে। থলুৱা যি সকল ঠিকাদাৰ আছে দিয়াৰ কাৰণে নিশ্চয় চেষ্টা কৰিম। ৰাষ্ট্ৰীয় পথ নিৰ্ম্মাণৰ ক্ষেত্ৰত মাননীয় সদস্যা গৰাকীয়ে যিটো কথা কৈছে সেইটোও বিভাগীয় ভাবে নিশ্চয় চাম।

নাবাৰ্ডৰ টকাৰে বনোৱা চালাকাটিৰ যিটো পথৰ কথা তেখেতে কৈছে নিশ্চয় মই ব্যক্তিগত ভাবে চাম। হেন্দ ৰিচিপ্তৰ কথা মই আজিহে জানিব পাৰিছোঁ, মই নিশ্চয় চাম।

মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কেগৰ কথা দাঙি ধৰিছে, সেই ক্ষেত্ৰত যাতে কোনো ধৰণৰ আসোঁৱাহ থাকিব নোৱাৰে মই চাম।

মাননীয় অধ্যক্ষ মহোদয়, হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই কেগৰ প্ৰতিবেদনৰ ওপৰত যিটো তথ্য দাঙি ধৰিছে এই ক্ষেত্ৰত অনুসন্ধান চলি আছে। এই বিষয়টো আমি চাম যাতে ইয়াত কোনো ধৰণৰ আসোঁৱাহ থাকিব নোৱাৰে। এই ক্ষেত্ৰত মই বাৰম্বাৰ কব বিচাৰিছো যে কোনো ধৰণৰ ৰাজনৈতিক বৈশম্য ৰাখিব বিচৰা নাই। তেখেতসকলে যিবিলাক আঁচনি গ্ৰহণ কৰে আমাৰ বিষয়া সকলৰ লগত যাতে আলোচনা কৰি লয়। তেওঁলোকে ব্যক্তিগত ভাৱে আঁচনি লব বিচাৰিছে। তেখেতসকলৰ সমষ্টিৰ ডিমাণ্ড আছে। সেইখিনি কৰিবলৈ চেষ্টা কৰিম। ময়ো এই কথা বুজি পাওঁ। বৰ্ত্তমান ৰাজ্যখনৰ নিৰ্বাচিত প্ৰতিনিধি সকলৰ সমস্যা আছে সেইটো মই জানো। পথ আৰু দলংৰ সমস্যা শতকৰা ৮০ শতাংশ পথ দলং নিৰ্ম্মাণৰ কথা কোৱা হৈছে। তেখেতসকলৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে যিবিলাক আঁচনিৰ কথা কৈছে সেইবিলাক কৰাৰ চেষ্টা কৰিম। কমাৰবন্ধা পথৰ কথা কোৱা হৈছে। চি আৰ পি এফত লোৱা হৈছে। এন এল

চি পিৰ কথা কৈছে। আমাৰ ইয়াত এতিয়াও পুঁজি সীমিত। আন ঠাইৰ দৰে পোৱা নাই। যোৱা বছৰ ৭ কোটি টকা প্লেনত আহিছিল। এফ, ডি আৰৰ টকাৰে ৰিপিয়াৰিংৰ কথা কৈছে। মাননীয় সদস্য সকলে এটা কথা কৈছে যে ২৫ লাখ টকাৰ আঁচনিৰ। তেখেতসকলক আঁচনি দিবলৈ কোৱা হৈছিল। তেখেতসকলৰ কিছুমানে আঁচনি দিছে আৰু কিছুমানে দিয়া নাই। যদি আঁচনি আমাক দিয়ে ২০০৫-০৬ চনত দিবলৈ চেষ্টা কৰিম। মই অলপতে কাৰ্য্যভাৰ গ্ৰহণ কৰিছো গড়কাপ্তানী মন্ত্ৰী হিচাবে। আগৰ প্লেনৰ পুঁজি শেষ হৈছে। এই বছৰ আকৌ নতুনকৈ হ'ব।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বস্তু-বাহানীৰ দাম বাঢ়িছে সেই কাৰণে ২৫ লাখ টকাৰ ঠাইত ৫০ লাখ টকা কৰিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো সমষ্টিত বাদ পৰিছে তাত ২০০৫-০৬ চনত লবলৈ চেষ্টা কৰিম। তেখেতে ৰিপিয়াৰিংৰ কথা কৈছে। সেইটো চাম। টকা কম হৈছে বুলি কৈছে। ৫০০ কিলোমিটাৰত বেছি আৰু ১১০০ কিলোমিটাৰত কম টকা দিয়া বুলি কৈছে। ইঞ্জিনীয়াৰ সকলে কৈ থাকে টকা যথেষ্ট নহয়। এইবাৰ ৰিপিয়াৰিংৰ যিমান টকা পাম তাৰ পৰা যিমান পৰা যায় কৰিবলৈ চেষ্টা কৰিম।

মাননীয় সদস্য শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই কৈছে যে ওদালগুৰী-খাৰুপেটীয়াৰ ৰাস্তাৰ দলঙৰ বাবে এডমিনিষ্ট্ৰেটিভ প্ৰপোজেল পোৱা নাই বুলি কৈছে। নবাৰ্ডৰ পৰা টকা পোৱা নাই বুলি কৈছে।

**★শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ, সেই ৰাস্তাটো হৈছে টেঙেৰী-ওডালগুৰী-মেধীপাৰা খাৰুপেটীয়া ৰোড।

**★ডঃ হৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ নলবাৰীৰ পৰা সৰ্থেবাৰী ৰাষ্টাত ৮-৯ মাহ আগতে মাননীয় মুখ্য মন্ত্ৰী আৰু পি এণ্ড ডি মন্ত্ৰী গৈছিল। এতিয়া ডেৰমাহ সময় আছে কাম আৰম্ভ কৰা নাই। গতিকে এই ৰাষ্টাৰ কাম সোনকালে আৰম্ভ কৰিবলৈ মাননীয় মুখ্য মন্ত্ৰীৰ লগতে মন্ত্ৰী মহোদয়াকো অনুৰোধ কৰিছো।

---

★ *Speech not corrected*

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই যিটো কথা কৈছে সেইটো চোৱা হব। মাননীয় সদস্য শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই ৩ খন দলঙৰ কথা কৈছে। এইটো চোৱা হব। আৰু আমি কিছুমান অভিযোগ পাইছো। বৰাকৰ দলঙৰ কথাও কোৱা হৈছে। এই সকলোবিলাকৰ প্ৰতি আমি দৃষ্টি ৰাখিছো। ওৰাং মাজবাটৰ ৰাষ্টাৰ কথাও কোৱা হৈছে। মেৰামতি কৰাৰ ব্যৱস্থা কৰিম। যিবিলাক মাননীয় সদস্যই ২৫ লাখ টকা পোৱা নাই আঁচনি আহিলে অহা বছৰ দিয়াৰ ব্যৱস্থা কৰিম।

★ **ডাঃ আনন্দ ৰাম বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাবাৰ্ডৰ টকাৰে কাম কৰা হোৱা নাই।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো চোৱা হব। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে স্পষ্টভাবে কৈছে যে ৰাজ্যখনৰ সামগ্ৰীক ভাৱে উন্নয়ন হব লাগে। সেই কাৰণে আঁচনি গ্ৰহণ কৰা হৈছে আৰু সকলো সদস্যৰ পৰা আঁচনি বিচৰা হৈছে। দুৰ্নীতি মুক্ত কৰাৰ কথা কৈছে। আমি কেতিয়াও দুৰ্নীতিৰ লগত আপোচ নকৰো। দুৰ্নীতি কৰা বুলি কলেই নহব স্পষ্টভাবে প্ৰমাণ দিব লাগিব। দুৰ্নীতি নাইকীয়া কৰিবলৈ সকলো সদস্যৰে দায়িত্ব আছে। ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত মই সকলো মাননীয় বিধায়কৰে সহযোগিতা কামনা কৰিছো। এইখিনি কৈয়ে মাননীয় বিৰোধী সদস্য সকলক তেওঁলোকৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনাই সামৰণি মাৰিলোঁ।

★ **শ্ৰীমদন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰ, আই, ডি, এফৰ পৰা নলবাৰী জিলাৰ সোনকুৰিহা ঘাটৰ যিখন দলং আছে তাৰ টেণ্ডাৰ কৰা হৈছে। কিন্তু কাম আজিলৈ আৰম্ভ কৰা হোৱা নাই। বানপানী হোৱাৰ পিচত তাত কাম আৰম্ভ কৰিব নোৱাৰে। ঘগ্ৰা-দামোদৰ পথৰ দলঙৰ কামো আৰম্ভ হোৱা নাই। এই দুয়োখন দলঙৰ কাম সোনকালে আৰম্ভ কৰিব নেকি।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমদন কলিতা ডাঙৰীয়াই মোৰ কাৰ্য্যালয়লৈ আহিলে সেই বিষয়ে ভালকৈ কব পাৰিম।

★ **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে যি ২৫ লাখ টকাৰ আঁচনি দিয়াৰ কথা কৈছে আৰু ৰেভিনিউৰ যি ২৫ লাখ টকা এইটো

---

★ *Speech not corrected*

বেলেগ বেলেগ নে একে টকা। গড়কাপ্তানী বিভাগক আমি স্কীম দিব লাগিব নেকি?

★**শ্ৰীৰঞ্জিত দত্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ২৫ লাখ টকাৰ আঁচনি দিছিলো। সেই টকা এতিয়াও দিয়া নাই।

★**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে সুন্দৰকৈ কৈছে, আৰু নতুন মন্ত্ৰী হিচাবে যথেষ্ট গুৰুত্ব দিছে। মাননীয় সদস্য পানীৰাম ৰাভা, হেমন্ত তালুকদাৰৰ লগতে মইও কৈছো, কাহিলীপাৰা লালগনেশ এই ৰাষ্টাটোৰ টকা যদি উইদ্ৰ কৰিছে এইটো দুৰ্ভাগ্যজনক কথা হৈছে। ৰাইজৰ স্বাৰ্থত এই ৰাষ্টাটো অতি সোনকালে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি চলিত বিধান সভাত কাম কৰাৰ কাৰণে আশ্বাস দিব নেকি? কাৰণ অহা ১৪-১৫ তাৰিখৰ ভিতৰত এই ৰাষ্টাৰ কাৰণে ৰাইজে ধৰ্ণা দিব।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লব নেকি?

**শ্ৰীমতী অজন্তা নেওঁগ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলক তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছো।

**Mr. Speaker** : Will you withdraw ?

★**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথা মানি লোৱা নাই।

★**শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ আগতে মই এটা কথা কবলৈ বিচাৰিছো গড়কাপ্তানী বিভাগৰ টেণ্ডাৰ চেটেলমেন্ট হোৱাৰ পিচত ওৰ্বাক ওৰ্ডাৰৰ কাৰণে কিয় দেৰি লাগে? বিভিন্ন ৰাষ্টাৰ টেণ্ডাৰ হৈ গ'ল, কিছুমান ঠিকাদাৰে ওৰ্বাক অৰ্ডাৰ পোৱা নাই। এইটো কিয় হবলৈ পায় জনাব নে?

**শ্ৰীমতী অজন্তা নেওঁগ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দ্দিষ্ট সময়ত টেণ্ডাৰ হোৱাৰ পিচত আহিব লাগে। সেই সময়ত ঠিকাদাৰৰ লগত নিগোচিয়েচন হব লাগে। সময়মতে নাহে কাৰণে দেৰি হয়।

★**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই যি উত্তৰ দিছে, স্পষ্টভাৱে লিখা আছে যে ২০০০ চনৰ ৩১ মাৰ্চত ২.৫৫ কোটি

★ *Speech not corrected*

টকা ঠিকাদাৰক আদায় দিছে। এইটো বাতৰি কাকতত উল্লেখ আছে। এইবিলাক এৰাই চলিলে নহব। সকলো ঠিকে ঠাকে হব লাগে। বিষয়া সকলৰ উপৰত একচন লোৱাতো ভাল। এই ক্ষেত্রত সদনে পদক্ষেপ লবৰ কাৰণে অনুৰোধ জনাইছো। কেনেকুৱা ধৰণৰ ব্যৱস্থা লব আমাক জনাব লাগে। ঠিকাদাৰজনৰ ওপৰত কিছু কথা কোৱা হৈছে। তেখেতে যাতে কোনো কাম পাব নোৱাৰে। তাৰ ব্যৱস্থা কৰিব নেকি?

★**শ্ৰীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, এগ্রিমেন্ট ক'ত কৰিব লাগে? আমি জানো যে চীফ ইঞ্জিনীয়াৰ অফিচত কৰিব লাগে। ফাইল আহিছে কমিশ্বন্যাৰ অফিচলৈ, কিয় আহিছে এইটো স্পষ্টকৈ কব লাগে।

★**শ্ৰীমতী অজন্তা নেওঁগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কেগৰ ৰিপোর্টৰ ওপৰত ব্যৱস্থা লোৱা হব।

★**শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো অভিযোগ দিয়া হৈছে সেইটো কৰিব নে নাই জনাব লাগে।

★**শ্ৰীমতী অজন্তা নেওঁগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ যি অভিযোগ আছে, পি, এ, চি, কমিটিয়ে ৰিকোমেণ্ড দিলে ব্যৱস্থা লোৱা হব।

★**শ্ৰীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফাইল চীফ ইঞ্জিনীয়াৰ অফিচলৈ আনিব নে নাই জনাব লাগে।

★**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দূৰ্নীতিৰ কথা কব লাগিব, নহলে আমি উইদ্ৰ কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য প্ৰণৱ কলিতাই উইদ্ৰ নকৰে নেকি?

★**শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উইদ্ৰ নকৰো।

**Mr. Speaker :** I now put the motion before the House.

The Motion is that the total provision of Rs. 700.00 lakh, Under Supplementary Demand for Grant No. 64 in respect of "Roads & Bridges" at pages 37-38 of the list of Suplementary

★ *Speech not corrected*

Demands be reduced by Rs. 100.00 i.e., the amount of the whole supplementary Demand of Rs. 700.00 lakhs do stand reduced by Rs. 100.00.

Those who are in favour, say, "Ayes";

Those who are against, say, "Noes";

"Noes" have it, "Noes have it", Noes have it.

The Motion is lost.

The Cut Motion is lost.

I now put the Motion before the House for approval.

The Motion is :

"That an additional amount of Rs. 7.00 crores be granted to the Minister Incharge to defray certain charges which will come in the course of payment during the year ending the 31st March, 2005 in connection with Roads & Bridges."

Those who are in favour, say, "Ayes";

Those who are against say, "Noes";

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Motion is passed.

The Grant No. 64 is passed.

**Mr. Speaker :** Now Grant No. 74, Hon'ble Chief Minister to move.

★**Shri Rockybul Hussain** (Minister of State) Sports & Youth welfare (on behalf of the Hon'ble Chief of Minister) :

On the recommendation of the Governor of Assam, Sir, I beg to move that an additional amount of Rs. 705.08 lakhs be granted to the Minister In-charge to defray certain charges which will come in the course of payment during

★ *Speech not corrected*

the year ending 31st March 2005 in connection with "Sports & Youth Services".

**Mr. Speaker :** There are as many as five cut motion Notices in this grant standing in the name of Hon'ble Member:

1. Shri Pabindra Deka.
2. Shri Bimalangshu Roy.
   Shri Ranjit Dutta.
   Shri Parimal Suklavadya.
   Shri Dinesh Chandra Sarkar.
   Shri Sushil Dutta.
   Shri Rameswar Teli.
   Shri Kali Ranjan Deb.

**No.** 3. Shri Dilip Kumar Saikia.
Shri Hitendra Nath Goswami.
Shri Joseph Toppo.
Shri Girindra Kumar Barua.

**No.** 4. Shri Hemendra Nath Brahma
Shri Rihom Daimary
Shri Romio Brahma
Shri Biswajit Daimary
Shri Nathu Boro
Shri Matindra Basumatary
Shri Karendra Basumatary
Smt. Kamali Basumatary
Smt. Pramila Rani Brahma

**No.** 5. Shri Pranab Kalita

I now request the movers of the cut Motion to move their cut motion one by one.

I now call upon 1. Shri Pabindra Deka, 2. Shri Bimalangshu Roy or Shri Ranjit Dutta or Shri Parimal Suklabaidya or Shri Dinesh Chandra Sarkar or Shri Sushil Dutta or Shri Rameswar Teli or Shri Kali Ranjan Deb No. 3. Shri Dilip Kumar Saikia, Shri Hitendra Nath Goswami, Shri Joseph Toppo, or Shri Girindra Kumar Barua. 4. Shri Hemendra Nath Brahma or Shri Rihon Daimary or Shri Romio Brahma or Shri Biswajit Daimary or Shri Nathu Boro or Shri Matindra Basumatary or Shri Karendra Basumatary or Smt. Kamali Basumatary or Smt. Pramila Rani Brahma and thereafter No. 5 Shri Pranab Kalita to speak on it.

Now, Hon'ble Member, Shri Pabindra Deka to speak on it.

★**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, "২০০৪-০৫ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৪৭-৪৮ পৃষ্ঠাত থকা" ক্ৰীড়া আৰু যুৱ সেৱা" শিতানৰ ৭৪ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৭০৫.০৮ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৭০৫.০৮ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।"

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অতিৰিক্ত দাবী মঞ্জুৰী উল্লেখ কৰিছে ৭ কোটি টকা আৰু এই টকা খৰচ কৰা বুলি দেখুৱাইছে। ২০০৫ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া উন্নয়নৰ বাবে ৫ কোটি ৩৫ লাখ টকা বেছি ধৰা হৈছে। বিভিন্ন প্ৰকল্পত বিভিন্ন ধৰণে খৰচ হোৱা বুলি কৈছে। কৰ্ম্ম পদ্ধতি, বিত্তীয় শৃঙ্খলা আৰু সুপৰিচালনা, এই তিনিওটাত আমি গুৰুত্ব দিছো।

অতিৰিক্তভাৱে আমি দিলো প্ৰথমবাৰ ৩৬৪২ লাখ টকা দিত্বীয়বাৰ ২২৮৫ লাখ টকা তৃতীয়বাৰত ৭৫.৮০ লাখ টকা বিধান সভাৰ মজিয়াত বিভাগে বিছৰাহেতুকে আমি দিব লগা হৈছে যিহেতুকে যিখিনি টকা খৰছ আগতে হ'ল সেইখিনি ৰেগুলাৰাইজ কৰিব লাগিব। এইটো কথাটো আমি গুৰুত্ব দিছো কিন্তু বিত্তীয় শৃঙ্খলাৰ কাৰণে বিভাগে কোনোধৰণৰ মন মিলা নাই এই বিত্তীয় শৃঙ্খলা যেনেধৰণে হ'ব লাগিছিল তেনেধৰণে হোৱা নাই। এই বিধান সভাৰ মজিয়াত

---

★ *Speech not corrected*

ইমান দিনে মই এই বিষয়ে চিঞৰী আহিছো। কিন্তু কোনো ধৰণৰ কাণষাৰ দিয়া নাই ২০০৩-২০০৪ চনত যি হিচাব দিছিল একাউন্সত তাত তেওঁলোকে কৈছে যে- The grant in the Revenue portion closed with a saving of Rs. 14,65.73 lakh. No part of the saving was anticipated and surrendered during the year. ১২৬১৫৮ কোটি টকা চেভিংচ হৈছে অথচ In view of financial saving of Rs. 14,65.73 lakh augmentation of provision by way of supplementary grant of Rs. 28,70.00 lakh obtained in August 2003 (Rs. 26,53.00 lakh) in January 2004 (Rs. 2,00.00 lakh) and in March 2004 (Rs. 17.00 lakh) proved unnecessary. চেপ্তেম্বৰ পৰ্য্যন্ত কাৰ্য্যকৰি কৰা নাই। এই টকা কেনেকৈ খৰছ হ'ল তাৰ হিচাব চৰকাৰে দিয়া নাই। পৰৱৰ্ত্তী কালত এক কোটি ২৪ লাখ টকা সঞ্চয় হৈছিল - Reasons for saving in the above case have not been intimated এইটো ঠিক অতিৰিক্ত খৰছ হৈছে। ২ কোটি ৯৫ লাখ ৪১ হাজাৰ অতিৰিক্ত খৰছ হৈছে কিন্তু তাৰ বাখ্যা দিয়া নাই। কি কাৰণে অতিৰিক্ত খৰছ হ'ল ইয়াতো উল্লেখ কৰা নাই। কেগৰ প্ৰতিবেদনত এইটো প্ৰতিয়মান হৈছে - Reasons for huge saving in the above case have not been intimated, reasons for not utilising and nonsurrendering of entire provision in the above case have not been intimated reasons for not utilising and non-surrendering of entire provision in the above case have not been intimated. আমি জানো তথাপি আমি অতিৰিক্ত ভাৱে টকা দিব লাগিব। কিন্তু খৰছৰ বেলিকা বিত্তীয় শৃঙ্খলা একেবাৰে বজাই ৰখা নাই। তাৰ কাৰণে প্ৰপাৰ অনুসন্ধান হোৱা নাই। কেগে এই কথাটো উল্লেখ কৰিছে আৰু ভৱিষ্যতেওঁ উল্লেখ কৰিব। এই অতিৰিক্ত খৰছৰ কথা আমি কৈ আহিছো কিন্তু বিভাগীয় মন্ত্ৰীয়ে গুৰুত্ব নিদিয়ে। আমাৰ জ্যেষ্ঠ সদস্য বৰা ডাঙৰীয়া যেতিয়া পি, এ, চিৰ চেয়াৰমেন আছিল ১৯৮৫ চনৰ পৰা তেখেতে ২২ হাজাৰ কোটি টকাৰ অতিৰিক্ত খৰছ ধৰা পেলাইছিল। Reasons for incurring excess expenditure over the budget provision have not been intimated. There is no financial discipline in the deptt. এই অতিৰিক্ত খৰছৰ দ্বাৰা বিধান সভাক অৱমাননা কৰা হৈছে। কি কাৰণত খৰছ কৰিলে তাৰ ব্যাখ্যাও দিব নোৱাৰিলে। আমাৰ এইয়ে হ'ল বিত্তীয় শৃঙ্খলা। বাতৰি কাকতে এই বিলাক কথা ইতিমধ্যে প্ৰকাশ কৰি গৈছে। এতিয়া অসমৰ ৰাইজে সন্দেহ কৰিছে অহা

নবেম্বৰ মাহত ৰাষ্ট্ৰীয় ক্ৰিড়া হবনে নহয় আমি জনাত অসমত নবেম্বৰ মাহত ৰাষ্ট্ৰীয় ক্ৰীড়া সম্ভৱ নহব এই ক্ষেত্ৰত বিভিন্ন বাতৰি কাকতে বিভিন্ন ধৰণৰ বাতৰি প্ৰকাশ কৰিছে। দুই এটা বাতৰি প্ৰকাশ কৰিছে সদনৰ জ্ঞাতাৰ্থে। বাতৰি বিলাক সচা নহলেও ইয়াৰ বহু কথাই সচা। আমাৰ অসমত দিছে যে নবেম্বৰত ৰাষ্ট্ৰীয় ক্ৰীড়া একেবাৰে সহজ নহব। আজিৰ অসমে কৈছে ৰাষ্ট্ৰীয় ক্ৰীড়া আমাৰ সলনি জাৰখণ্ডত। এই ধৰণৰ বহুত বাতৰি ওলাইছে ইয়াতে অসমৰ ৰাইজ ব্যতিব্যস্ত হৈছে। বিধায়ক হিচাবে আমাক ৰাইজে সোধে নেচনেল গেমছ হবনে নাই? আমি হব বুলিয়েই কও। য়িহেতুকে বিধান সভাত ওলাই আছে। আমাৰো মাজে মাজে সন্দেহ হয়। সেই কাৰণে বিষয়টো প্ৰশ্ন কৰিছো গতিকে বিধান সভাত এটা স্পীতিকৰণ দিব লাগে।

তৃতীয়তে আমাৰ পৃথিৱীখনত ২৫৮ খন সৰুবৰ ৰাষ্ট্ৰ আছে। ভাৰতবৰ্ষৰ ভিতৰত ২৮ খন ৰাজ্য আছে আৰু এই ২৮ খনৰ ভিতৰত অসমেই খেলাধূলাত এতিয়াও পিছপৰি আছে। এই পিছপৰা ৰাজ্যখনক আগবঢ়াই নিবৰ কাৰণে এইটো এটা সুযোগ ইয়াক যাতে অৱজ্ঞা কৰা নহয় তাৰ কাৰণে এতিয়াই মই চৰকাৰক সকিয়াই ৰাখিলো। খেলাধূলাকে আজি বহুতে বৃত্তি কৰি লৈছে। অকল বিএ এম, এ, ইঞ্জিনীয়াৰিং মেডিকেল পঢ়িলেই আমি শিক্ষা বুলি ভাবো খেলাও এটা শিক্ষা অৰ্থাৎ যিয়ে মানুহক ৰোজগাৰ আনি দিয়ে সেয়ে শিক্ষা। গতিকে নাটক সাহিত্য যি ফেকাল্টিতে মানুহে কাম কৰে সেয়ে শিক্ষা। খেলাও শিক্ষা আমি তাত গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি চমু কৰক।

★**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** জিলাই জিলাই একোজন খেল বিষয়া আছে আমি সুধিলে কয় আমাৰনো কি টকা পইচা পইচাও নাই কি কাম কৰিম? আজি ঠায়ে ঠায়ে পথাৰৰ মাজত একোখন মিনিষ্টেডিয়ামৰ নামত মাটি ৰাখিছে আধাৰশিলা স্থাপন কৰিছে কিন্তু কাম হলে কৰা নাই। অকল পইছা ললেই নহব সেই পইচাক মিচিইউজ কৰিব নালাগে টকা বিলাক ঠিকমতে খৰছ হৈছে নে নাই মন্ত্ৰী মহোদয়ে চাব লাগে সেই টকাৰ বেনিফিট যাতে ৰাইজে পায়। আজি গাৱেঁভুঞে বহুত যুৱক যুৱতি আছে যাক ক্ৰীড়াৰ জৰিয়তে জীৱিকা দিব পাৰে তেতিয়া নিৱনুৱা সমস্যা বহুত সমাধান হব। এইখিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

---

★ *Speech not corrected*

**Mr. Speaker :** Now, Hon'ble Member, Shri Dilip Kr. Saikia.

★**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় গেমচ অৰ্থাৎ খেলাধূলাৰ কাৰণে যি টকা বিছাৰিছে তাৰ ওপৰত আমি কৰ্ত্তন প্ৰস্তাৱ আনিছো। টকাতো আমি জানো আগতে খৰছ হৈ গৈছে আমি মাত্ৰ অনুমোদন দিব লাগে। ৰাষ্ট্ৰীয় ক্ৰীড়া এইবাৰ অসমত কৰিব বিছাৰিছে ইয়াৰ আগতে মনিপুৰত আৰু অন্ধ্ৰ প্ৰদেশত সুখ্যাতিৰে হৈ গৈছে। মাত্ৰ অসমৰ ক্ষেত্ৰত বহুত বেমেজালি দেখা গৈছে। ২০০৫ চনত ৰাষ্ট্ৰীয় ক্ৰীড়া নবেম্বৰ মাহত হব বুলি অসম চৰকাৰে দাঠি কৈ আছে। ৰাষ্ট্ৰীয় ক্ৰীড়া যেতিয়া অসমলৈ আমন্ত্ৰণ কৰা হৈছিল তেতিয়া কিন্তু সকলো ৰাজনৈতিক দলে ৰাজনীতিৰ উদ্ধত থাকি আমন্ত্ৰণ জনাইছিলো এতিয়া পৰিচালনাৰ ক্ষেত্ৰতো ৰাজনৈতিক স্বাৰ্থ উদ্ধত ৰাখিয়ে কাম বিলাক কৰিব লাগে। কাৰণ এই ক্ৰীড়াৰ লগত অসমৰ মান মৰ্য্যাদা জৰিত হৈ আছে, ইয়াত বদনাম সদনামৰ কথা আছে সেই কাৰণে ৰাজনীতিৰ বাহিৰত ৰাখি আমি আগবাঢ়িব লাগিব। এইটো স্বীকাৰ কৰিব লাগিব যে আমাৰ মাজৰ অন্তৰ্দ্বন্দ্বৰ কাৰণে যদি ৰাষ্ট্ৰীয় ক্ৰীড়া ঝাৰখণ্ডলৈ যাবলগীয়া হয় তেতিয়া সামগ্ৰিকভাৱে অসমৰ বদনাম হব। সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ জনাইছো আপোনাৰ নেতৃত্বত হলেও আমি এবাৰ গৈ এই ঠাইখন চাই আহিব লাগে, বেছি সময় নালাগে সদন ডেৰ বজাত শেষ হোৱাৰ পাছতো আমি গৈ চাই আহিব পাৰো তেতিয়া আমি নিজে পতিয়ন যাব পাৰিম আচলতে কিমান কাম আগবাঢ়িছে আজি নোৱাৰিলেও দুই এদিনতে গৈ অহা ভাল হব। এই সংক্ৰান্তত আমাৰ ভাৰত অলিম্পিক সন্থাৰ সভাপতি কালমাদী ডাঙৰীয়া যোৱা কালি অহা কথা আছিল, প্ৰেছ কনফাৰেঞ্চ পাতিছিলে কিন্তু শেষত কালমাদী নাহিল। কালমাদী যে নাহে সেইখিনি আমাৰ মুখ্য মন্ত্ৰীয়ে নজনা কথাটো ৰহস্যজনক কথা ইয়াত নিশ্চয় কোনোবা বিষয়াই মিচগাইদ কৰিছে এইটো মুখ্য মন্ত্ৰীজনৰ কাৰণে ডাঙৰ কথা। মুখ্য মন্ত্ৰীয়ে শেষ মুহুৰ্ত্তলৈ নজনাটো কি ৰহস্য হব পাৰে? যদি কোনোবাই জানিছিল মুখ্যমন্ত্ৰীক কিয় নকলে? ইয়াৰ অনুসন্ধান কৰি বিহীত ব্যৱস্থা লব লাগে।

মাননীয় সদস্য ডেকা ডাঙৰীয়াই বিত্তীয় শৃঙ্খলাৰ কথা কৈছে আজি খবৰৰ কাগজত পঢ়িলো প্ৰধান মন্ত্ৰী মহোদয়ে সকলো মুখ্যমন্ত্ৰীক লৈ এখন অৰ্থনৈতিক

★ *Speech not corrected*

উপদেষ্টা গঠন কৰিছে, ভাৰতবৰ্ষৰ ৰিজাৰ্ভ বেংকৰ ৰাজ্যপালকলৈও এখন অৰ্থনৈতিক উপদেষ্টা কৰা হৈছে। তেখেতে কেগৰ কথা কৈছে ইয়াত কৈছে- The grant in the Revenue portion closed with a saving of Rs. 14,65.73 lakh. No part of the saving was anticipated and surrendered during the year. In view of final saving of Rs. 14,65.73 lakh, augmentation of provision by way of supplementary grant of Rs. 28,70.00 lakh obtained in August, 2003 (Rs. 26,53.00) lakhs, in January 2004 (2,00.00 lakh) and in March, 2004 (Rs. 17.00 lakh) proved unnecessary.

**মাননীয় অধ্যক্ষ ঃ আপোনাৰ ৫ মিনিট পাৰ হৈ গ'ল।**

★**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** বিত্তীয় শৃঙ্খলা নাথাকিলে যিমান পইছাই নিদিয়ক কিয় কোনো কাম নহয়। চৰকাৰে বিত্তীয়, শৃঙ্খলা বজাই ৰাখিবৰ কাৰণে ষ্টাৰ্ণ মিজাৰ লব লাগিব। আমি দিয়া টকাখিনি যাতে সৎ ব্যৱহাৰ হয় তাৰ চিন্তা কৰক। গেম ভিলেজ নোহোৱাকৈ কেনেকৈ খেল পাতিব, তেখেত সকলে কলে যে বিশ্ববিদ্যালয় হোষ্টেলত ৰাখি খেলা চলাব। বাকী বিলাক কামো কাছৰ নিচিনা গতিত আগবাঢ়িছে। মই পুনৰবাৰ সকিয়াই দিছো ইয়াত কিন্তু ৰাজ্যখনৰ মান মৰ্য্যাদা জৰিত হৈ আছে, সেইমতে কাম কৰক।

**Mr. Speaker :** Now, Shri Hemendra Nath Brahma.

**শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটোৰ সংক্ৰান্তত কেইটামান কথা কব বিচাৰিছো। এই দাবী মঞ্জুৰীত ৪ কোটি ৫ লাখ বিছাৰিছে সংখ্যাটো নিশ্চয় ডাঙৰ। ৰাষ্ট্ৰীয় ক্ৰিড়াৰ লগত অসমৰ বৃহৎ স্বাৰ্থ জৰিত হৈ আছে। ইয়াৰ লগত অসমৰ মান সন্মান জৰিত আছে। সেই কাৰণে মই এজন ক্ৰীষ্টাবীদ সংগঠক হিচাৱে কেইটামান পৰামৰ্শ দিব বিছাৰিছো। এই ক্ৰীড়া সংক্ৰান্তত কাগজেপত্ৰে যিমান আলোচনা সমালোচনা হৈছে তাৰ কাৰণে কিন্তু আমি নাৰ্ভাচ হৈছো। মনতে ভাব হয় ৰাষ্ট্ৰীয় ক্ৰীড়া অসমত হবনে নহয়? মই এজন সংগঠক হিচাবে মোৰ যি অভিজ্ঞতা এই বিষয়ত অকল চেক্ৰিফাইচ কৰা কথাহে ইয়াত টকা খোৱা বা অন্য কিবা কথা নাহে। এওঁলোকৰ লগত অকল

★ *Speech not corrected*

খৰছহে কৰিব লাগিব এওঁলোকে বাহিৰত খেলিব গৈ আমাক যে কিবা উপাৰ্জন কৰি দিব সেইটো ভাবিব নালাগে। তেওঁ হাৰিও আহিব পাৰে। কিন্তু তেওঁলোকক আমি প্ৰশিক্ষণ দিবই লাগিব আৰু তাত খৰছ হবই। ৰাষ্ট্ৰীয় ক্ৰীড়া অসমত হবনে নহয়?

এই ৰাষ্ট্ৰীয় ক্ৰীড়া যেতিয়া আমাৰ ইয়াত হব সেই ক্ষেত্ৰত আমাৰ ইয়াৰে ল'ৰা ছোৱালীয়ে ভাল ধৰণত অংশ গ্ৰহণ কৰিবলৈ পাব লাগিব। টীম বিলাকৰ কাৰণে যথেষ্ট টকা পইচাৰ খৰছ আছে। বিশেষকৈ খেলুৱৈ সকলৰ পৰা ভাল ফল আশা কৰিবলৈ হলে অন্ততঃ পাচ ছয় মাহ মান আগৰ পৰা অনুশীলন কৰিব পাৰিব লাগিব।

ডাইৰেক্টৰ অব স্পোৰ্টচৰ পৰা পইচা দিব আৰু এইবাৰ মুঠতে ২৯ টা ডিচিপ্লিন আছে। খেলত ডিচিপ্লিন বুলি কোৱা হয়। ইয়াৰ কাৰণে চৌৰাশী লাখ টকাৰ প্ৰয়োজন আছে। ছয়মাহৰ কাৰণে উণত্ৰিশটা ডিচিপ্লিনত সাজু হবলৈ হলে কিন্তু এতিয়ালৈকে এই টকা ৰিলিজ কৰি দিলে নে নাই ক্ৰীড়া মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। তাৰ উপৰিও এন, আই, এচৰ যিটো কোচিং আৰু নেশ্বনেল ক্ৰীড়াৰ ক্ষেত্ৰত আমি দেখিছো আৰচাৰি, এথেলিটিকচ, একুৱেটিক, বক্সিং, বেডমিনটন, বাস্কেটবল, চাইক্লিং, ফুটবল হেণ্ডবল জুডুকাৰেটে খোখো তাইকাণ্ড আদি কেইটামান ইভেন্টত অসমৰ আশা আছে। সেই কাৰণে এই ক্ষেত্ৰত আমি অতি সোনকালে টকা মোকলাই দি আমাৰ ল'ৰা ছোৱালীয়ে যাতে অসমৰ মান সন্মান ৰক্ষা কৰিব পাৰে। আমাৰ জনামতে এতিয়ালৈকে ইনফ্ৰাষ্টাকচাৰ আৰু নন্ ইনফ্ৰাষ্ট্ৰাকচাৰেল ডেভেলাপমেন্টৰ কাৰণে টোটেল টকা লাগিব প্ৰায় দুশ পচিশ কোটি। তাৰ ভিতৰত মাত্ৰ মই জনামতে আঠানবৈ কোটিহে মুকলি কৰি দিয়া হৈছে। এইটো ইনফ্ৰাষ্ট্ৰাক্সাৰৰ গেম ভিলেজো পৰে। এশ দহ কোটি টকা গেম ভিলেজৰ কাৰণে প্ৰয়োজন। এতিয়ালৈকে এই টকা মুকলি কৰি দিয়া হ'ল আৰু কাম হ'ল নে নাই পবিত্ৰ সদনত জনালে ভাল পাম। কিয়নো নেশ্বনেল গেমচ্ ১৯০৫ চনত হব। আন এটা কথা এই খেল সমূহৰ কাৰণে যিবিলাক খেলৰ সামগ্ৰী লাগে সেই বিলাক এতিয়ালৈকে পোৱা নাই বুলি মই জানিব পাৰিছো। এই সামগ্ৰী সমূহ অতি সোনকালে কিনি দিয়াৰ প্ৰয়োজন আছে। সামগ্ৰীৰ কথা এই কাৰণেহি কৈছো কাৰণ নেশ্বনেল গেমচ্‌ৰ মেইন ইভেন্টৰ কাৰণে ইকুইপমেন্ট বিদেশৰ পৰা আনা হয়। বিদেশী কোম্পানীৰ লগত ছয়মাহৰ আগতে টেণ্ডাৰ কৰিব লাগে। বস্তু বিলাক জাহাজত আহে। এনেকুৱা ক্ষেত্ৰতে

হায়দৰাবাদত হোৱা নেশ্বনেল গেমচ্‌ত ঘটনা হৈছিল চাৰি কোটি টকা একচেচ পেমেন্ট কৰিবলগীয়া হৈছিল। জাহাজৰ ভাড়া হিচাবে এতিয়াই যদি ইকুইপমেন্ট বিলাকৰ কাৰণে নিবিদা আহ্বান কৰে তেতিয়াহলে সময়মতে সামগ্ৰী বিলাক পাব পাৰিম। হায়দৰাবাদত কামত নিবিদা দিয়া ক্ষেত্ৰত পলম কৰা কাৰণে চাব ষ্টেণ্ডাৰ্ড বস্তু আহিছিল। ভৱিষ্যতৰ উঠি অহা ল'ৰা ছোৱালী বিলাকে ফেচিলিটি নোপোৱাৰ কাৰণে প্ৰতিভা থকা সত্বেও ওলাই আহিব নোৱাৰে বিশেষকৈ ইনফ্ৰাষ্ট্ৰাকচাৰৰ কাৰণে। এইটো যাতে সম্পূৰ্ণ হয় তাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমি শুনিবলৈ পাইছো যে ২০০৪ চনৰ জুলাই মাহতে এন, ই, চিয়ে কমিটমেন্ট দিছিল সেই পচিশ কোটি টকা দিছে নে নাই জানিব বিচাৰিছো আৰু যদি দিয়া নাই নিদিয়াৰ কাৰণ জানিবলৈ পালে ভাল পাম। যিকি নহওক এটা কথা মই অনুৰোধ কৰিব বিচাৰিছো যে নেশ্বনেল গেমচ্‌ত বিভিন্ন সন্থাক ইনভোল্ড কৰিব লাগিব। তেতিয়া হলে সকলো ফালৰ পৰা সহায় আৰু সহানুভূতি পাব আৰু ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ মান-সন্মান ৰক্ষা কৰিব পাৰিব। আমাৰ উঠি অহা ল'ৰা ছোৱালীৰ ওপৰত ইম্প'ৰটেন্স দিব লাগিব। আমাৰ দিনত গল দিব পাৰিলে হাতৰ চাপৰি আৰু খেলত ভৰি ভাঙিলে কোনোও খবৰ নলৈছিল। বিভিন্ন শিতানৰ খেলৰ খেলুৱৈৰ মাজৰ পৰা বিভিন্ন বিভাগত মকৰল কৰাৰ ব্যৱস্থা থকিব লাগে। সদৌশেষত এটা কথা কব খোজো যে আমাৰ অসমৰ ল'ৰা ছোৱালীৰ পৰা বহুত খিনি আশা কৰা হয় কিন্তু খেল খেলাৰ কাৰণে যি ফেচিলিটি লাগে তাৰ কাৰণে ফুটবল একাডেমি খোলাৰ ব্যৱস্থা কৰিব লাগে। উদাহৰণ দিব খুজিছো ইংলেণ্ডৰ ৰনি আৰু বেক্‌হাম একে বয়সৰ পৰা আহিছিল তেওঁলোকেও সাত আঠ বছৰৰ বয়সৰ পৰাই পিক আপ কৰিছিল। আমাৰ ইয়াতো দহ এঘাৰ বছৰৰ পৰা পিক আপ কৰি ইন্টাৰভিউ দিব পাৰিলে আমিও ভাল ফলাফল পাম বুলি আশা কৰিব পাৰো। মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত এইখিনি কথা কলো আৰু ৰাষ্ট্ৰীয় গেমচ্ যাতে ভাল ধৰণে আয়োজন কৰি আমাৰ ৰাজ্যৰ সন্মান ৰক্ষা কৰিব পৰে তাকেই কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**Mr. Speaker :** Hon'ble Member, Shri Parimal Suklabaidya.

★**শ্ৰীপৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত ৭ শ ৫৮ লাখ টকাৰ যিটো দাবী মঞ্জুৰী জানিছে বা বিচাৰিছে টকাটো দিয়াত আমাৰ অসুবিধা কি? অসমত যিটো ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ হব, তাত অসমীয়া মানুহে খেলিবলৈ যাব নে চাবলৈ যাব? যদি খেলিবলৈ আহিব তেতিয়াহলে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা কৰা হৈছে জনালে ভাল পাম। আমি দেখিছো মেইন বাজেটৰ কথা নকওঁ, চাপলিমেনটাৰি বাজেটতে ৬০ কোটি টকা দিলে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো গুৱাহাটীৰ পৰা শিলচৰলৈ ৪০০ কিলোমিটাৰ আঁতৰ। শিলচৰত এখন ভাল ষ্টেডিয়াম আছে। সেই ষ্টেডিয়ামখনত অলপ টকা খৰছ কৰিলে খেলাৰ পৰিবেশ হয় আৰু তাৰ মানুহৰ চোৱাৰ সুবিধা হয়। আমি জনামতে ৩½ টা চেন্টাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** সময় নাই চমু কৰক আৰু এশ সদস্যই কবলগীয়া আছে।

★**শ্ৰীপৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, খেলুৱৈ আৰু খেল পথাৰ আপটুদেট কৰিব লাগে। শিলচৰ ষ্টেডিয়ামত এটা চেন্টাৰ খুলিব লাগে। Can Govt. think of developing a stadium in Silchar and can a Centre for National Game be at Silchar? শিলচৰৰ কাৰণেও দিব লাগে।

★**শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাটমোচনটো সমৰ্থন কৰি মই দুটামান কথা কব বিচাৰিছো মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিলে যে অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ হব। এতিয়া হবনে নহয় আমাক স্পষ্টভাৱে নিশ্চয় জনাব। অসমত ক্ৰীড়া মহোৎসৱ পাতিব পৰাটো অসমৰ কাৰণে এটা গৌৰৱৰ বিষয়। এইখেল মহোৎসৱ পাতিলে আমি এখোপ আগুৱাই যাব পাৰিম। অসমৰ যি সকল খেলুৱৈয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱত ভাগ লব তেখেত সকলে হয়তু ভাল ফল দেখুৱাবও পাৰে। তেখেত সকলক উৎসাহ দেখুওৱাৰ কাৰণে বিশেষ ভাৱে পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰিব লাগে। এইটোৱে তেখেত সকলৰ কাৰণে যথেষ্ট সহায়ক হব। ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱত খেলত ভাগ লবৰ বাবে বাহিৰৰ পৰা খেলুৱৈ অনাৰ কথা ওলাইছে। মই কব বিচাৰিছো, ইয়াত আমাৰ অসমৰ সন্মানৰ কথা জড়িত হৈ আছে সেয়েহে অসমৰ খেলুৱৈক খেলাৰ

★ *Speech not corrected*

সুবিধাকণ দি উৎসাহিত কৰিব আৰু বদনামৰ পৰাও সকাহ পাব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

**Mr. Speaker :** Now, Hon'ble Minister, Shri Rockybul Hussain.

★**শ্রীৰকিবুল হুছেইন** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমি ক্রীড়া বিভাগটোৰ কাৰণে ৭শ ৫,৮ লাখ টকা দাবী মঞ্জুৰী প্রস্তাৱ উত্থাপন কৰিছো। তাত আমাক কেইটামান দায়িত্বশীল আৰু গঠনমূলক পৰামর্শ দিয়াৰ কাৰণে আমি আপোনালোকক ধন্যবাদ যাচিছো। আপোনালোকক এই কাৰণে ধন্যবাদ জনাব বিচাৰিছো, আপোনালোকে কর্ত্তন প্রস্তাৱটো যেতিয়া উত্থাপন কৰিব বিচাৰিছে গড়কাপ্তানী বিভাগৰ পিচতে ক্রীড়া বিভাগটোক আপোনালোকে অতি গুৰুত্ব দিছে। আমিও ক্রীড়া বিভাগত যথেষ্ট কাম কৰিম। আগৰ কার্য্যক্রমণিকালৈ চালে দেখা যায় কাট মৌচনৰ ক্ষেত্রত ক্রীড়া বিভাগটো খুব গুৰুত্ব দিয়া দেখা যায়। আজি দাবী মঞ্জুৰী উত্থাপন কৰিছো নেচনেল গেমচ্ৰ কাৰণে সেইকাৰণে আমি ৫.৩৫ কোটি টকা বিচাৰিছো। তাৰ লগতে লক্ষীমপুৰ, সোণাৰী, ছয়গাওঁ, কলংপাৰ, হাফলং আদি বিভিন্ন ষ্টেডিয়াম উন্নত কৰিবৰ কাৰণে টকা দি সহায় কৰাৰ কাৰণে প্রস্তাৱ আগবঢ়োৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শুক্লবৈদ্যক বুজাব খুজিছো যে বৰাক ভেলীত উপযুক্ত ষ্টেডিয়াম নাই। কেন্দ্রীয় চৰকাৰৰ পৰা অহাৰ কাৰণেহে আমি কৰিব বিচাৰিছো এইটো ৰাজ্য চৰকাৰৰ নহয়। কেন্দ্রীয় চৰকাৰে চেংচন দিছে। নিয়মবিলাক প্রস্তাৱত উত্থাপন কৰা হৈছে। আপোনাৰ যদি তেনেকুৱা প্রস্তাৱ আছে তেতিয়াহলে কেন্দ্রীয় চৰকাৰলৈ সেই প্রস্তাৱ প্রেৰণ কৰিবলৈ চেষ্টা কৰা হব। আপোনালোকৰ দাবী মঞ্জুৰীৰ ওপৰত সম্পূর্ণ আস্থা আছে, সেইকাৰণে গঠন মূলক পৰামর্শও আগবঢ়াইছে। মই এটা কথা জনাব বিচাৰিছো যে অসমৰ অলিম্পিক সভাপতি হিচাবে অসমৰ মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈ ডাঙৰীয়াই দর্খাস্ত দিছিল। দর্খাস্তখন দিওঁতে তেখেত সকলে ২৫ (পচিশ) লাখ টকা দিব লাগে বুলি কৈছিল। তেতিয়া অসম চৰকাৰখনে ১৫ লাখ টকা দিবৰ কাৰণে সক্ষম নাছিল। সেই অৱস্থাৰ পৰাই কথা পতা হৈছিল। এতিয়া ২২৬.৭ কোটি টকা দিব লাগে। ৰাজনৈতিক স্বার্থ আগত ৰাখি এনেকুৱা কথা ৰখিব পৰা কাৰণে প্রথমে আমাক ধন্যবাদ দিব লাগে। নেচনেলচ গেমচ্

---

★ *Speech not corrected*

অসমৰ কাৰণে গৌৰৱৰ কথা। বহুতে ভাৱে 'ৰটেচনতহে' এনেকুৱা খেল পায়। কিন্তু এনেকুৱা নহয়। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতকৈ অসম বহুত পিচপৰা। সেই সময়ত অৰ্থনৈতিক অৱস্থা আপোনালোকৰ ওপৰতে আছে সেই মনোভাৱলৈ মৰসাহ কৰি আগবঢ়াৰ কাৰণে অসম চৰকাৰখন কৃতজ্ঞতাৰ পাত্ৰ নহয় নে? আচলতে ভাৰতীয় অলিম্পিক সন্থা, অসম অলিম্পিক সন্থা চৰকাৰৰ ইতিহাসৰ পাত হিচাবে চৰকাৰে সহায় কৰিছে। আপোনালোকেও বিভিন্ন ধৰণৰ চিন্তাত আছে। আমাৰ এতিয়া প্ৰধান কথা হৈছে টকা পইচাৰ কথাটো। ২২৬ কোটি টকা এতিয়ালৈকে আমি ইমান ডাঙৰ সংখ্যা এটা কৰ পৰা পাম? আমি কৰ পৰা নাই। এই গেমচ্‌ৰ কাৰণে আমি ২২৬ কোটি টকাৰ পৰিৱৰ্ত্তে ১৭০-৮০ কোটি টকা খৰছ কৰিব বিচাৰিছো। আপোনালোকে সকলো কথা জানে বাজেট হব তাৰ লগে লগে ৰিফলেষ্ট' ও হব। এতিয়া ২২৬ কোটি টকা খৰছ কৰিব পৰা অৱস্থা হব। বিভিন্ন প্ৰশ্নৰ উত্তৰত মই কৈছো নবেম্বৰ মাহত যি তাৰিখত খোলাৰ কথা কৈছে, সেইটো খুলিব ধৰাৰ কাৰণে মই চৰকাৰক ধাৰ্য্য কৰি দিছো।

**Mr. Speaker :** Now it is 1.30 PM and I guillotine all the remaining Cut Motions. Now I put all the remaining Demands for Grants Nos. 74, 71, 5, 6, 11, 19, 29, 30, 39, 43, 45, 48, 52, 54, 55, 56, 58, 59, 60, 69, 72 and 73 for approval of the House.

Those who are in favour, say, 'Ayes';

Those who are against, say, Noes;

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Demand for Grant Nos. 74, 71, 5, 6, 11, 19, 29, 30, 39, 43, 45, 48, 52, 54, 55, 56, 58, 59, 60, 69, 72 and 73 are passed.

## THE ASSAM APPROPRIATION (NO.-I) BILL, 2005

**Mr. Speaker :** Now Item No. 4 (a) Hon'ble Chief Minister to move the motion to grant leave to introduce the Bill "The Assam Appropriation (No.-I) Bill, 2005.

**Shri Himanta Biswa Sarma** (Minister of State, Finance) : Sir, on behalf of Hon'ble Chief Minister, I beg leave to introduce "The Assam Appropriation (No.-I) Bill, 2005".

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted.

There is a message from the Governor of Assam, Raj Bhawan, Guwahati, March 8, 2005.

Raj Bhawan, Guwahati,
March 8, 2005

**ORDER**

"Under the provision of Article 207 (1) of the Constitution of India I, Lt. Gen. (Retd) Ajai Singh, PVSM, AVSM, Governor of Assam recommend the introduction of the Assam Appropriation (No.-I) Bill, 2005 in the Assam Legislative Assembly."

Sd/-
(Lt. Gen. (Retd) Ajai Singh, PVSM, AVSM),
Governor of Assam

Now, Hon'ble Chief Minister to introduce the Bill.

**Shri Hemanta Biswa Sarma** (Minister of State, Finance) : Sir, on behalf of Hon'ble Chief Minister, I beg to introduce "The Assam Appropriation (No.-I) Bill, 2005

---

★ *Speech not corrected*

**Secretary, Assam legislative Assembly :** The title of the Bill is that "The Assam Appropriation (No.-I) Bill, 2005.

**Mr. Speaker :** Now Item No. 4 (b) There is a message from the Governor of Assam, Raj Bhawan, Guwahati, March 8, 2005.

Raj Bhawan, Guwahati,
March 8, 2005

**ORDER**

"Under the provision of Article 207(3) of the constitution of India, I, Lt. Gen. (Retd) Ajai Singh, PVSM, AVSM, Governor of Assam recommend that the Assam Appropriation (No.-I) Bill, 2005 be taken into consideration by the Assam Legislative Assembly.

Sd/-
(Lt. Gen. (Retd) Ajai Singh, PVSM, AVSM),
Governor of Assam

**Shri Hemanta Biswa Sarma** (Minister of State, Finance) : Sir, on behalf of Hon'ble Chief Minister, I beg to move that "The Assam Appropriation (No.-I) Bill, 2005 be taken into consideration.

★ **শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ১০ গৰাকী এম, এল, এ, আবচুৰ সভাপতি আৰু দুগৰাকী এম, পিয়ে মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছিলো যে বড়ো মাধ্যমৰ স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে যেনেকুৱা ধৰণৰ প্ৰয়োজন আছে সেই প্ৰয়োজনমতে প্ৰভিনচিয়েলাইজ কৰা হোৱা নাই। কাৰণ সমষ্টি ভিত্তিত প্ৰভিনচিয়েলাইজ কৰিলে আমাৰ বড়ো অধ্যুষিত এলেকাৰ কিছুমান

★ *Speech not corrected*

স্কুল প্ৰভিনচিয়েলাইজ নোহোৱাকৈ থাকি যাব। কিয়নো কিছুমান ঠাইত বড়ো এম, এল, এ নাই। সেই এৰিয়া বিলাকত মাননীয় সদস্য সকলে বড়ো মাধ্যমৰ স্কুল বিলাকত প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে তেনেকুৱা ধৰণৰ সুবিধা নিদিয়ে। সেই কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰীৰ লগত এই বিষয়তো আলোচনা কৰিছো। কিছুমান এৰিয়াৰ বড়ো মাধ্যমৰ স্কুল বিলাকৰ অৱস্থা বেয়া। কিছুমান স্কুলত বড়ো ছাত্ৰ-ছাত্ৰী সকলক অবৈতনিক ভাবে শিক্ষাদান কৰি আহিছে। সেই স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে আমি অনুৰোধ জনাইছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে আমাক আশ্বাস দিছিল। আগতে ফৰেষ্ট ভিলেজত স্কুল সংস্থাপন কৰা নাছিল। কিন্তু এতিয়াহে আমাৰ মানুহবিলাকে তাত স্কুল বিলাক সংস্থাপন কৰিছে। কিন্তু সেই এল, পি, এম, ই আৰু হাই স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰিব পৰা নাই। আমি সেই স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰাৰ কাৰণে বোৰ্ডত অনুৰোধ জনাইছিলো। বি, টি, চি এৰিয়াত ১০ খন মান নন্ প্ৰভিনচিয়েলাইজ স্কুল আছে আৰু কেইখন মান কলেজ আছে। সেই স্কুল আৰু কলেজ কেইখনলৈ আমি গ্ৰেন্ট ইনএইড দিয়াৰ কাৰণে অনুৰোধ জনাইছিলো। সেই বিষয়টোৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা লৈছে সেইটো কথা মই জানিব বিচাৰিছো।

★**শ্ৰীপ্ৰেমধৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৫ চনৰ ৩১ মাৰ্চৰ ভিতৰত খৰচ কৰিব পৰাকৈ ২০০৪-২০০৫ চনৰ বিত্তিয় বছৰটোৰ বাবে ৰাজ্য একত্ৰিকৃত নিধিৰ পৰা ৩৪৮১,৯৩,৯৬,০০০ টকা বিচাৰিছে। এই টকাৰে আমাৰ ৰাজ্যখনৰ কাৰণে কিছু উন্নয়ন মূলক কাম কৰিব বিচাৰিছে। চৰকাৰে এইটো কথা স্পষ্ট কৰি দিব লাগে যে যোৱা বাৰিষাত যিবিলাক ৰাস্তা পদূলিৰ ক্ষয় ক্ষতি হৈছিল, ডেমেজ হৈছিল সেই বিলাক ৩১ মাৰ্চৰ আগতে মেৰামতি আৰু নিৰ্ম্মাণ কৰি সম্পূৰ্ণ কৰি তোলা হব নেকি? আমাৰ চৰকাৰে প্ৰাথমিক বিদ্যালয় বিলাক প্ৰভিনচিয়েলাইজ কৰা হব বুলি এই বিধান সভাত কৈ আহিছে আৰু ১৫ আগষ্টত ঘোষণা কৰাৰ কথা আছিল যদিও ঘোষণা কৰা হোৱা নাই। এলিমেন্টৰী এডুকেচনৰ ক্ষেত্ৰত পূজিৰ যিটো এলোকেচন সেইটো বঢ়াই দিম বুলি কৈছিল। গতিকে তাৰ কাৰণে বেচিকৈ কিছু টকা ধাৰ্য্য কৰিব লাগে। অসমত যিসকল গাওঁবুঢ়া আছে তেখেত সকলে তেখেত সকলৰ দৰমহা কম হৈছে বুলি আন্দোলন কৰি আহিছে। মাননীয় মুখ্যমন্ত্ৰীয়ে গাওঁবুঢ়া সকলৰ দৰমহা বঢ়াই দিম বুলি কৈছিল। অসম গণ পৰিষদ

---

★ *Speech not corrected*

চৰকাৰৰ দিনত কিছুমান অবৈতনিক গাওঁবুঢ়া কৰিলে। সেই গাওঁবুঢ়া সকলে সদায় আন্দোলন কৰি আছে। মৌজাদাৰ সকলক তেওঁলোকে সহায় কৰে বুলি কৈছে। লক্ষীমপুৰৰ ডি, চিয়ে তেওঁলোকক দিছে - With effect from the date of taking over charge. এই বিলাক ডি, চিৰ চিঠি। এইটোৰ এটা তদন্ত হ'ব লাগে। কেনেকৈ এই অবৈতনিক গাওঁবুঢ়া হ'ল? তেখেত সকলে দুৰ্যোগৰ সময়তো সহায় কৰিছে বুলি কৈছে। আমাৰ যিখিনি এগ্ৰিকালচাৰ গ্ৰেজুৱেট আছে তেখেত সকলক কৃষিৰ এটা পাঠ্যক্ৰম স্কুল বিলাকত খুলি গোটেই অসমত এটা বিজ্ঞান সন্মত উন্নত পদ্ধতিৰে খেতি কৰি স্বাৱলম্বী হব পাৰে তাৰ কাৰণে এই এগ্ৰিকালচাৰ গ্ৰেজুৱেট সকলক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু ভেনচাৰ স্কুল প্ৰভিনচিয়েলাইজ কৰাৰ সংখ্যা বঢ়াবৰ কাৰণে অনুৰোধ জনাইছো।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা** (ৰাজ্যিক বিত্ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে দাবী মঞ্জুৰীৰ ওপৰত মাননীয় সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানী আৰু প্ৰেমধৰ বৰা ডাঙৰীয়াই পৰামৰ্শ আগবঢ়াইছে। মই এটা কথাৰ স্পষ্টীকৰণ দিব বিচাৰিছো। আজি যেতিয়া সদনত গড় কাপ্টানীৰ দাবী মঞ্জুৰীৰ ওপৰত আলোচনা হৈছিল তেতিয়া কেইবাজনো মাননীয় সদস্যই ৰাজনৈতিক বৈষম্যৰ কথা কৈছিল।

প্ৰথমবাৰৰ কাৰণে অসমত এখন নতুন আঁচনি "মুখ্যমন্ত্ৰীৰ পকী পথ আঁচনি" ৰূপায়ণ কৰিছে। এই আঁচনিত কোনো ধৰণৰ ৰাজনৈতিক বৈষম্য নোহোৱাকৈ শ্বচ্ছ এলেকা সমূহ বাদ দি প্ৰতিবিধান সভা সমষ্টিত ৰাষ্টা দিছে, আৰু কাম হৈছে। এইবোৰে প্ৰমাণ কৰে যে ৰাজনৈতিক বৈষম্য দূৰ কৰাৰ কাৰণেহে এই কাম কৰিব খোজা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া উত্তৰ দিব নালাগে।

★ **শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা (মন্ত্ৰী)** ঃ মুখ্যমন্ত্ৰীলৈ লিখিছে যে যোৰহাটৰ এ, টি, ৰোডৰ আজি ইমান বছৰ ধৰি কাম হোৱা নাই। কোনো বৈষম্য নোহোৱাকৈ ৫ কোটি টকাৰে বিৰোধী দলৰ বিধান সভা সমষ্টিত ৰাষ্টা বনোৱা হৈছে। আমাৰ চৰকাৰৰ যিটো সমীক্ষা সেই মতে নিয়ম মতে কৰিছে তাত কোনো আসোৱাহ থাকিব নোৱাৰে।

শ্ৰীযুতা প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানী বাইদেৱে যিটো কৈছে ১০ গৰাকী এম, এল, এ, দুগৰাকী সাংসদ, আবচুৰ প্ৰতিনিধি বি, টি, চিৰ বাহিৰত থকা

★ *Speech not corrected*

বড়ো মিদিয়াম স্কুলৰ কথা যিটো উত্থাপন কৰিছে অধ্যক্ষ মহোদয়, আপুনি ভালকৈ জানে যে আগৰ চৰকাৰৰ দিনত বুজা বুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল। প্ৰাদেশীকৰণ কৰা নহব বুলি এম, অ' ই কৰি থৈছিল। সেই বুজা বুজিৰ চুক্তিখন বাতিল নকৰো বুলি মুখ্যমন্ত্ৰীয়ে কৈছে। প্ৰাদেশিক কৰণৰ ক্ষেত্ৰত চিন্তা চৰ্চা কৰিব পৰা যাব। আগতে যিটো স্পিদ বেকাৰ লগাই থৈ গল সেইটো ভাঙিব পৰা হব। গ্ৰান্টইন এইদৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীপ্ৰেম বৰা ডাঙৰীয়াই যিটো পৰামৰ্শ দিছিল ১০ খনকৈ স্কুল বঢ়াব লাগে বুলি এতিয়া ২০ খনকৈ বঢ়োৱা হৈছে। আৰু এটা কথা কেবিনেট চাব কমিটিয়ে দিল কৰি আছে যে চিক্সথ চিদুলৰ বাহিৰত যিবিলাক জনগোষ্ঠীৰ স্কুল আছে খাচ ট্ৰাইবেল এৰিয়াত যিবিলাক স্কুল আছে, শিক্ষানুষ্ঠান আছে তাত যথাযথ গুৰুত্ব দিব পৰা যাব। আমাৰ কেবিনেট চাব কমিটি বহি আছে ফাইনেল হোৱা নাই, পিচত নিশ্চয় বিবেচনা কৰিব পৰা যাব। ইন্দু ভুটান এলেকাত অগ্ৰাধিকাৰ দিয়া হব। বৰ্ত্তমানৰ যিখন গ্ৰান্টইন এইদ আঁচনি সেইখন আমাৰ চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব। তাৰ বাবে তালিকা বিলাক দিয়াটো ২৮ কোটি টকা এইবাৰ শিক্ষা বিভাগত গ্ৰান্টইন এইদ আঁচনিৰ অন্তৰ্ভূক্ত কৰিছে। স্কুলৰ নামবোৰ পালে অসুবিধা নাই।

মথাউৰীৰ ক্ষেত্ৰত সদনক জনোৱা ভাল হব যে ১৩০ কোটি টকা মথাউৰী নিৰ্ম্মাণৰ কাৰণে বিত্ত বিভাগে অনুমোদন জনাইছে। ১৩০ কোটি টকা ৰাজহ বিভাগে অগ্ৰিম দি দিছে। এতিয়া যিবিলাক কাম চলি আছে আপোনালোকে ঠিকাদাৰক কব লাগে যে টকা পইচাৰ অভাব নাই জোৰদাৰ কাম হব লাগে। সদস্য সকল ফিল্ডলৈ গৈ অভয় দিব লাগে আপোনালোকে কাম কৰক আৰু টকা পইচা লৈ আহক। বিধায়ক সকলে ৰাজহ বিভাগৰ মন্ত্ৰীৰ পৰা নিশ্চয় আৰু বেছি জানিব পাৰিব।

গাওঁবুঢ়াৰ ক্ষেত্ৰত আপোনালোকে জানে যে ইতিমধ্যে পাঁচশ কোটি টকা মোকোলাই দিয়া হৈছে। আগৰ যিবিলাক অবৈতনিক পুলিচ, গাওঁবুঢ়া আদি আছিল সেইবিলাক এতিয়া টবতনিক কৰিব লাগে। আমি লক্ষিমপুৰ জিলাৰ উপায়ুক্তৰ লগত আলোচনা কৰিম।

নেচাৰেল দেথৰ কাৰণে ১০ কোটি টকা দিয়া হৈছে। এই টকা ৩১ মাৰ্চৰ আগতে খৰছ কৰিবলৈ কোৱা হৈছে। গতিকে মাননীয় সদস্য সকলক এই বিধেয়ক গ্ৰহণ হোৱাত সহায় কৰিব বুলি আহ্বান জনালোঁ।

**Mr. Speaker :** Now, I put the motion before the House.

The motion is that the Assam Appropriation (No.-I) Bill, 2005 be taken into consideration.

Those who are in favour, say, 'Ayes' ;
Those who are against, say, 'Noes' ;
'Ayes' have it, 'Ayes' have it, 'Ayes' have it.
